# ৰাইজৰ বাতৰি

১ অক্টোবৰ ২০২০



## বশিষ্ঠ দেৱশৰ্মাক শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান

অসম চৰকাৰ





সৰ্বানন্দ সোণোৱাল
মুখ্যমন্ত্ৰী, অসম

ক'ভিড-১৯ মহামাৰী প্ৰতিৰোধৰ বাবে ৰাজ্যখনত অব্যাহত থকা
সংগ্ৰামত উল্লেখনীয় ভূমিকা লৈ ৰাইজৰ সকাহৰ অৰ্থে
অবিৰতভাৱে সেৱাত নিয়োজিত
প্ৰতিগৰাকী কৃষক তথা কৃষি বিভাগ
খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ
উপায়ুক্ত, মহকুমাধিপতি, চক্ৰ বিষয়া,খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়
জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু জলসম্পদ বিভাগৰ
বিষয়া-কৰ্মচাৰী তথা অসমৰ সকলো চাফাই কৰ্মীলৈ
আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

# ৰাইজৰ বাতৰি

একাদশ বছৰ   ষষ্ঠ সংখ্যা   ১-১৫ অক্টোবৰ, ২০২০

পষেকীয়া বাৰ্তালোচনী

গৃহ নং ঃ ১, দ্বিতীয় মহলা,
দ্বাৰকা পথ, মহাপুৰুষ হৰিদেৱ পথ,
হাতীগাঁও, গুৱাহাটী ঃ ৭৮১০৩৮


## এই সংখ্যাত


| | |
|---|---|
| দক্ষিণ-পূব এছিয়াৰে দৃঢ় সম্পৰ্কৰ মূলকেন্দ্ৰ হ'ব আই আই টি গুৱাহাটী | ৩ |
| কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীৰ | ৭ |
| পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব উত্তৰ-পূৰ্বাঞ্চল | ৮ |
| বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱশৰ্মাক ২০১৭ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান | ৯ |
| দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে নিৰন্তৰ অভিযান চলাই গৈছে ঃ মুখ্যমন্ত্ৰী | ১১ |
| শিলচৰ মেডিকেল কলেজত ৪০ বিচনাযুক্ত আই চি ইউ-ক'ভিড ৱাৰ্ড উদ্বোধন | ১৩ |
| অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, জৈৱ বৈচিত্ৰ্য সংৰক্ষণক সকলোৰে জাতীয় দায়িত্ব... | ১৯ |
| অৰুন্ধতী আঁচনিৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰী সোণোৱালৰ | ২২ |
| শিশুস্বাস্থ্যৰ এক যুগান্তকাৰী আঁচনিৰ শুভাৰম্ভ স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাৰ | ২৭ |
| মাছৰ লগত অসমৰ মানুহৰ আত্মিক সম্পৰ্ক আছে ঃ মীনমন্ত্ৰী | ৩২ |
| ক'ভিডক ভেটিবলৈ ১০০০ নাৰ্ছ, ২১৫ আই চি ইউ টেকনিচিয়ানক নিযুক্তি | ৪৬ |
| সোণোৱালৰ নেতৃত্বত বিকাশৰ পথেৰে অসম ঃ শেখৰ দে | ৫৩ |
| ইভলিণ্টাইছ ছাজেমৰ কথাৰে ঃ ড° তপতী বৰুৱা কাশ্যপ | ৫৫ |
| শিক্ষানীতি ২০২০ আৰু এক পৰ্যালোচনা ঃ ড° জগদীন্দ্ৰ ৰায়চৌধুৰী | ৫৭ |
| দুৰ্বল শ্ৰৱণশক্তি এক বিশেষ সক্ষমতা ঃ জ্যোতিস্মিতা দেৱী | ৬০ |
| ক'ভিড ১৯ সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত আমাৰ কৰণীয় ঃ সৌৰভজ্যোতি ফুকন | ৬৪ |
| নিয়োগ বাতৰি | ৬৭ |



অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়, দিছপুৰ, গুৱাহাটী ৭৮১০০৬ ৰ দ্বাৰা প্ৰকাশিত আৰু চৰকাৰী ছপাশাল, গুৱাহাটী ২১ ত মুদ্ৰিত।

উপদেষ্টা ঃ হৃষীকেশ গোস্বামী   সম্পাদক ঃ ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য

Published by Directorate of Information & Public Relations, Govt. of Assam, Dispur, Guwahati 781006 and Printed at Assam Govt. Press Guwahati-781021.

**Adviser : Hrishikesh Goswami**   **Editor : Bhupendra Nath Bhattacharyya**

Phone : 0361-2264334, Email : raijarbatori@gmail.com, raijarbatori123@gmail.com

## সম্পাদকীয়



# উত্তৰ-পূবত পৰ্যটনৰ সম্ভাৱনা

কৰ'নাজনিত পৰিস্থিতিৰ বাবে সমগ্ৰ বিশ্বতে পৰ্যটন উদ্যোগে ব্যাপক লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলো ইয়াৰ পৰা বাদ পৰি যোৱা নাই। প্ৰাকৃতিক সম্পদ আৰু সৌন্দৰ্যৰে চহকী অসম তথা উত্তৰ-পূৰ্বাঞ্চলত পৰ্যটনৰ বিপুল সম্ভাৱনা থকা সত্ত্বেও ইমানদিনে পৰিকল্পিতভাৱে ইয়াৰ বিকাশৰ বাবে কোনো বিশেষ পৰিকল্পনা গ্ৰহণ কৰা হোৱা নাছিল। পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱ থকা সত্ত্বেও এই অঞ্চলটোত পৰ্যটনৰ যিখিনি বিকাশ হৈছে, তাকো কৰ'নাজনিত পৰিস্থিতিয়ে বিপৰ্যস্ত কৰি পেলাইছে। তাৰ মাজতে বিশ্ব পৰ্যটন দিৱসৰ সৈতে সংগতি ৰাখি যোৱা ২৭ ছেপ্টেম্বৰৰ পৰাই চাৰিদিনীয়াকৈ অনুষ্ঠিত হৈছে ডেষ্টিনেচন নৰ্থ-ইষ্ট ২০২০। ভিডিঅ' কনফাৰেন্সিংযোগে এই মহোৎসৱ উদ্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে — 'মই দেশ-বিদেশৰ বহু অঞ্চল ভ্ৰমণ কৰিছো। বহু পৰ্যটনস্থলীলৈ গৈছো। কিন্তু উত্তৰ-পূবৰ দৰে প্ৰাকৃতিক সৌন্দৰ্য ক'তো দেখা বুলি মই ক'ব নোৱাৰো।' অঞ্চলটোৰ জনসাধাৰণে প্ৰাচুৰ্যময় আৰু বৈচিত্ৰ্যপূৰ্ণ ভাষা, পৰম্পৰা আৰু সংস্কৃতিৰ বিভিন্ন প্ৰত্যাহ্বান সত্ত্বেও ৰক্ষণাবেক্ষণ দিবলৈ সক্ষম হৈছে আৰু উত্তৰ-পূৰ্বাঞ্চল খুব সোনকালে অন্যতম শ্ৰেষ্ঠ পৰ্যটনস্থলীত পৰিণত হ'ব বুলি মন্তব্য কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়— 'উত্তৰ-পূবৰ প্ৰাকৃতিক সৌন্দৰ্য হ'ল দেশৰ অলংকাৰ। উত্তৰ-পূবৰ সংস্কৃতিক বাদ দি দেশৰ সংস্কৃতি কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে।' অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্যৰ এই প্ৰশংসা নিশ্চয়কৈ যথাৰ্থ। লগতে গৃহমন্ত্ৰীগৰাকীয়ে সঠিকভাৱে মন্তব্য কৰিছে যে বিভিন প্ৰত্যাহ্বানকো কাতি কৰি ইয়াৰ জনসাধাৰণে নিজৰ ভাষা-সংস্কৃতিক সুৰক্ষা দি আহিছে। সঁচাকৈ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বিভিন্ন দিশৰ পৰা ভাষিক, সাংস্কৃতিক তথা প্ৰাকৃতিক ক্ষেত্ৰখনলৈ প্ৰত্যাহ্বান আহিছে। ইয়াৰ জনসাধাৰণে দৃঢ়তাৰে এই প্ৰত্যাহ্বানসমূহৰ মুখামুখি হৈ তাৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব মূৰ পাতি লৈছে বাবেই এইবোৰ সংৰক্ষিত হৈ আছে। কিন্তু অঞ্চলটোৰ জনসাধাৰণৰ এই দায়বদ্ধতাক সন্মান জনাই তেওঁলোকক সাহস আৰু শক্তি যোগাবলৈ চৰকাৰে বিভিন্ন আঁচনি-পৰিকল্পনা গ্ৰহণ কৰা উচিত। তাৰেই প্ৰয়াস হিচাপেই অনুষ্ঠিত হৈছে 'ডেষ্টিনেচন নৰ্থ-ইষ্ট ২০২০'। প্ৰচুৰ সম্ভাৱনাময় এই অঞ্চলটোত চৰকাৰে পৰ্যটনৰ বিকাশৰ বাবে বিশেষ পৰিকল্পনা গ্ৰহণ কৰিলে অদূৰ ভৱিষ্যতে উত্তৰ-পূৰ্বাঞ্চল দেশৰ পৰ্যটনৰ মানচিত্ৰত যে আৰু অধিক জিলিকি উঠিব সি ধুৰুপ। সম্প্ৰতি সমগ্ৰ বিশ্বতে যি সংকট ঘণীভূত হৈ পৰিছে, তাৰ পৰিপ্ৰেক্ষিতত পৰ্যটন উদ্যোগে বিপুল লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে যদিও এই পৰিস্থিতি সদায় একেদৰে চলি নাথাকে। পৰিস্থিতি এদিন নিশ্চয় ভাল হ'ব। গতিকে তেতিয়ালৈকে এক সুপৰিকল্পিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰি অঞ্চলটোৰ পৰ্যটনৰ বিকাশৰ বাবে চৰকাৰ আগবাঢ়ি আহিলে অসম তথা উত্তৰ-পূৰ্বাঞ্চলে যে পৰ্যটনৰ ক্ষেত্ৰত এক বিশেষ মৰ্যাদা দেশখনলৈ কঢ়িয়াই আনিব তাত কোনো সন্দেহ নাই। চৰকাৰৰ এনে প্ৰয়াসে তেনে সদিচ্ছাকে নিশ্চয় প্ৰতিফলিত কৰে। সেইবাবেই ড'নাৰ মন্ত্ৰী জিতেন্দ্ৰ সিঙে কৰ'নাৰ পিছত উত্তৰ-পূৰ্বাঞ্চলৰ সোণালী যুগ আৰম্ভ হ'ব বুলি উল্লেখ কৰি কয় যে অঞ্চলটো ভাৰতৰ অন্যতম আকৰ্ষণীয় পৰ্যটন আৰু বাণিজ্যিক স্থল হিচাপে পৰিগণিত হ'ব। ❑❑

*"প্ৰচুৰ সম্ভাৱনাময় এই অঞ্চলটোত চৰকাৰে পৰ্যটনৰ বিকাশৰ বাবে বিশেষ পৰিকল্পনা গ্ৰহণ কৰিলে অদূৰ ভৱিষ্যতে উত্তৰ-পূৰ্বাঞ্চল দেশৰ পৰ্যটনৰ মানচিত্ৰত যে আৰু অধিক জিলিকি উঠিব সি ধুৰুপ। সম্প্ৰতি সমগ্ৰ বিশ্বতে যি সংকট ঘণীভূত হৈ পৰিছে, তাৰ পৰিপ্ৰেক্ষিতত পৰ্যটন উদ্যোগে বিপুল লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে যদিও এই পৰিস্থিতি সদায় একেদৰে চলি নাথাকে। পৰিস্থিতি এদিন নিশ্চয় ভাল হ'ব। গতিকে তেতিয়ালৈকে এক সুপৰিকল্পিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰি অঞ্চলটোৰ পৰ্যটনৰ বিকাশৰ বাবে চৰকাৰ আগবাঢ়ি আহিলে অসম তথা উত্তৰ-পূৰ্বাঞ্চলে যে পৰ্যটনৰ ক্ষেত্ৰত এক বিশেষ মৰ্যাদা দেশখনলৈ কঢ়িয়াই আনিব তাত কোনো সন্দেহ নাই।"*

## আই আই টি গুৱাহাটীৰ ২২ সংখ্যক দীক্ষান্ত সমাৰোহ




# দক্ষিণ-পূব এছিয়াৰে দৃঢ় সম্পৰ্কৰ মূল কেন্দ্ৰ হ'ব আই আই টি গুৱাহাটী ঃ প্ৰধানমন্ত্ৰী

দেশৰ ভিতৰতে প্ৰচুৰ সম্ভাৱনাপূৰ্ণ উত্তৰ-পূৰ্বাঞ্চল এক্ট ইষ্ট পলিচীৰ কেন্দ্ৰ হোৱাৰ বিপৰীতে দক্ষিণ-পূব এছিয়াৰে ভাৰতৰ সু-সম্পৰ্কৰ ক্ষেত্ৰত হৈ পৰিছে মূল প্ৰৱেশদ্বাৰ। সংস্কৃতি, বাণিজ্য, যোগাযোগ আদিৰে সেই দেশবোৰৰ লগত সু-সম্পৰ্ক স্থাপন হোৱাৰ পিছত শেহতীয়াকৈ শিক্ষাৰ জৰিয়তেও সম্পৰ্ক অধিক সুদৃঢ় হোৱাৰ বাট মুকলি হৈছে আৰু এইক্ষেত্ৰত আই আই টি গুৱাহাটী অন্যতম কেন্দ্ৰ হ'ব পাৰে। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান চমুকৈ আই আই টি গুৱাহাটীৰ যোৱা ২২ ছেপ্টেম্বৰত অনুষ্ঠিত দীক্ষান্ত সমাৰোহত ভিডিঅ' কনফাৰেন্সযোগে দিয়া ভাষণত এই অভিমত ব্যক্ত কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে সৌৰ শক্তি, জলবিদ্যুৎ উৎপাদন, চাউল, চাহ, বাঁহ আদি প্ৰাকৃতিক সম্পদ, পৰ্যটন খণ্ড, জীৱ বৈচিত্ৰ্য আদিৰে ভৰা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে ৰে'লৱে, ৰাষ্ট্ৰীয় ঘাইপথ, জলপথ, আকাশী পথৰ উন্নয়নকে ধৰি অন্যান্য আন্তঃগাঁথনি উন্নয়নৰ ব্যৱস্থা লোৱাৰ কথা উনুকিয়াই অঞ্চলটোত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰৰ বাবে আই আই টি গুৱাহাটীৰ নেতৃত্বক ভূমিকা ল'বলৈ আহ্বান জনায়। ভিডিঅ' কনফাৰেন্সযোগে দিয়া ভাষণত তেওঁ কয়, 'প্ৰতিগৰাকী শিক্ষাৰ্থীৰ বাবে দীক্ষান্ত সমাৰোহ এক বিশেষ দিন। কিন্তু কৰ'না মহামাৰীৰ বাবে এই ব্যতিক্ৰমী অভিজ্ঞতাৰ সন্মুখীন হ'বলগীয়া হৈছে শিক্ষাৰ্থী সমাজ। মহামাৰীয়ে দীক্ষান্ত সমাৰোহ অনুষ্ঠিত কৰাৰ পদ্ধতি সলনি কৰিছে। তৎসত্ত্বেও এই দিনটো এতিয়াও পূৰ্বৰ দৰেই বিশেষ। দেশৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে যুৱ প্ৰজন্মৰ চিন্তাধাৰাৰ ওপৰত। শিক্ষাৰ্থীৰ সপোনে ভৱিষ্যতৰ প্ৰকৃত ভাৰতৰ ৰূপ নিৰ্ধাৰণ কৰিব। এয়া হ'ল শিক্ষাৰ্থীসকল ভৱিষ্যতৰ বাবে ফিট আৰু সুস্থ হৈ থকাৰ সময়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আৰু কয় যে মহামাৰীৰ সময়ত প্ৰতিষ্ঠানখনে দেশৰ ভিতৰতে প্ৰথম কীট নিৰ্মাণ কৰা শিক্ষা প্ৰতিষ্ঠান হিচাপে খ্যাতি লাভ কৰিছে। মহামাৰীৰ সময়ত গৱেষণাৰ কাম-কাজ চলাই নিয়াটো যথেষ্ট টান কাম। তাৰ মাজতো আই আই টি গুৱাহাটীয়ে এই কঠিন কাম সম্ভৱ কৰি তুলিছে। ইয়াৰ জৰিয়তে আই আই টি গুৱাহাটীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত এক উল্লেখনীয় ভূমিকা

গ্ৰহণ কৰিছে। ‘ই ম’বিলিটী’ বিষয়ত দুবছৰীয়া গৱেষণা পাঠ্যক্ৰম দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে আই আই টি গুৱাহাটীয়ে আৰম্ভ কৰাত প্ৰতিষ্ঠানখনৰ শলাগ লৈ তেওঁ কয়, ‘ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ একৈশ শতিকাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তুত কৰা হৈছে। ইয়াৰ জৰিয়তে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত ভাৰতক গোলকীয় নেতৃত্ব ল’ব পৰাকৈ গঢ় দিয়াৰ লক্ষ্য বান্ধি দিয়া হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে দেশৰ শৈক্ষিক ক্ষেত্ৰখনক মুকলি কৰিব।’ ডিঙিত গামোচা পিন্ধি নতুন দিল্লীৰ পৰাই ভাৰ্চুৱেল মাধ্যমেৰে প্ৰধানমন্ত্ৰী মোদীয়ে মুখ্য অতিথি হিচাপে দিয়া এই ভাষণত আই আই টি গুৱাহাটীত এটা দুৰ্যোগ ব্যৱস্থাপনা আৰু বিপদ হ্ৰাস কেন্দ্ৰ স্থাপন কৰিবলৈ আহ্বান জনায়। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত বিভিন্ন সময়ত প্ৰাকৃতিক দুৰ্যোগে সৃষ্টি কৰি অহা বিপদৰ প্ৰতি লক্ষ্য ৰাখি এই কেন্দ্ৰ স্থাপনৰ আহ্বান জনাই তেওঁ কয়, ‘অসম আৰু উত্তৰ-পূৰ্বাঞ্চল প্ৰচুৰ সম্ভাৱনাপূৰ্ণ। কিন্তু বানপানী, ভূমিকম্প, ভূমিস্খলন আৰু বিভিন্ন ঔদ্যোগিক দুৰ্যোগে এই অঞ্চলটোক কোঙা কৰি আহিছে। এই সমস্যাসমূহ সমাধানৰ বাবে উচ্চ পৰ্যায়ৰ প্ৰযুক্তি গোটক সহায়ৰ প্ৰয়োজন। সেয়েহে আই আই টি গুৱাহাটীয়ে এই দুৰ্যোগ ব্যৱস্থাপনা আৰু বিপদ হ্ৰাস কেন্দ্ৰ স্থাপন কৰি সহযোগিতা আগবঢ়াব পাৰে। ইয়াৰ জৰিয়তে এই বিপদসমূহক কিদৰে সম্ভাৱনালৈ ৰূপান্তৰিত কৰিব পাৰি সেই বিষয়ে অধ্যয়ন কৰিব পাৰে।’ সমান্তৰালভাৱে আই আই টি গুৱাহাটীত ভাৰতীয় সংস্কৃতিৰ প্ৰচাৰৰ বাবে এটা কেন্দ্ৰও স্থাপনৰ বাবে তেওঁ আহ্বান জনায়। ভাষণ প্ৰসংগত এক্ট ইষ্ট পলিচীৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, চৰকাৰৰ এক্ট ইষ্ট পলিচীৰ প্ৰাণ হৈছে উত্তৰ-পূৰ্বাঞ্চল। এই অঞ্চলটো উত্তৰ-পূব এছিয়াৰ সৈতে ভাৰতৰ সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত দুৱাৰমুখস্বৰূপ। দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্কৰ ভিত্তি হৈছে সাংস্কৃতিক, বাণিজ্যিক, যাতায়াত আৰু সক্ষমতা। কিন্তু এতিয়া এই দেশসমূহৰ সৈতে সম্পৰ্ক ৰক্ষাৰ নতুন মাধ্যম হ’বলৈ গৈ আছে শিক্ষা। এই ক্ষেত্ৰত আই আই টি গুৱাহাটীয়ে মূলকেন্দ্ৰ হিচাপে ভূমিকা গ্ৰহণ কৰিব পাৰিব। উত্তৰ-পূৰ্বাঞ্চলে ইয়াৰ জৰিয়তে নতুন চিনাকি লাভ কৰিব আৰু ইয়াৰ ফলত নতুন সম্ভাৱনীয়তাৰ সৃষ্টি হ’ব।’ একে সময়তে শিক্ষাৰ্থীসকলে কৰা গৱেষণাৰ জৰিয়তে অঞ্চলটোৰ প্ৰত্যাহ্বানসমূহক সুযোগলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত জড়িত কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। তেওঁ আৰু কয় যে উত্তৰ-পূৰ্বাঞ্চলত আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে প্ৰদান কৰি অহা গুৰুত্বৰ ফলত নতুন সুযোগ আৰু সম্ভাৱনাৰ সৃষ্টি হৈছে। বিশেষকৈ ৰে’লপথ, ঘাইপথ, আকাশী পথ আৰু জলপথৰ ক্ষেত্ৰত এই অঞ্চলত আন্তঃগাঁথনি উন্নীত কৰা হৈছে। মুঠ ১,৮০৩ গৰাকী শিক্ষাৰ্থীক বিভিন্ন ডিগ্ৰী প্ৰদান কৰা এই দীক্ষান্ত সমাৰোহৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও ভাৰ্চুৱেলযোগে ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ এই প্ৰতিষ্ঠানখনে দেশৰ লগতে বিশ্বৰ প্ৰেক্ষাপটতো এক উল্লেখযোগ্য প্ৰতিষ্ঠান হিচাপে অচিৰেই পৰিগণিত হ’ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ৰমেশ পোখৰিয়াল নিশাংকে ভাষণ প্ৰদান কৰি আই আই টি গুৱাহাটীক গৱেষণা, উদ্ভাৱনী আৰু ৰেংকিঙৰ ক্ষেত্ৰত শ্ৰেষ্ঠ প্ৰতিষ্ঠান বুলি উল্লেখ কৰে। কেন্দ্ৰীয় ৰাজ্যিক শিক্ষামন্ত্ৰী সঞ্জয় ধত্ৰে, আই আই টি গুৱাহাটীৰ সঞ্চালক টি জি সীতাৰমণসহ বহুসংখ্যক অধ্যাপক-অধ্যাপিকা এই অনুষ্ঠানত উপস্থিত থাকে। ❑❑



## ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ ২২ সংখ্যক দীক্ষান্ত সমাৰোহ সম্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে



# ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ পৰা ডিগ্ৰী লাভ কৰি শিক্ষাৰ্থীসকলে বিৰল প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীৰ ২২ সংখ্যক দীক্ষান্ত সমাৰোহ ভিডিঅ' কনফাৰেন্সযোগে সম্বোধন কৰি আত্মনিৰ্ভৰশীল ভাৰত আৰু ৰাজ্যখনক আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ দিশত প্ৰতিষ্ঠানখনে লোৱা ভূমিকাৰ শলাগ লয়। কনফাৰেন্সযোগে দীক্ষান্ত সমাৰোহ সম্বোধন কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে দীক্ষান্ত সমাৰোহত সৰ্বভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীৰ পৰা ডিগ্ৰী লাভ কৰা কৃতী শিক্ষাৰ্থীসকললৈ আন্তৰিক অভিনন্দন জনোৱাৰ লগতে সুদীৰ্ঘ সময় ধৰি অসমৰ মনোৰম প্ৰাকৃতিক পৰিৱেশত থকা এইসকল শিক্ষাৰ্থীয়ে ভৱিষ্যতেও ৰাজ্যখনলৈ অৰিহণা আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ পৰা নিজৰ মেধা আৰু কষ্ট সহিষ্ণুতাৰে ডিগ্ৰী লাভ কৰি শিক্ষাৰ্থীসকলে বিৰল প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। ভৱিষ্যতেও বিদ্যাৰ্থীসকলে দেশলৈ অৰ্থৱহ অৰিহণা আগবঢ়াই



যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ঐতিহাসিক অসম চুক্তিৰ ফলত স্থাপিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীয়ে বিগত সময়ছোৱাত বিদ্যায়তনিক উৎকৰ্ষৰ এক অন্যতম প্ৰতিষ্ঠান হিচাপে স্বীকৃতি লাভ কৰিছে। এই

প্ৰতিষ্ঠানখনে বিশ্ব প্ৰেক্ষাপটতো এক উল্লেখযোগ্য অনুষ্ঠান হিচাপে অচিৰেই পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। সমগ্ৰ বিশ্বৰ লগতে আমাৰ দেশেও সম্প্ৰতি ক'ভিড-১৯ সৃষ্ট জটিল পৰিস্থিতিৰ মাজেৰে দিন অতিবাহিত কৰিব লগা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই যুঁজখনত সম্পূৰ্ণ সন্মুখৰ পৰা নেতৃত্ব দি জনসাধাৰণৰ লগতে সমগ্ৰ দেশবাসীৰ মনত এক প্ৰত্যয়ৰ সূচনা কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীয়ে ক'ভিড-১৯ ৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে চলোৱা যুঁজখনত বিভিন্ন চিকিৎসা সামগ্ৰী উদ্ভাৱন কৰি প্ৰদান কৰা কাৰ্যৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে লগতে বিগত আঢ়ৈ দশকত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীয়ে দুৰ্যোগ ব্যৱস্থাপনা আৰু প্ৰশমন সম্পৰ্কত ৰাজ্যখনক বিভিন্ন প্ৰকাৰে সহায়ৰ হাত আগবঢ়োৱাৰ দিশটোও উল্লেখ কৰে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনত বান, খহনীয়া, ভূমিস্খলন, ধুমুহা, ভূমিকম্প ইত্যাদিৰ লেখীয়া দুৰ্যোগসমূহে সমস্যাৰ সৃষ্টি কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীক এক উৎসৰ্গিত জলগৱেষণা আৰু দুৰ্যোগ নিয়ন্ত্ৰণ কেন্দ্ৰ স্থাপনৰ বাবেও আহ্বান জনায়। এই দিশত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা যথোচিত সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলি কয়। স্বাধীনতাৰ ৭০ বছৰৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসমৰ বান আৰু গৰাখহনীয়া সমস্যা নিৰাময়ৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিজ্ঞানসন্মত তথা ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ প্ৰাকৃতিক দুৰ্যোগসমূহ ফলপ্ৰসূভাৱে মোকাবিলা কৰাৰ দিশত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীৰ সহায়-সহযোগিতা কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসম তথা উত্তৰ-পূৰ্বাঞ্চলে উন্নয়নৰ দিশত এক নতুন মাত্ৰা লাভ কৰিছে বুলি উল্লেখ কৰি বৰ্তমান সময়ত উত্তৰ-পূৰ্বাঞ্চলত যোগাযোগ, দ্ৰুত ঔদ্যোগীকৰণৰ দিশত যথোচিত পদক্ষেপ লোৱাৰ ফলত উন্নয়নে এক নতুন যাত্ৰাপথৰ সূচনা কৰিছে বুলিও তেওঁ কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক অষ্টলক্ষ্মী, দেশৰ বিকাশৰ নতুন ইঞ্জিন ইত্যাদিৰে অভিহিত কৰাৰ উপৰি এক্ট ইষ্ট পলিচী ৰূপায়ণেৰে সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ লগতে বিবিএন দেশসমূহৰ সৈতে বিভিন্ন দিশত সম্পৰ্ক স্থাপনৰ বাবে কৰা প্ৰয়াসৰো উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক জৈৱিক কৃষিৰ হাব হিচাপে চিনাক্তকৰণৰ কৰাৰ দিশটোৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই অঞ্চলৰ কৃষি, উদ্যান শস্য, শাক-পাচলি, মচলা, ফুল, জৈৱিক কৃষিয়ে অঞ্চলটোৰ অৰ্থনীতি সলনি কৰিব পৰা সম্ভাৱনীয়তা বহন কৰিছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰে কৃষি খণ্ডৰ উন্নতিৰ বাবে সংসদত অনুমোদন জনোৱা কৃষিখণ্ডৰ দুখন বিধেয়কে কৃষকৰ আয় দুগুণলৈ বৃদ্ধি তথা প্ৰতিভাৱান যুৱক-যুৱতীসকলক কৃষি তথা উদ্যান শস্যৰ ক্ষেত্ৰখনত নিজকে জড়িত কৰাৰ বাবে বাৰুকৈয়ে উৎসাহিত কৰিব বুলি কয়। ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়ন অধিক ত্বৰান্বিত কৰাৰ বাবে ৰাজ্য চৰকাৰে উদ্যোগ আৰু পৰ্যটন খণ্ডৰ প্ৰতিষ্ঠান স্থাপনৰ বাবে কৰ উদগনিৰ নতুন নীতি, তথ্য-প্ৰযুক্তি নীতি, জৈৱ প্ৰযুক্তি নীতি, ষ্টাৰ্ট-আপ নীতি, চেনি নীতি, সৌৰশক্তি নীতি, অসম ঔদ্যোগিক বিনিয়োগ নীতি, বাঁহ-বেত নীতি ইত্যাদিৰ লেখীয়া শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি নতুন উদ্যোগীসকলৰ সহায়ক হোৱাকৈ আই আই এম, কলকাতাৰ ইন'ভেচন পাৰ্কৰ সহযোগত 'আছাম ষ্টাৰ্ট-আপ দ্য নেষ্ট' নামৰ এক ইনকুবেচন পাৰ্ক গুৱাহাটীত স্থাপন কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে সেইদিনা দীক্ষান্ত সমাৰোহত ডিগ্ৰী লাভ কৰা কৃতী শিক্ষাৰ্থীসকলক এই প্ৰতিষ্ঠানখনত ষ্টাৰ্ট-আপ স্থাপনৰ বাবেও আহ্বান জনায়। ৰাজ্য চৰকাৰে এই দিশত উপযুক্ত সহায়-সহযোগিতা আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ❑❑



## কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীৰ

## অসমৰ জ্বলন্ত সমস্যাৰাজি সন্দৰ্ভত বিশেষভাৱে আলোচনা


ফাইল ফটো

# আলোচনা অত্যন্ত উৎসাহজনক আৰু ফলপ্ৰসূ ঃ মুখ্যমন্ত্ৰী সোণোৱাল

যোৱা ২০ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক তেওঁৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰে। সাক্ষাৎ কালত ৰাজ্যৰ বিত্ত, শিক্ষা, স্বাস্থ্য, গড়কাপ্টানী ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকে।

এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ সৈতে হোৱা আলোচনাৰ সময়ত ৰাজ্যখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আৰু জ্বলন্ত সমস্যাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। আলোচনাৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে ৰাজ্যৰ সমস্যাৰাজি ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰি সেইসমূহ সমাধানৰ বাবে যথোচিত পদক্ষেপ লোৱা হ'ব বুলি আশ্বাস প্ৰদান কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ সৈতে হোৱা এই আলোচনা অত্যন্ত উৎসাহজনক আৰু ফলপ্ৰসূ আছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই আলোচনাৰ সময়ত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল। ❑❑


ফাইল ফটো

## ‘লক্ষ্য উত্তৰ-পূৰ্বাঞ্চল- ২০২০’ উদ্বোধন কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ



# পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ’ব উত্তৰ-পূৰ্বাঞ্চল

বিশ্ব পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি ২৮ ছেপ্টেম্বৰৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ‘লক্ষ্য উত্তৰ-পূৰ্বাঞ্চল ২০২০’ শীৰ্ষক এক অনুষ্ঠানৰ শুভাৰম্ভ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে বিশ্ব পৰ্যটন মানচিত্ৰত অচিৰেই এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ’ব উত্তৰ-পূৰ্বাঞ্চল। পূৰ্বতে উত্তৰ-পূৰ্বাঞ্চলক উগ্ৰপন্থীৰ কাৰ্যকলাপ, বন্ধ আদিৰ বাবে জনা গৈছিল যদিও যোৱা চাৰে ছটা বছৰত অঞ্চলটোত উন্নয়ন, উদ্যোগ স্থাপন, জৈৱিক কৃষি, ষ্টাৰ্ট আপ আদি আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ কথাই প্ৰাধান্য লাভ কৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ পৰ্যটন, সংস্কৃতি, ঐতিহ্য তথা বাণিজ্যৰ বিষয়ে প্ৰসাৰ আৰু প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে বিগত বৰ্ষৰ দৰে এইবাৰো আয়োজিত কৰা অনুষ্ঠানত গৃহমন্ত্ৰীগৰাকীয়ে পুনৰ উল্লেখ কৰে যে ২০২৪ চনৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো উগ্ৰপন্থী সংগঠনৰ লগত কেন্দ্ৰীয় চৰকাৰে শান্তি চুক্তি সম্পন্ন কৰিব। যোৱা ছটা বছৰত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই বৃহৎ অঞ্চলটোত শান্তি প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে বহুকেইটা ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আঠোটাকৈ বিদ্ৰোহী সংগঠনৰ সৈতে শান্তি চুক্তি সম্পাদিত কৰি শতাধিক উগ্ৰপন্থীক দেশৰ মূলসুঁতিলৈ ওভতাই অনা হৈছে। বাকী কিছুমান সংগঠনৰ লগতো শান্তি প্ৰক্ৰিয়া চলাই থকা হৈছে আৰু ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সহযোগত ২০২৪ চনৰ ভিতৰত এই সমস্যাৰ সমাধান ঘটিব। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বৰ পিছত উত্তৰ-পূৰ্বাঞ্চললৈকে আমূল পৰিৱৰ্তন ঘটিছে। পূৰ্বতকৈ এতিয়া ড’নাৰ মন্ত্ৰালয়ৰ পুঁজিৰ পৰিমাণ ২৫০ গুণলৈ বৃদ্ধি পাইছে। ২০১৪-১৫ বৰ্ষৰ তুলনাত ২০১৯-২০ বৰ্ষত ড’নাৰ মন্ত্ৰালয়ৰ পৰা ৬৫ শতাংশ বৃদ্ধিৰ পুঁজি লাভ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ যিকোনো এটা বিন্দুৰে সমগ্ৰ দেশৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিব বুলি গৃহমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানটো তেওঁৰ গৃহ সমষ্টি গান্ধীনগৰত আয়োজন কৰাৰ বাবে ড’নাৰ মন্ত্ৰী জিতেন্দ্ৰ সিংক অনুৰোধ জনায়। উল্লেখ্য যে ‘লক্ষ্য উত্তৰ-পূৰ্বাঞ্চল ২০২০’ ড’নাৰ মন্ত্ৰালয়ে আয়োজন কৰা এই বাৰ্ষিক অনুষ্ঠানটোত ড’নাৰ মন্ত্ৰী জিতেন্দ্ৰ সিঙে কৰ’নাৰ পিছত উত্তৰ-পূৰ্বাঞ্চলত এক সোণালী যুগ আৰম্ভ হ’ব বুলি মন্তব্য কৰে। এই অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড ছাংমা, অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন্দ্ৰ সিং, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ দেৱ, মিজোৰামৰ মুখ্যমন্ত্ৰী জোৰাম থাংগা, নগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিঅ’ ৰিঅ’ আৰু ছিক্কিমৰ মুখ্যমন্ত্ৰী প্ৰেমসিং টামাং ভাৰ্চুৱেল মাধ্যমেৰে উপস্থিত থাকে। ❐❐



# সত্ৰ আৰু নামঘৰসমূহৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে চৰকাৰে আৰ্থিক অনুদান প্ৰদান কৰি আছে ঃ মুখ্যমন্ত্ৰী



# বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱশৰ্মাক ২০১৭ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৬ ছেপ্টেম্বৰত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ দ্বাৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া, বিশিষ্ট বৈষ্ণৱ পণ্ডিত, সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক বশিষ্ঠ দেৱশৰ্মাক ২০১৭ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰে। এই বঁটাত আছে এখন প্ৰশস্তি পত্ৰ, এটা সোণৰ পদক, এখন শৰাই, অংগবস্ত্ৰ আৰু ৫ লাখ টকাৰ চেক। বঁটা প্ৰদান উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক অসমীয়া জাতিৰ নিৰ্মাতা বুলি অভিহিত কৰি গুৰুজনাই সকলো জাতি-জনগোষ্ঠীক একলগ কৰি এখন আধুনিক তথা বিজ্ঞানসন্মত বৃহত্তৰ অসমীয়া সমাজৰ বুনিয়াদ গঢ়ি তুলিছিল বুলিও কয়। গুৰুজনাৰ দ্বাৰা স্থাপন কৰা সত্ৰ আৰু নামঘৰসমূহে আমাৰ জাতিৰ পৰিচয় বিশ্বৰ বুকুত শক্তিশালীভাৱে তুলি ধৰিছে বুলি উল্লেখ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰে এই সত্ৰ আৰু নামঘৰসমূহৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে আৰ্থিক অনুদান প্ৰদানৰ লেখীয়া পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক, গুৰুজনাৰ আধ্যাত্মিকতাৰ বাণীৰ প্ৰচাৰ আৰু প্ৰসাৰেৰে সমাজত এক বিশেষ স্থান দখল কৰা বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া বশিষ্ঠ দেৱশৰ্মাক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰিবলৈ পাই ৰাজ্য চৰকাৰ অতিশয় আনন্দিত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বশিষ্ঠ দেৱশৰ্মাই ভক্তিত যে শক্তি আছে সেই কথা সমাজক শক্তিশালী ৰূপত প্ৰদৰ্শন কৰাত সফল হৈছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে লগতে বুঢ়াসত্ৰীয়াগৰাকীৰ ভাতৃ প্ৰভাত শৰ্মা, ভতিজী তৰালী শৰ্মাই অসমৰ সংগীতক এক বিশেষ মাত্ৰা প্ৰদান কৰি বিশ্ব তথা ৰাষ্ট্ৰৰ বুকুত অনন্য ৰূপত দাঙি ধৰাত সফল হৈছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত গুৰুজনাৰ আদৰ্শৰে প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ক বিশ্ব পৰ্যায়ৰ

এক শৈক্ষিক প্ৰতিষ্ঠানলৈ উন্নীতকৰাৰ বাবে অসম চৰকাৰে দায়বদ্ধতাৰে পদক্ষেপ ল'ব বুলিও এই অনুষ্ঠানতে কয়। একবিংশ শতিকাক বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগ বুলি উল্লেখ কৰি এই শতিকাত বহুতো বাধা-বিপত্তি তথা প্ৰত্যাহ্বান আছে বুলি উল্লেখ কৰাৰ লগতে এই বাধা- বিপত্তিসমূহ গুৰুজনাৰ মানৱতাৰ আদৰ্শৰে নেওচি এখন সুন্দৰ সমাজ গঢ়ি তোলাৰ বাবে সকলোৱে দায়বদ্ধতাৰে অৰিহণা যোগাব লাগিব বুলিও কয়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি স্বাস্থ্য, বিত্ত, লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমীয়া জাতিক অতি ভাগ্যৱান বুলি উল্লেখ কৰে। এই অসমৰ বুকুতে শ্ৰীমন্ত শংকৰদেৱৰ দৰে মহাপুৰুষে জন্মগ্ৰহণ কৰি বৃহত্তৰ অসমীয়া জাতিৰ কৃষ্টি, সংস্কৃতি তথা আধ্যাত্মিক জীৱন চহকী কৰি গৈছে বুলি তেওঁ কয়। শ্ৰীমন্ত শংকৰদেৱ অবিহনে বৃহত্তৰ অসমীয়া জাতিয়ে বিশ্বৰ বুকুত সগৌৰৱেৰে মূৰ তুলি বৰ্তি থাকিব নোৱাৰে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। সেয়েহে গুৰুজনাৰ দ্বাৰা স্থাপন কৰা সত্ৰ, নামঘৰৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ লৈ আছে বুলিও তেওঁ কয়। এই প্ৰসংগত মন্ত্ৰীগৰাকীয়ে বৰদোৱা থানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে ১.৫ কোটি প্ৰদান কৰা তথা ৮ হাজাৰ খন সত্ৰ, নামঘৰলৈ আৰ্থিক অনুদানৰ পদক্ষেপ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা লৈ থকাৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই সন্মানীয় বঁটাপ্ৰাপক বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া বশিষ্ঠ দেৱশৰ্মাই নিজৰ অনুভৱ ব্যক্ত কৰি ৰাজ্য চৰকাৰে তেওঁলৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ গুৰুজনাৰ নামত প্ৰদান কৰা এই বঁটা লাভ কৰি অতিশয় আনন্দিত হৈছে বুলি উল্লেখ কৰে। সৰুৰে পৰা সত্ৰীয়া সংস্কৃতিৰ পৰশেৰে জীৱনক ধন্য কৰাৰ সুযোগ লাভ কৰাৰ কথা উল্লেখ কৰি বঁটাপ্ৰাপকগৰাকীয়ে গুৰুজনাৰ কৃপাতে বৰ্তমানেও গুৰুজনাৰ বাণী আৰু কৃষ্টি-সংস্কৃতি ৰাজ্যৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত দায়বদ্ধতাৰে কৰ্মত ব্ৰতী হৈ আছে বুলিও কয়। এই বঁটাপ্ৰাপ্তিয়ে এই দিশত তেওঁৰ দায়বদ্ধতা আৰু অধিক বৃদ্ধি কৰিলে



বুলিও তেওঁ কয়। সত্ৰ আৰু নামঘৰক অসমীয়া কৃষ্টি-সংস্কৃতিৰ বুনিয়াদ বুলি উল্লেখ কৰি বঁটাপ্ৰাপকগৰাকীয়ে ৰাজ্যখনৰ বিভিন্ন ঠাইত থকা সত্ৰ আৰু নামঘৰসমূহৰ উপযুক্ত সংৰক্ষণ আৰু সুৰক্ষাৰ জৰিয়তেহে জাতিটোৱে ভৱিষ্যতেও শক্তিশালী ৰূপত বিশ্বৰ বুকুত থিয় হৈ থাকিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। ৰাজ্য চৰকাৰৰ মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণই আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰে শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, হাউছফেডৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক বিষ্ণু কমল বৰা, উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।



## জননেতা শৰৎ চন্দ্ৰ সিংহৰ প্ৰতিমূৰ্তি উন্মোচন



# দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে নিৰন্তৰ অভিযান চলাই গৈছে ঃ মুখ্যমন্ত্ৰী



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৮ ছেপ্টেম্বৰত ধুবুৰী জিলাৰ চাপৰস্থিত ৰত্নপীঠ মহাবিদ্যালয়ত জননেতা, ভূতপূৰ্ব মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ এক প্ৰতিমূৰ্তি উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে ভূতপূৰ্ব মুখ্যমন্ত্ৰীগৰাকীৰ স্মৃতিত নিৰ্মিত স্মাৰক উদ্যান, প্ৰেক্ষাগৃহ আৰু জননেতাগৰাকীৰ পুনৰ্নিৰ্মিত বাসগৃহ 'কপোত নীড়'ৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে স্মাৰক উদ্যান, প্ৰেক্ষাগৃহ আৰু বাসগৃহ পুনৰ্নিৰ্মাণত মুখ্যমন্ত্ৰীৰ আছুতীয়া পুঁজিৰ পৰা ২০১৬-১৭ বৰ্ষৰ অধীনত মুঠ ১ কোটি টকা ব্যয় কৰা হৈছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ আছিল সততা, নিষ্ঠা আৰু অনাড়ম্বৰ জীৱন যাপনৰ এক উজ্জ্বল নিদৰ্শন। নতুন প্ৰজন্মই মহান নেতাগৰাকীৰ জীৱন আৰু কৰ্মৰাজি অধ্যয়ন কৰি নিজকে একো একোগৰাকী সুনাগৰিক হিচাপে গঢ়ি তোলাৰ বাবে চেষ্টাত ব্ৰতী হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অতি অনাড়ম্বৰভাৱে জীৱন যাপন কৰি কেনেদৰে সততা আৰু নিষ্ঠাৰে সমাজৰ প্ৰতি নিজৰ দায়িত্ব পালন কৰিব পাৰি সেই পথ জননেতাগৰাকীয়ে দেখুৱাই থৈ গৈছে। এনে এগৰাকী মহান নেতাৰ জন্ম দিয়া চাপৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ মাজেৰে জীৱনত কৃতকাৰ্য হ'বলৈ প্ৰয়াস চলাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মূল্যবোধৰ ৰাজনীতি আৰু সমাজ




জীৱনত সততাৰে পৰিচালিত হোৱাত গুৰুত্ব প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে সামাজিক ক্ষেত্ৰত জড়িত সকলোকে শৰৎ চন্দ্ৰ সিংহৰ জীৱনৰ আদৰ্শক অনুসৰণ কৰিবলৈও আহ্বান জনায়। দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে চলাই অহা অভিযানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সকলো বিদ্যাৰ্থীয়ে যাতে তেওঁলোকৰ যোগ্যতা আৰু মেধাৰ বলত চাকৰি লাভ কৰিবলৈ সক্ষম হয়, সেই দিশত আত্মনিয়োগ কৰিব লাগিব বুলিও কয়। তেওঁ কয় যে দুৰ্নীতিমুক্ত শাসনযন্ত্ৰ এটা গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ সন্তানেও যাতে শিক্ষা আহৰণ কৰিব পাৰে তাৰ বাবে বিনামূলীয়া নামভৰ্তি, বিনামূলীয়া পাঠ্যপুথি, বিনামূলীয়া ইউনিফৰ্মকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ এই আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিকভাৱে আগুৱাই যাবলৈ আহ্বান জনাই যাতে ৰাজ্যখনৰ দ্ৰুত উন্নয়নৰ ক্ষেত্ৰত অৰিহণা যোগাবলৈ তেওঁলোক সক্ষম হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিৰ আধাৰত ধুবুৰীৰ পৰা শদিয়ালৈ সম-উন্নয়নৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই চৰকাৰৰ দিনতে ধুবুৰী চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম আৰম্ভ হৈছে। ৰূপসী বিমান বন্দৰ শীঘ্ৰে বিমান চলাচলৰ বাবে মুকলি কৰা হ'ব বুলি উল্লেখ কৰি কয় যে দেশৰ ভিতৰতে দীৰ্ঘতম দলং ১৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ ধুবুৰী-ফুলবাৰী সংলগ্ন দলং নিৰ্মাণৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে যোগীঘোপা ৰে'ল লাইন নিৰ্মাণ কৰা হৈছে। এনেধৰণে জিলাখনৰ উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ হাতত লোৱা হৈছে বুলি তেওঁ কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰে কোনো এখন জিলাকে অৱহেলা নকৰি ৰাজ্যখনৰ প্ৰতিটো প্ৰান্তৰে সম-বিকাশৰ বাবে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। তেওঁ কয় যে গুৱাহাটী বিমান বন্দৰৰ পৰা কাৰ্গো বিমান সেৱা মুকলি কৰি ৰাজ্যখনৰ কৃষকে নিজৰ উৎপাদিত সামগ্ৰী আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ ৰপ্তানি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে অশোক কুমাৰ সিংহী, অশ্বিনী ৰায় সৰকাৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা, প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ পৰিয়ালৰ সদস্য অৰুণ কুমাৰ সিংহ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। ❑❑

# ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ডৰ পুনৰ গঠন কৰিলে মুখ্যমন্ত্ৰীয়ে

## আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তক অধ্যক্ষৰ দায়িত্ব অৰ্পণ

সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে আৰক্ষী বিভাগৰ উপ-পৰিদৰ্শকৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ স্বাৰ্থত যোৱা ২৮ ছেপ্টেম্বৰত ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ডৰ পুনৰ গঠন কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। অৱসৰপ্ৰাপ্ত আই পি এছ বিষয়া প্ৰদীপ কুমাৰৰ পদত্যাগৰ পিছত মুখ্যমন্ত্ৰী সোণোৱালে এই ব'ৰ্ডৰ অধ্যক্ষৰ দায়িত্ব আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তক অৰ্পণ কৰিছে। অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান হাৰমিৎ সিঙক সদস্য সচিব, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান এল আৰ বিষ্ণই আৰু আৰক্ষী মহাপৰিদৰ্শক হীৰেন নাথক এই ব'ৰ্ডৰ সদস্যৰ দায়িত্ব অৰ্পণ কৰা হৈছে। অহা ২০ নৱেম্বৰৰ ভিতৰত আৰক্ষী উপ-পৰিদৰ্শকৰ নিযুক্তিৰ পৰীক্ষা সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নতুনকৈ গঠন কৰা ব'ৰ্ডক নিৰ্দেশ দিছে। সম্পূৰ্ণ স্বচ্ছ আৰু নিকা পদ্ধতিৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ লগতে এই পৰীক্ষাত কোনো যাতে বিসংগতি নহয় সেয়া নিশ্চিত কৰিবলৈও ব'ৰ্ডক মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্দেশ দিছে। ❑❑




# শিলচৰ মেডিকেল কলেজত ৪০ বিছনাযুক্ত আই চি ইউ-ক'ভিড ৱাৰ্ড উদ্বোধন স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাৰ

২৬ ছেপ্টেম্বৰত শিলচৰ অসম মেডিকেল কলেজ হাস্পতালত নৱনিৰ্মিত আই চি ইউ ৱাৰ্ড আৰু ক'ভিড কেয়াৰ ৱাৰ্ড উদ্বোধন কৰি স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, শিলচৰ মেডিকেল কলেজ হাস্পতালৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ১৪০ কোটি ব্যয় কৰা হ'ব। শিলচৰ মেডিকেলক ৫০০ বিছনাযুক্ত জৰুৰী হাস্পতাললৈ উন্নীত কৰা হ'ব। ইয়াৰ বাবে হাস্পতালখনৰ পুৰণি ভৱনসমূহ নতুনকৈ নিৰ্মাণ কৰা হ'ব আৰু এখন ছুপাৰ স্পেচিয়েলিটী হাস্পতাললৈ ৰূপান্তৰিত কৰা হ'ব। এই নতুন আন্তঃগাঁথনিৰ বাবে ৯৬.০৫ কোটি টকা ব্যয় কৰা হ'ব। সেইদৰে মহাবিদ্যালয়খনত এম বি বি এছ আসনৰ সংখ্যা ১০০-১৫০লৈ উন্নীত কৰাৰ বাবে ৪৫.৮৬ কোটি টকা ধাৰ্য কৰা হৈছে। লগতে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয়, অত্যাধুনিক আন্তঃগাঁথনিৰে এছ এম চিত যুক্ত হ'ব দ্বিতীয় স্তৰৰ কেন্সাৰ হাস্পতাল। ইয়াৰ বাবে আনুমাণিক ১৩৩ কোটি টকা ব্যয় কৰা হ'ব। প্ৰধানমন্ত্ৰী কেয়াৰ ফাণ্ডৰ ধনৰে অতি কম দিনত ৪০ খন বিছনাৰ আই চি ইউ নিৰ্মাণ কৰা হৈছে আৰু এই সংখ্যা ৬০খনলৈ সোনকালেই বৃদ্ধি কৰা হ'ব। স্বাস্থ্যমন্ত্ৰীয়ে আৰু কয় অহা দুবছৰৰ ভিতৰত ৰাজ্যখনৰ ১৫ খন জিলাত কেন্সাৰ হাস্পতাল নিৰ্মাণ কৰা হ'ব। নতুন কেন্সাৰ হাস্পতালসমূহ টাটা ট্ৰাষ্ট, অসম চৰকাৰ আৰু অসম কেয়াৰ ফাউণ্ডেচনে পৰিচালনা কৰিব বুলি তেওঁ জনায়। মন্ত্ৰীগৰাকীয়ে লগতে কয় ১০০ বছৰ পুৰণি শিলচৰ চিভিল হাস্পতালৰ পুৰণি ভৱনসমূহ নতুনকৈ নিৰ্মাণ কৰি ৩০০ বিছনাযুক্ত হাস্পতাললৈ উন্নীত কৰা হ'ব আৰু এই হাস্পতালত এছ এম চিৰ এখন এনেক্সড হাস্পতাল হিচাপে গঢ়ি তোলা হ'ব য'ত এছ এম চিৰ স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীয়ে সেৱা আগবঢ়াব লাগিব। কৰ'নাৰ কথা উল্লেখ কৰি স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, বৰাক উপত্যকাত কৰ'নাৰ সংক্ৰমণ কিছু শাম কাটিছে। বৰ্তমান সময়ত কৰিমগঞ্জত ২ শতাংশ, হাইলাকান্দিত ২ শতাংশ আৰু কাছাৰত ৮ শতাংশ লোক কৰ'নাত আক্ৰান্ত হৈছে। কাছাৰৰ পৰিস্থিতি কিছু গম্ভীৰ যদিও অহা কেইদিনমানৰ ভিতৰত পৰিস্থিতি উন্নীত হ'ব। কৰ'নাৰ লক্ষণসমূহ দেখা গ'লে প্ৰাথমিক চিকিৎসাৰ বাবে সকলোকে ৰিপ'ৰ্ট কৰিবলৈ আহ্বান জনাই মন্ত্ৰীগৰাকীয়ে লগতে কাছাৰ জিলাৰ ৰাইজক ৰেপিড এণ্টিজেন পৰীক্ষা কৰাৰ বাবেও আহ্বান জনায়। লগতে উল্লেখ কৰে যে অহা নৱেম্বৰ-ডিচেম্বৰ মাহৰ ভিতৰত কাছাৰ জিলাত ঘোষণা কৰা স্বাস্থ্য বিভাগৰ কামসমূহ আৰম্ভ কৰি নিয়াৰিকৈ চলাই নিয়া হ'ব। গতিকে শীঘ্ৰে বৰাকবাসীয়ে উন্নত চিকিৎসাৰ বাবে শিলচৰক প্ৰাণকেন্দ্ৰ হিচাপে বাছি ল'ব পাৰিব আৰু এয়া অঞ্চলবাসীৰ কাৰণে এক সুখবৰ হ'ব। এই অনুষ্ঠানত শিলচৰৰ সাংসদ ডাঃ ৰাজদীপ ৰয়, বিধায়ক দিলীপ কুমাৰ পাল আদিকে ধৰি জিলাখনৰ সকলো বিধায়ক আৰু স্বাস্থ্য বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ❑❑

## ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান, অসম চৌহদ ভিডিঅ' কনফাৰেন্সযোগে আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰিলে কেন্দ্ৰীয় কৃষিমন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰে



# ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ দিশত কৃষিয়ে বিশেষ ভূমিকা পালন কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় কৃষিমন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰে যোৱা ২৫ ছেপ্টেম্বৰত ভিডিঅ' কনফাৰেন্সযোগে ধেমাজি জিলাৰ গোগামুখত স্থাপিত ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান, অসম চৌহদৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসভৱনৰ পৰা ভিডিঅ' কনফাৰেন্সযোগে এই উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই দিনটোক অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক বিশেষ দিন বুলি অভিহিত কৰে। 'একাত্ম মানৱতাবাদ' তথা 'অন্ত্যোদয়া'ৰ ধাৰণাৰে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ উত্তৰণৰ স্বপ্নদ্ৰষ্টা পণ্ডিত দীনদয়াল উপাধ্যায়ৰ পৱিত্ৰ জন্মদিনত কৃষক, শ্ৰমিকসকলৰ উত্তৰণৰ বাবে আজি উদ্বোধন কৰা এই প্ৰতিষ্ঠানখনে ৰাজ্যখনৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি অৰ্থনীতিৰ বুনিয়াদ শক্তিশালী কৰাৰ দিশত বৃহৎ ভূমিকা পালন কৰিব বুলিও মুখ্যমন্ত্ৰী সোণোৱালে কয়। মুখ্যমন্ত্ৰীয়ে অসমৰ জনসাধাৰণলৈ এই উপহাৰ প্ৰদান কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰতিষ্ঠানখনে এই বৃহত্তৰ অঞ্চলটোৰ কৃষি, পশুধন, মীন, উদ্যান শস্য আৰু বনাঞ্চলে বহন কৰা সম্ভাৱনীয়তাখিনি কামত খটুৱাই উত্তৰণৰ পথ প্ৰশস্ত কৰাৰ দিশত বিশেষ ভূমিকা পালন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাত্ৰ তিনি বছৰ আগতে আধাৰশিলা স্থাপন কৰা এই অনুষ্ঠানে পূৰ্ণাংগ ৰূপ লৈ ৰাইজৰ সেৱাত উৎসৰ্গা কৰাৰ পদক্ষেপৰো শলাগ লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধেমাজি জিলাৰ গোগামুখত এই প্ৰতিষ্ঠানখন স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ পিছতে ৰাজ্য চৰকাৰে ইয়াৰ বাবে ৫৮৫ একৰ ভূমি তৎকালে প্ৰদানেৰে 'লেব টু লেণ্ড' আৰু 'ছিডছ টু মাৰ্কেট' সপোনক বাস্তৱায়িত কৰাৰ দিশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে বুলিও

মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিষ্ঠানখনৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৫৯ টা বিজ্ঞানীৰ পদ অতি সোনকালে মঞ্জুৰি প্ৰদান কৰা আৰু প্ৰতিষ্ঠানখনত ছাত্ৰ-ছাত্ৰীৰ বাবে শ্ৰেণী আৰম্ভ কৰাৰ বাবে লোৱা পদক্ষেপৰো শলাগ লয়। কৃষিৰ বিকাশৰ বাবে গৱেষণা আৰু শৈক্ষিক দিশটো সমানে আগুৱাই নিয়াটো একান্ত জৰুৰী বুলি উল্লেখ কৰি এই দিশটোত ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান, অসম চৌহদে বিশেষ গুৰুত্ব আৰোপ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ দিশত কৃষিয়ে বিশেষ ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত সংসদৰ প্ৰথম অধিৱেশনত প্ৰদান কৰা ভাষণত উত্তৰ-পূৰ্বাঞ্চলক জৈৱিক হাব হিচাপে ৰূপান্তৰ কৰাৰ লক্ষ্যৰ কথা কৈছিল বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিষ্ঠানখনে উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱিক কৃষি পদ্ধতিক আগুৱাই নিয়াৰ দিশত বিশেষ ভূমিকা পালন কৰিব বুলিও আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিষ্ঠানখনৰ বিজ্ঞানসন্মত কৃষি গৱেষণাই সমগ্ৰ অঞ্চলটোৰ কৃষি উৎপাদন বৃদ্ধিৰ দিশত বিশেষ অৰিহণা আগবঢ়াব বুলিও আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে এই অঞ্চলত থকা উদ্যান শস্য, পুষ্প কৃষি ইত্যাদিৰ সম্ভাৱনীয়তাসমূহে কৃষি অৰ্থনীতি শক্তিশালী কৰাৰ দিশত বিশেষ সম্ভাৱনীয়তা বহন কৰিছে বুলি উল্লেখ কৰি প্ৰতিষ্ঠানটোৱে এই ক্ষেত্ৰসমূহৰ লগত জড়িত কৃষকসকলক বিশেষ উদ্ভাৱনী কৌশলেৰে সহায়ৰ হাত আগবঢ়াব বুলিও আশা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে দেশৰ কৃষিখণ্ডৰ বৈপ্লৱিক সংস্কাৰৰ বাবে সংসদত কিছুদিনৰ আগতে অনুমোদন জনোৱা দুখন বিধেয়কে দেশৰ কৃষকসকলৰ সৱলীকৰণৰ দিশত বিশেষ ভূমিকা পালন কৰিব বুলিও কয়। দেশৰ কৃষকসকলৰ আয় ২০২২ চনৰ ভিতৰত দুগুণলৈ বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোৱা লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে ৩০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ দৰে অভিলাষী আঁচনি গ্ৰহণ কৰিছে বুলিও কয়। ৰাজ্যখনৰ বহুসংখ্যক কৃষকে ইমান দিনে ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে



চলিত বিত্তীয় বৰ্ষতে ৰাজ্যখনৰ ১ লাখ কৃষক পৰিয়াললৈ মাটিৰ পট্টা প্ৰদানৰ পদক্ষেপ লৈছে বুলি কয়। বৰ্তমানে ৪৬ হাজাৰ পৰিয়াললৈ এই ভূমি পট্টা ৰাজ্য চৰকাৰে প্ৰদান কৰিছে বুলিও তেওঁ কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে লোৱা পদক্ষেপৰ ফলত ৰাজ্যখনৰ খাদ্য শস্য, ফলমূল, শাক-পাচলি, মাছ ইত্যাদিৰ উৎপাদন বহুলাংশে বৃদ্ধি হৈছে বুলি উল্লেখ কৰি অসমৰ কৃষকৰ দ্বাৰা উৎপাদিত ফলমূল আৰু শাক-পাচলি বৰ্তমানে ডুবাই, লণ্ডন, আবুধাবী তথা অন্যান্য ঠাইসমূহৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ কয়। কৃষিৰ লগত পশুধনৰ এক অবিচ্ছেদ্য সম্পৰ্ক আছে বুলি উল্লেখ কৰি ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান, অসম চৌহদে ৰাজ্যখনক পশুধনৰ উৎপাদনৰ দিশত এক ৰাহি ৰাজ্য হিচাপে গঢ়ি তোলাৰ দিশত পদক্ষেপ লোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান, অসম চৌহদত গৱেষণাৰ পৰা পথাৰলৈ সংযোগীকৰণৰ এক উপযুক্ত পদক্ষেপ ল'বলৈও আহ্বান জনায় যাতে বিজ্ঞানসন্মত পদ্ধতি প্ৰয়োগেৰে কৃষি উৎপাদনৰ দিশত বৃহৎ সফলতা লাভ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানক কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডত জড়িতসকলৰ সপোন বাস্তৱায়িত কৰাৰ বাবে এক শক্তিশালী মঞ্চ হিচাপে অৱতীৰ্ণ হোৱাৰ বাবেও আহ্বান জনায়।

এই উদ্বোধনী অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু ধেমাজি সমষ্টিৰ বিধায়ক ডাঃ ৰণোজ পেগুৱে ভিডিঅ' কনফাৰেন্সযোগে অংশগ্ৰহণ কৰে। ভিডিঅ' কনফাৰেন্সযোগে কেন্দ্ৰীয় কৃষিমন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰে প্ৰতিষ্ঠানখনৰ শুভ উদ্বোধন কৰাৰ সময়ত কেন্দ্ৰীয় কৃষি দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী কৈলাস চৌধুৰী, নতুন দিল্লীস্থিত আই চি এ আৰৰ সঞ্চালক প্ৰধান তথা কেন্দ্ৰীয় কৃষি গৱেষণা আৰু শিক্ষা দপ্তৰৰ সচিব ড° ত্ৰিলোচন মহাপাত্ৰ তথা অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। আনহাতে, মুখ্যমন্ত্ৰীয়ে চৰকাৰী বাসভৱনৰ পৰা ভিডিঅ' কনফাৰেন্সযোগে এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সময়ত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, দুলীয়াজান-নুমলীগড় পাইপলাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী, সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱাল উপস্থিত থাকে। ❑❑

## ট্যুৰিজিম কনক্লেভ-২০২০ ত অংশগ্ৰহণ মুখ্যমন্ত্ৰী সোণোৱালৰ




### ক'ভিড-১৯ সৃষ্ট বৰ্তমানৰ জটিল সময়ত পৰ্যটন খণ্ডক পুনৰুজ্জীৱিতকৰণৰ বাবে 'পৰ্যটন সঞ্জীৱনী' নামৰ এখন আঁচনি ঘোষণা

# বিশ্বৰ বিভিন্ন দেশৰ অৰ্থনৈতিক বুনিয়াদ নিৰ্মাণত পৰ্যটন উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে

ৰাজ্যৰ পৰ্যটন খণ্ডৰ পুনৰুজ্জীৱিতকৰণৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৫ ছেপ্টেম্বৰত 'পৰ্যটন সঞ্জীৱনী' নামৰ এখন আঁচনিৰ কথা ঘোষণা কৰে। এই আঁচনিৰ জৰিয়তে পৰ্যটন খণ্ডৰ সৈতে জড়িত থকা অংশীদাৰসকলক বিভিন্ন বেংকৰ জৰিয়তে ১ লাখৰ পৰা ২০ লাখ টকা ঋণ প্ৰদান কৰা হ'ব। এই ঋণৰ বাবদ এবছৰ মৰেটোৰিয়াম থাকিব। আনহাতে প্ৰথম বছৰৰ বাবে ঋণৰ সুদ চৰকাৰে প্ৰদান কৰিব। পাঁচ বছৰৰ বাবে এই ঋণ প্ৰদান কৰা হ'ব। আনহাতে 'পৰ্যটন সাৰথি' নামৰ আন এক কাৰ্যসূচীও মুখ্যমন্ত্ৰীয়ে সেইদিনা শুভাৰম্ভ কৰে। ইণ্টাৰনেটৰ মাধ্যমেৰে পৰ্যটন বিভাগৰ সৈতে যোগাযোগ কৰিব পৰা 'ইলেকট্ৰনিক গেজেট'ৰ দ্বাৰা ইয়াৰ অংশীদাৰসকলক উপকৃত কৰিব পৰাকৈ এই কাৰ্যসূচী প্ৰস্তুত কৰা হৈছে। অসম চৰকাৰৰ পৰ্যটন বিভাগৰ উদ্যোগত আৰু অসম পৰ্যটন উন্নয়ন নিগমৰ সহযোগত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত 'টুৰিজিম কনক্লেভ-২০২০'ত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে 'পৰ্যটন সঞ্জীৱনী' নামৰ আঁচনিখনৰ কথা ঘোষণা কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে বিশ্বৰ বিভিন্ন দেশৰ অৰ্থনৈতিক বুনিয়াদ নিৰ্মাণত পৰ্যটন উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আমাৰ ৰাজ্যখনতো পৰ্যটনক এক উদ্যোগ হিচাপে গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনীয়তা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে 'এক্ট ইষ্ট পলিচী' ঘোষণা কৰাৰ পিছত অন্যান্য খণ্ডৰ লগতে পৰ্যটন খণ্ডক বিকশাই তোলাৰ বাবে সুযোগ আৰু সম্ভাৱনাৰ দুৱাৰ মুকলি হৈছে। তেনে দৃষ্টিভংগীৰে এই খণ্ডৰ লগত জড়িত থকা সকলোৱে নিজস্ব চিন্তাধাৰাৰে গতিশীল পদক্ষেপ গ্ৰহণৰ বাবে আগবাঢ়ি আহিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ক'ভিড-১৯ ৰ বাবে সমগ্ৰ বিশ্ববাসীয়ে ভয়াৱহ পৰিস্থিতিৰ

মাজেৰে অতিক্ৰম কৰিবলগীয়া হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ বিৰুদ্ধে বলিষ্ঠ প্ৰত্যুত্তৰ দিয়াৰ বাবে জ্ঞান গভীৰতা, বুদ্ধিমত্তা আৰু অভিজ্ঞতাৰে কৰ্মপথাৰত মনোনিবেশ কৰিব লাগিব। সংকটপূৰ্ণ পৰিস্থিতিৰ মাজেৰে নিজকে বিকশাই তোলাৰ বাবে পৰ্যটন খণ্ডৰ লগত জড়িত সকলোৰে কৰ্ম উদ্যমিতাৰে আগুৱাই আহিব লাগিব। এই খণ্ডৰ লগত জড়িত থকা বহুসংখ্যক লোক কৰ্মহীন হৈ পৰিছে। এই অনিশ্চয়তা দূৰ কৰাৰ দায়িত্ব আমি সকলোৱে ল'ব লাগিব। ইয়াৰ বাবে আমাৰ ব্যক্তিত্বত থকা শক্তিক প্ৰয়োগ কৰিব লাগিব। আজিৰ এই সংকটৰ সময়তো পৰ্যটন উদ্যোগটোক আগুৱাই নিয়াৰ বাবে সকলোৱে মিলিত প্ৰচেষ্টা চলাব লাগিব। ইয়াৰ বাবে ৰোড মেপ প্ৰস্তুত কৰাৰ দায়িত্ব চৰকাৰৰ লগতে পৰ্যটন খণ্ডৰ লগত জড়িত অংশীদাৰসকলে মিলিতভাৱে ল'ব লাগিব। অন্যান্য ৰাজ্যসমূহে সংকটৰ সময়ছোৱাত কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে সেই কথা তুলনামূলকভাৱে অধ্যয়নৰ প্ৰয়োজনীয়তাও আহি পৰিছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে সমগ্ৰ বছৰে পৰ্যটন খণ্ডটোক সজীৱ কৰি ৰখা, বাঁহ ভিত্তিক পৰ্যটন বিকশাই তোলা, গৱেষকসকলক আকৰ্ষিত কৰিব পৰাকৈ পৰ্যটনক বিকশাই তোলা, গুৰুজনাৰ অমৰ সৃষ্টিৰাজিৰ মাজত থকা সম্ভাৱনীয়তাৰ প্ৰতি আকৰ্ষিত কৰাৰ লেখীয়া দিশসমূহো পৰ্যটনখণ্ডৰ মাজত সামৰি ল'ব লাগিব বুলিও কয়।

পৰ্যটন বিভাগৰ সচিব ৰাজভী হুছেইনে আদৰণী ভাষণ দিয়া এই অনুষ্ঠানত পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্ম, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্তমল্ল বৰুৱা, অসম পৰ্যটন উন্নয়ন নিগমৰ উপাধ্যক্ষ নৱদ্বীপ কলিতা আৰু পৰ্যটন বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুৱে ভাষণ প্ৰদান কৰে। আনহাতে, এই খণ্ডৰ লগত জড়িত থকা কেইবাটাও বেচৰকাৰী সংস্থাৰ প্ৰতিনিধিয়ে বৰ্তমান সময়ত তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে এই কনক্লেভৰ লগত সংগতি ৰাখি 'অউছম আছাম' শীৰ্ষক বিভিন্ন প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলকো পুৰস্কাৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে দৃশ্য-শ্ৰাব্য আৰু বিৱৰণী এখনো উন্মোচন কৰে। অনুষ্ঠানত বন, প্ৰত্নতত্ত্ব ইত্যাদি বিভিন্ন চৰকাৰী বিভাগৰ লগতে পৰ্যটনৰ লগত জড়িত বিভিন্ন অংশীদাৰীসকলে অংশগ্ৰহণ কৰে। আনহাতে, ইয়াৰ পিছতে উপস্থিত সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে তিনিচুকীয়া জিলাৰ বাঘজানৰ মাগুৰি-মতাপুং বিলক অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত অসম চৰকাৰে এক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। মাগুৰি-মতাপুং বিললৈ পৰিভ্ৰমী চৰাইৰ আগমনৰ পৰিপ্ৰেক্ষিতত ইয়াৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত পদক্ষেপ গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি, বাৰেকুৰি-বাঘজান-ৰঙাগড়া এই সমগ্ৰ অঞ্চলটোক পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে অইল ইণ্ডিয়া লিমিটেডৰ লগত যৌথভাৱে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যখনৰ ২০ খনকৈ শিক্ষানুষ্ঠানত পৰ্যটনৰ শিক্ষাদান চলি আছে বুলি উল্লেখ কৰি ইয়াৰ পৰা উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলে ৰাজ্যখনত পৰ্যটনৰ বিকাশৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ◻◻



# অনুপম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ঐতিহাসিক চানডুবি বিল

## চানডুবিত বিশ্ব পৰ্যটন দিৱসত শিশু উদ্যান মুকলি পৰ্যটনমন্ত্ৰীৰ

২৭ ছেপ্টেম্বৰত বিশ্ব পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি অসম চৰকাৰৰ পৰ্যটন বিভাগ আৰু পৰ্যটন নিগমে চানডুবিত কেন্দ্ৰীয়ভাৱে পৰ্যটন দিৱসৰ আয়োজন কৰে। এই অনুষ্ঠানত উপস্থিত থাকি পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্মই কয় যে চানডুবি এনেকুৱা এখন ঠাই য'ত মানসিক প্ৰশান্তি লাভ কৰিব পাৰি। পাহাৰ, বিল তথা অনুপম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ঐতিহাসিক চানডুবি বিল বুলি মন্ত্ৰীগৰাকীয়ে মত পোষণ কৰে। অসম চৰকাৰৰ পৰ্যটন বিভাগৰ উদ্যোগত কামৰূপ জিলাৰ ঐতিহাসিক চানডুবি পৰ্যটন ক্ষেত্ৰত বিশ্ব পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত এই অনুষ্ঠানত পৰ্যটনমন্ত্ৰী চন্দন ব্ৰহ্মই চানডুবি পৰ্যটন ক্ষেত্ৰত নৱনিৰ্মিত শিশু উদ্যান এখন উদ্বোধন কৰে। আনহাতে, মন্ত্ৰী ব্ৰহ্মই ভাষণত পৰ্যটন আৰু গ্ৰাম্য উন্নয়ন সন্দৰ্ভত ৰাজ্যখনত গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনা প্ৰচুৰ বুলি মত প্ৰকাশ কৰে। তদুপৰি এই অঞ্চলত জনগাঁথনি, জৈৱ বৈচিত্ৰ্যক উপজীৱ্য হিচাপে লৈ পৰ্যটনৰ বিকাশৰ হেতু চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰখা বুলি উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে। একেখন সভাত অসম পৰ্যটন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱাই বক্তব্যত কৰ'না মহামাৰীয়ে সকলো তচনচ কৰি পেলোৱাৰ সময়ত গ্ৰাম্য পৰ্যটনৰ জৰিয়তে অৰ্থনৈতিক বিকাশৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ উপৰিও চানডুবিত পৰ্যটনৰ দিশটো উন্নতি কৰা বাবে পদক্ষেপ গ্ৰহণ কৰা বুলি কয়। লগতে, আছাম ট্ৰিবিউন কাকতৰ কাৰ্যবাহী সম্পাদক প্ৰশান্তজ্যোতি বৰুৱাই মুখ্য বক্তা হিচাপে উপস্থিত থাকি চানডুবিৰ উৎপত্তি তথা অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু গ্ৰাম্য পৰ্যটন সন্দৰ্ভত সাৱলীল ব্যাখ্যা আগবঢ়ায়। উক্ত কাৰ্যসূচীতে নিগমৰ ফালৰ পৰা বিলখনৰ নাৱৰীয়াসকলৰ মাজত লাইফ জেকেট বিতৰণ কৰাৰ উপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পাঁচগৰাকী হ'ম ষ্টে হিতাধিকাৰীক বিশেষ বঁটা প্ৰদান কৰা হয়। লগতে চানডুবি পৰ্যটন সম্পৰ্কীয় এখন পুস্তিকা আৰু আন এখন আলোচনীৰ উন্মোচন কৰা হয়। ৰাভা লোক-সংস্কৃতি প্ৰদৰ্শনৰ উপৰি বিভিন্ন কাৰ্যসূচীৰে আয়োজন কৰা পৰ্যটন দিৱসৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নিগমৰ উপাধ্যক্ষ নৱদ্বীপ কলিতা, কামৰূপ জিলাৰ উপায়ুক্ত কৈলাস কাৰ্তিক, পৰিবহণ বিষয়া গৌতম দাস আৰু পৰ্যটন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ❑❑









# অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, জৈৱ বিচিত্ৰ্য সংৰক্ষণক সকলোৱে জাতীয় দায়িত্ব হিচাপে গণ্য কৰিব লাগিব




## পৰিৱেশ আৰু বন বিভাগৰ নৱনিযুক্ত বন সংপালক তথা অনুকম্পা ভিত্তিত নিয়োজিত কৰ্মচাৰীসকলক নিযুক্তি পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৬ ছেপ্টেম্বৰত ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগৰ দ্বাৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত পৰিৱেশ আৰু বন বিভাগৰ নৱনিযুক্ত ৫০ গৰাকী বন সংপালকক আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰাৰ উপৰি এই বিভাগৰ অনুকম্পামূলক ভিত্তিত নিয়োজিত ৩০ গৰাকী প্ৰাৰ্থীক তৃতীয় বৰ্গ আৰু ৪ গৰাকী প্ৰাৰ্থীক চতুৰ্থ বৰ্গৰ পদত নিযুক্তিপত্ৰ প্ৰদান কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ২০১৬ চনত বিজেপি নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰখন শাসনাধিস্থিত হোৱাৰ পিছতে দুৰ্নীতিমুক্ত প্ৰশাসন ব্যৱস্থা এটা গঢ়ি তোলাৰ বাবে চৰকাৰখনে শক্তিশালী তথা ফলপ্ৰসূ পদক্ষেপ লৈছে। চৰকাৰে লোৱা শক্তিশালী পদক্ষেপৰ বাবে এপিএছচিকে ধৰি বহু বিভাগৰ বিষয়া-কৰ্মচাৰী জেল-হাজোতলৈ যাবলগীয়া তথা বৰ্খাস্ত হ'বলগীয়া হৈছে। বৰ্তমানৰ চৰকাৰখনে স্বচ্ছতা বজাই ৰাখি কেৱল মেধাৰ ভিত্তিত বিভিন্ন বিভাগৰ চাকৰিত নিযুক্তি দিয়াৰ ফলত বহু সংখ্যক দুখীয়া পলিয়ালৰ মেধাৱী প্ৰাৰ্থীয়ে চাকৰি লাভ কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰশাসন তন্ত্ৰত দুৰ্নীতি বহু আগৰ পৰাই চলি আছিল বুলি উল্লেখ কৰি ইয়াৰ ফলত বহু সংখ্যক মেধাসম্পন্ন প্ৰাৰ্থীয়ে চৰকাৰী চাকৰি লাভৰ পৰা পূৰ্বতে বঞ্চিত হ'বলগীয়া হৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চৰকাৰী জনকল্যাণকামী আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰখনে লোৱা পদক্ষেপৰ ফলশ্ৰুতিত এই আঁচনিসমূহৰ ৰূপায়ণত মধ্যভোগীৰ স্থান বিলুপ্ত হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পূৰ্বতে ধন নিদিলে চাকৰি পাবলৈ সক্ষম নহৈছিল আৰু এই কথা অসমৰ ৰাইজৰ ভালদৰে জ্ঞাত বুলিও মুখ্যমন্ত্ৰীয়ে কোৱাৰ লগতে বৰ্তমানৰ চৰকাৰে দুৰ্নীতিৰ অভিযোগ উত্থাপিত হোৱা মাত্ৰেই শক্তিশালী তদন্ত প্ৰক্ৰিয়া চলাই দোষীক কৰায়ত্ত কৰি উপযুক্ত শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিছে বুলি কয়। বৰ্তমানৰ চৰকাৰখনে কেৱল তদন্তৰ




নামত তদন্ত ঘোষণা নকৰি এই দিশত উপযুক্ত পদক্ষেপ লোৱাৰ ফলশ্ৰুতিতে জনসাধাৰণৰ চৰকাৰখনৰ প্ৰতি বিশ্বাস অটুত আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দুৰ্নীতি নিৰ্মূলৰ দিশত নিদিওঁ আৰু নলওঁ নীতিৰ মহামিলনে এই কাম সম্ভৱ কৰি তুলিব বুলি উল্লেখ কৰি ৰাইজকো এই দিশত সজাগ আৰু সচেতন হৈ চৰকাৰলৈ সহায়ৰ হাত আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। দুৰ্নীতি বা অনিয়মৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰখনে কেতিয়াও আপোচ নকৰে বুলি উল্লেখ কৰি আৰক্ষী বিভাগৰ উপ-পৰিদৰ্শকৰ পদৰ নিযুক্তি প্ৰক্ৰিয়াত খেলি-মেলি হোৱাৰ খবৰ ওলোৱাৰ লগে লগে ক্ষিপ্ৰ তদন্তৰে বহু অভিযুক্তক কৰায়ত্ত কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই ঘটনাৰ তদন্ত প্ৰক্ৰিয়া ক্ষিপ্ৰভাৱে চলি আছে বুলি উল্লেখ কৰি ঘটনাৰ লগত জড়িত কোনেৰে সাৰি যাব নোৱাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আগন্তুক দিনতো নিযুক্তি প্ৰক্ৰিয়াত সম্পূৰ্ণ স্বচ্ছতা আৰু মেধাক স্বীকৃতি দিয়াৰ বাবে চৰকাৰখনে সৰ্ব্বোচ্চ শক্তি প্ৰয়োগ কৰি যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলকো দুৰ্নীতিৰ বা-বাতৰি চৰকাৰৰ দৃষ্টি গোচৰ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি সকলোকে মিলিত প্ৰচেষ্টাৰে সংস্কাৰকামী যাত্ৰাত চামিল হোৱাৰ বাবে আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নৱনিযুক্ত বন সংপালকসকলক বন বিভাগৰ দৰে এটা গুৰুত্বপূৰ্ণ বিভাগত কাৰ্য সম্পাদনৰ সুবিধা পোৱাৰ বাবে নিজকে অতি সৌভাগ্যৱান হিচাপে উপলব্ধি কৰিবলৈ কয়। মুখ্যমন্ত্ৰীয়ে অসমক আবিষ্কাৰ কৰাৰ দিশত বন বিভাগে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে বুলিও কয়। এই ক্ষেত্ৰত বন সংপালকৰ দৰে ক্ষেত্ৰীয় পৰ্যায়ৰ বিষয়াসকলে নিজৰ দায়িত্ব সততা আৰু নিষ্ঠাৰে পালন কৰিব লাগিব বুলিও কয়। আমাৰ ৰাজ্যখন প্ৰাকৃতিকভাৱে অতি চহকী বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰকৃতিৰ এই অমূল্য সম্পদসমূহ অটুত থাকিলেহে অসমৰ শক্তি অটুত থাকিব বুলি কয়। মুখ্যমন্ত্ৰীয়ে নৱনিযুক্ত বন সংপালকসকলক নিজৰ এলেকাৰ বনাঞ্চলৰ পৰিসৰ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰি সেই এলেকাৰ পশু-পক্ষীৰ নিৰাপত্তা, গছ-গছনিৰ সংৰক্ষণ, জান-জুৰিৰ পৱিত্ৰতা ৰক্ষা কৰাৰ বাবে দায়বদ্ধতাৰে কৰ্মত ব্ৰতী হোৱাৰ বাবেও আহ্বান জনায়। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, জৈৱ বিচিত্ৰতা সংৰক্ষণৰ বাবে সকলোৱে ইয়াক এক জাতীয় দায়িত্ব হিচাপে গণ্য কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে বনভূমিৰ দাতিকাঁষৰীয়া





জনসাধাৰণক এই দিশত সজাগ-সচেতন কৰাৰ বাবে বন সংপালকসকলে নিজৰ দায়িত্ব পালন কৰিব লাগিব বুলিও কয়। প্ৰকৃতি আৰু মানৱ সমাজৰ সন্তুলন অটুত থাকিলেহে মানৱ সমাজ বৰ্তি থাকিব পাৰিব বুলি উল্লেখ কৰি ইয়াৰ অন্যথা মানৱ সমাজ বিপদাপন্ন হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে নৱনিযুক্ত বন সংপালকসকলে যি ঠাইত কাম কৰে সেই ঠাইতে তেওঁলোকে মানুহৰ শ্ৰদ্ধা বুটলিব পৰা ভাল কাম কৰি আদৰ্শ প্ৰতিষ্ঠা কৰিব লাগিব বুলিও কয়। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কয় যে সম্পূৰ্ণ স্বচ্ছ আৰু দুৰ্নীতিমুক্ত প্ৰক্ৰিয়াৰে তেওঁলোকে নিযুক্তি পাবলৈ সক্ষম হৈছে। সেয়েহে তেওঁলোকে নিষ্ঠাৰে কাম কৰি ৰাইজৰ আস্থাৰ পাত্ৰ হ'বলৈ দায়বদ্ধতাৰে কৰ্ম সম্পাদন কৰিব লাগিব। এখন প্ৰদূষণমুক্ত অসম গঢ়াৰ লক্ষ্যৰে বৰ্তমানৰ চৰকাৰে ৰাজ্যখনৰ সেউজ আৱৰণ তথা বন্যপ্ৰাণীৰ সুৰক্ষা প্ৰদানৰ দিশত লোৱা পদক্ষেপৰ বাবে অসমৰ বনাঞ্চলৰ পৰিমাণ ২২২ বৰ্গ কিলোমিটাৰ বৃদ্ধি হৈছে বুলি ফৰেষ্ট ছাৰ্ভে অব ইণ্ডিয়াৰ তথ্যত প্ৰকাশ পাইছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ চৰকাৰে ১০ কোটি ফলফুল আৰু ঔষধি গছৰ গছপুলি ৰোপণৰ পদক্ষেপ গ্ৰহণ কৰি এতিয়ালৈকে ৮ কোটিজোপা গছপুলি ৰোপণ কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন সাধন হৈছে বুলি উল্লেখ কৰি এই চৰকাৰৰ কাৰ্যকালত বিভিন্ন বিভাগত সম্পূৰ্ণ স্বচ্ছতা আৰু মেধাৰ ভিত্তিত চৰকাৰখনে চাকৰি প্ৰদান কৰিছে বুলিও কয়। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ আৰু উপদেশৰ বাবে বন বিভাগত বহুতো সংস্কাৰ সম্ভৱ হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত ৰাজ্যখনৰ বনাঞ্চল বৃদ্ধি, গঁড়ৰ চোৰাংচিকাৰ প্ৰায় শূন্যলৈ অৱনমিত, বন বিভাগৰ ৰাজহ উল্লেখযোগ্য ভাৱে বৃদ্ধি ইত্যাদিৰ দৰে সফলতাসমূহৰ বিষয়েও আলোকপাত কৰে। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালতে কাজিৰঙাত  চোৰাং চিকাৰ প্ৰতিৰোধ বাহিনী গঠনৰ ফলত চোৰাং চিকাৰীৰ দ্বাৰা গঁড় হত্যাৰ ঘটনা চমকপ্ৰদভাৱে ৰোধ কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ কয়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে বন বিভাগৰ দৰে একগুৰুত্বপূৰ্ণ বিভাগত সম্পূৰ্ণ মেধাৰ ভিত্তিত চাকৰি লাভ কৰিবলৈ সক্ষম হোৱা প্ৰাৰ্থীসকলক যথেষ্ট সৌভাগ্যৱান বুলি উল্লেখ কৰি নৱনিযুক্ত প্ৰাৰ্থীসকলক প্ৰকৃতিক সন্মান কৰিবলৈ আৰু সদায়ে ভাল কামৰ জৰিয়তে  নিজৰ সন্মান অটুট ৰখাৰ বাবে আহ্বান জনায়। আমি সকলোৱে প্ৰকৃতিৰ সন্তান বুলি উল্লেখ কৰি প্ৰকৃতি অবিহনে আমি কোনো দিনে বৰ্তি থাকিব নোৱাৰো বুলি মিডিয়া উপদেষ্টাগৰাকীয়ে কয়। জীৱ-জন্তুৰো এখন অলিখিত সংবিধান আছে বুলি উল্লেখ কৰি ভোক নালাগিলে কোনো বন্য জন্তুই চিকাৰ নকৰে বুলিও তেওঁ কয়। সেয়েহে নৱনিযুক্ত বন সংপালকসকলক কোনোধৰণৰ লালসাৰ বশৱৰ্তী নহৈ প্ৰকৃতিক গুৰুত্ব প্ৰদান কৰি আগবাঢ়ি যাবলৈও তেওঁ আহ্বান জনায়। নিজৰ ওচৰত কোনোৱে লুকুৱাব নোৱাৰে উল্লেখ কৰি নিজকে নিজে ভাল কাম কৰাৰ বাবে সদায়ে উদ্বুদ্ধ হোৱাৰ বাবেও তেওঁ আহ্বান জনায়। প্ৰধান মুখ্য বন সংৰক্ষক আৰু বন বাহিনীৰ মুৰব্বী এ এম সিঙে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত  পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশীয়েও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বিভাগটোৰ বহুসংখ্যক জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। ❑❑

## ‘অৰুন্ধতী স্বৰ্ণ আঁচনি’ৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

# নৱ দম্পতীসকলক বিবাহৰ পঞ্জীয়ন কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান




‘নৱ দম্পতীসকলে সমাজত আদৰ্শ প্ৰতিষ্ঠা কৰাৰ বাবে কাম কৰিব লাগিব। বৰ্তমানৰ ৰাজ্য চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বিকাশৰ বাবে ২০১৬ চনৰ পৰা বিভিন্ন কাৰ্যসূচী আৰু আঁচনি ৰূপায়ণ কৰি আহিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এই একবিংশ শতিকাৰ প্ৰতিযোগিতামুখী বিশ্বত আমাৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব লাগিলে সমাজখন শক্তিশালী কৰি তুলিব লাগিব। সমাজৰ বুকুত থকা অপ-সংস্কৃতি, অন্ধবিশ্বাস নোহোৱা কৰি সমাজখন শক্তিশালী কৰাৰ যাত্ৰাত অগ্ৰসৰ হ’ব লাগিব। যিবোৰ সামাজিক ঘটনা প্ৰবাহে সমাজখনক দুৰ্বল কৰিব পাৰে সেইসমূহ নোহোৱা কৰিব লাগিব। সমাজৰ প্ৰতিগৰাকী ব্যক্তিক ইতিবাচক দৃষ্টিভংগীৰে আগুৱাই নি জীৱন যুঁজত দৃঢ়তাৰে পৰিচালনা কৰাৰ বাবে প্ৰস্তুত কৰিব পাৰিব লাগিব। এইবোৰ সমস্যাৰ যোগ্য প্ৰত্যুত্তৰ দিয়াৰ বাবে ৰাজ্য চৰকাৰে অভিলাষী আঁচনি গ্ৰহণ কৰিছে।’ যোৱা ২৪ ছেপ্টেম্বৰত অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত ‘অৰুন্ধতী স্বৰ্ণ আঁচনি’ৰ শুভাৰম্ভ কৰি এই উপলক্ষে আয়োজিত সভাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰী সোণোৱালে কয়— “আমি ৰাজ্যখনৰ প্ৰতিগৰাকী ব্যক্তিক সবল কৰাৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছোঁ। বয়োজ্যেষ্ঠসকলে যাতে নিঃসংগতা অনুভৱ নকৰে, মৰ্যাদা আৰু সন্মানসহকাৰে জীয়াই থাকিব পাৰে, দিব্যাংগসকলেও যাতে সামাজিক মৰ্যাদা অক্ষুণ্ণ ৰাখি দৃঢ়তাৰে জীৱন যুঁজত সফলতা আহৰণ কৰিব পাৰে, যুৱক-যুৱতী, পুৰুষ-মহিলা সকলোৱে যাতে উপাৰ্জনৰ ক্ষেত্ৰত চহকী হয় তাৰ বাবে আমি আঁচনি প্ৰস্তুত কৰিছো। শিশুৰ পৰা বৃদ্ধলৈকে সামৰি সকলো শ্ৰেণীৰ লোকক শক্তিশালী কৰাৰ বাবে এইখন চৰকাৰে সততা আৰু নিষ্ঠাৰে বিভিন্ন আঁচনি জনসাধাৰণৰ সহযোগত ৰূপায়ণ কৰি আহিছে। আজি উঠি অহা প্ৰজন্মক আধুনিক ধ্যান-ধাৰণাৰে শিক্ষা প্ৰদান কৰি একো একোগৰাকী শক্তিশালী নাগৰিক হিচাপে গঢ় দিয়াৰ মানসিকতাৰে আমি শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তন আনিছো। বিভিন্ন ধৰণৰ আঁচনিৰ যোগেদি দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে শিক্ষাগ্ৰহণৰ পৰা বঞ্চিত নহয়, ইয়াৰ প্ৰতি লক্ষ্য ৰাখি সাৰ্বজনীন দৃষ্টিভংগীৰে সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে উচিত শিক্ষা লাভ কৰিব পাৰে ইয়াৰ বাবে যিখিনি আৰ্থিক সাহায্যৰ প্ৰয়োজনীয়তা আছে, সেই কামতো ৰাজ্য চৰকাৰে দৃঢ়তাৰে আগবাঢ়ি গৈছে।” ‘অৰুন্ধতী’ আঁচনিৰ জৰিয়তে সোণ ক্ৰয় কৰাৰ বাবে চৰকাৰে যি ৪০ হাজাৰ টকাৰ ন্যূনতম আৰ্থিক সহযোগিতা আগবঢ়াইছে, এই টকাৰ সদ্ ব্যৱহাৰ কৰাত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ অন্তৰালত অসম চৰকাৰৰ আন্তৰিকতা, সদিচ্ছা, শ্ৰদ্ধা-ভক্তি নিহিত হৈ আছে। ‘আমি আপোনালোকৰ যোগেদি ভৱিষ্যতৰ অসমখন নিৰ্মাণ কৰিব বিচাৰিছো। আপোনালোকৰ পুত্ৰ-কন্যা ভাল মানুহ হওক, জ্ঞানী-গুণী হওক, মৰ্যাদাসহকাৰে জীৱন গঢ় দিয়াৰ বাবে জীৱন যুঁজত আগুৱাই যাওক।’ সেই কামনাৰে এই অৰুন্ধতী

আঁচনিক আমি কাৰ্যকৰী ৰূপ দিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে শিশু অৱস্থাৰ পৰা নীতি-শিক্ষা, সাংস্কৃতিক চেতনা, সামাজিক চেতনাৰ জ্ঞান গভীৰতা প্ৰদানৰ বাবে অভিভাৱকসকলে প্ৰয়াস চলাব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে এইখন অসম সম্পদ আৰু সম্ভাৱনাৰে পৰিপূৰ্ণ এখন ৰাজ্য। ৰাজ্যখনৰ সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক, প্ৰাকৃতিক, ভৌগোলিক, জৈৱ বৈচিত্ৰ্যৰ মাজত বিপুল সম্ভাৱনীয়তা লুকাই আছে। ইয়াক আমি আৱিষ্কাৰ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে নৱ দম্পতীসকলে নিজৰ সন্তানক দেশৰ উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ বাবে সংকল্প ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমাৰ দেশক বিশ্বৰ বুকুত এক শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত কৰিছে। ইয়ে দেশবাসীক গৌৰৱান্বিত কৰি তুলিছে। প্ৰধানমন্ত্ৰীৰ দৃঢ়তা, সততা, কৰ্ম উদ্যমিতা, বিশাল দৃষ্টিভংগী, পৰিশ্ৰম, নিষ্ঠা এই সকলো গুণৰ দ্বাৰা ভাৰতবৰ্ষৰ প্ৰতিগৰাকী নাগৰিকক প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছে। সমাজত নাৰীৰ মৰ্যাদা সুৰক্ষিত কৰাৰ স্বাৰ্থত কাম কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজি সকলো ক্ষেত্ৰতে মহিলাসকল উজলি উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাৰী সবলীকৰণৰ বাবে 'বেটি বাচাও বেটি পঢ়াও' আঁচনিৰ জৰিয়তে নাৰীৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিলে তাৰ বাবে আজি আমাৰ মহিলা সমাজে বিশ্ব মানৱৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে অগ্ৰাধিকাৰৰ ভিত্তিত আঁচনি গ্ৰহণ কৰি তাক ৰূপায়ণ কৰি আহিছে। ইয়াৰ ফলত এই অঞ্চলটোৰ উন্নয়নৰ নতুন মাত্ৰা সংযোজন হৈছে। মুখ্যমন্ত্ৰীয়ে অৰুন্ধতী আঁচনিৰ সম্পৰ্কত জনসচেতনতা সৃষ্টিৰ বাবে হিতাধিকাৰীসকলক আহ্বান জনায়। এই আঁচনিখনৰ সম্পৰ্কত জনসচেতনতা সৃষ্টি নোহোৱা বাবে বহু দম্পতী আগবাঢ়ি অহা নাই। মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিখনৰ জৰিয়তে সমাজখনত এটা নতুন বাতাৱৰণৰ সৃষ্টি হ'ব। মুখ্যমন্ত্ৰীয়ে নৱ দম্পতীসকলৰ বিবাহৰ পঞ্জীয়নৰ বিষয়টোৰ ক্ষেত্ৰত অৱজ্ঞা নকৰিবলৈ আহ্বান জনায়। বিবাহৰ পঞ্জীয়ন নহ'লে এই আঁচনিখন সফল কৰিব পৰা নাযাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য, শিক্ষা, লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে সমাজে সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে যোৱা ৪ বছৰে বিভিন্ন আঁচনি গ্ৰহণ কৰি আহিছে। সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণে বাবে সমানে সুযোগ সুবিধা আৰু ন্যায় লাভ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে সাৰ্বজনীন দৃষ্টিভংগীৰে আঁচনিসমূহ ৰূপায়ণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। সামাজিক নিৰাপত্তাৰ বাবে বিবাহ পঞ্জীয়নৰ প্ৰয়োজনীয়তা আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই নতুন আঁচনিখনে বিবাহ পঞ্জীয়ন কৰাৰ বাবে নৱ সম্পতীসকলক উৎসাহিত কৰিব। তেওঁ এই আঁচনিখন ৰাজ্যখনৰ চুকে-কোণে সম্প্ৰসাৰিত কৰাৰ বাবে উদ্যোগ তথা জনসচেতনতা সৃষ্টিৰ বাবে কাম কৰিবলৈও হিতাধিকাৰীসকলক আহ্বান জনায়। এই অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ (স্বতন্ত্ৰ) ৰাজ্যিক মন্ত্ৰী যোগেন মহনেও ভাষণ দিয়ে। অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণী ভাষণ দিয়া  এই অনুষ্ঠানত চাহ জনজাতি কল্যাণ বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক বলিন চেতিয়া, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী,  ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ শীৰ্ষ বিষয়ববীয়াসকল তথা ৰাজ্যৰ ৩০খন জিলাৰ পৰা অহা ১০০জোৰা নৱ দম্পতী উপস্থিত থাকে।উল্লেখ্য   যে এই আঁচনিৰ বাবে এই পৰ্যন্ত ৰাজ্যখনৰ ১১২১ জোৰা নৱ দম্পতীয়ে বিবাহ পঞ্জীয়ন কৰাৰ বিপৰীতে তাৰে ৫৮৭ জোৰা নৱ দম্পতী আঁচনিখনৰ বাবে যোগ্য বুলি বিবেচিত হৈছে। ❑❑





# চাপৰ চাহ বাগিচাত বীৰচা মুণ্ডা ষ্টেডিয়াম আৰু বীৰচা মুণ্ডাৰ প্ৰতিমূৰ্তি শুভ উদ্বোধন

# পূৰ্বৰ চৰকাৰসমূহে চাহ জনগোষ্ঠীৰ উন্নয়নৰ বাবে কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰা নাছিল ঃ মুখ্যমন্ত্ৰী

ধুবুৰী জিলাৰ ক্ৰীড়াক্ষেত্ৰত এক নতুন সংযোজনেৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৮ ছেপ্টেম্বৰত চাপৰ চাহ বাগিচাত বীৰছা মুণ্ডা ষ্টেডিয়াম আৰু বীৰছা মুণ্ডাৰ এটি প্ৰতিমূৰ্তি শুভ উদ্বোধন কৰে। অইল ইণ্ডিয়া লিমিটেডৰ সামাজিক দায়বদ্ধতা কাৰ্যসূচীৰ অংশ হিচাপে ৯৭.৭২ লাখ টকা ব্যয় সাপেক্ষে এই ষ্টেডিয়ামখন নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আদিবাসী তথা চাহ জনগোষ্ঠীৰ লোকসকল বৃহত্তৰ অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অংগ। অসমীয়া জাতিৰ বিকাশ সাধনত এই জনগোষ্ঠীৰ অৱদান অনস্বীকাৰ্য। চাহ জনগোষ্ঠীৰ লোকসকলৰ উন্নয়নৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা বহু পদক্ষেপ গ্ৰহণ কৰি আহিছে। চাহ জনগোষ্ঠীৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকশাই তোলাৰ বাবে মুখ্যমন্ত্ৰী আন্তঃ চাহ বাগিচা ফুটবল প্ৰতিযোগিতাকে ধৰি বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাসমূহ আয়োজন কৰি অহা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৰাজ্যখনৰ ৫০০ খন খেলপথাৰৰ উন্নয়ন সাধন কৰাৰ লগতে চেপন চাহ বাগিচাত মাংৰি ওৰাং আৰ্চাৰী একাডেমী প্ৰতিষ্ঠাকে ধৰি উল্লেখনীয় পদক্ষেপসমূহ গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। পূৰ্বৰ চৰকাৰসমূহৰ দিনত চাহ জনগোষ্ঠীৰ উন্নয়নৰ বাবে কোনো বিশেষ পদক্ষেপ লোৱা হোৱা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰে অসমৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকশাই তোলাৰ বাবে ৰাজ্যিক ক্ৰীড়া নীতি গ্ৰহণ কৰিছে বুলি কয়। এই ক্ৰীড়া নীতিৰ জৰিয়তে অলিম্পিক, কমনৱেলথ্ গেমছ আদিৰ দৰে আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত পদক বিজেতাসকলৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ত ক্ৰীড়াৰ ক্ষেত্ৰত সুনাম কঢ়িয়াই অনা খেলুৱৈসকলক ধনৰাশি প্ৰদান কৰাৰ লগতে চৰকাৰী চাকৰি প্ৰদানৰ নিচিনা পদক্ষেপসমূহ গ্ৰহণ কৰা হৈছে। চাহ বাগিচা এলেকাত ১০০ খন হাইস্কুল স্থাপন কৰাৰ পদক্ষেপৰ লগতে বিনামূলীয়া ৰেচন প্ৰদান, উজ্জ্বলা আঁচনিৰ দ্বাৰা বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ প্ৰদান, সৌভাগ্য আঁচনিৰ দ্বাৰা চাৰিটাকৈ এলইডি বাল্ব, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ নিৰ্মাণ, গৰ্ভৱতী মহিলাক ৬ মাহৰ বাবে মজুৰিৰ ক্ষতিপূৰণ আদিৰ দৰে বিভিন্ন পদক্ষেপসমূহৰ কথা উল্লেখ কৰি এই জনগোষ্ঠীৰ উন্নয়নৰ ক্ষেত্ৰত বৰ্তমানৰ ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি তেওঁ কয়। বীৰছা মুণ্ডাৰ নামেৰে নামকৰণ কৰি মুকলি কৰা এই ষ্টেডিয়ামখনে চাপৰ চাহ বাগিচাকে ধৰি বৃহত্তৰ অঞ্চলটোৰ ক্ৰীড়া প্ৰতিভাসমূহ বিকশাই তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে স্থানীয় যুৱক-যুৱতীসকলক ক্ৰীড়াত মনোনিৱেশ কৰিবলৈও আহ্বান জনায়। চাহ বাগিচাৰ বৰেণ্য ব্যক্তিসকল যেনে চাইমন সিং হৰ' আৰু সন্তোষ তপ্ন'ৰ প্ৰতিমূৰ্তি ইতিমধ্যে ডিব্ৰুগড়ত ৰাজ্য চৰকাৰে স্থাপন কৰিছে আৰু সন্তোষ তপ্ন'ৰ স্মৃতিত শ্ৰমিক কল্যাণ দিৱস প্ৰতি বছৰে পালন কৰি অহা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে অশোক কুমাৰ সিংহী, অশ্বিনী ৰায় সৰকাৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা, জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। □□

## ‘মুখ্যমন্ত্ৰীৰ গ্ৰাম্য পৰিবহণ আঁচনি’ৰ শুভাৰম্ভ মুখ্যমন্ত্ৰী সোণোৱালৰ



# ৰাজ্য চৰকাৰেও আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে বহুসংখ্যক আঁচনি ৰূপায়ণৰ পদক্ষেপ লৈছে

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৩ ছেপ্টেম্বৰত ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগৰ দ্বাৰা অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজন কৰা এক অনুষ্ঠানৰ জৰিয়তে ‘মুখ্যমন্ত্ৰী গ্ৰাম্য পৰিবহণ আঁচনি’খন হিতাধিকাৰীলৈ বাহন প্ৰদানেৰে আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। এই আঁচনিখনৰ জৰিয়তে গ্ৰামাঞ্চলৰ যোগাযোগ ব্যৱস্থাৰ সুচলতা তথা গ্ৰামাঞ্চলত নিয়োগ সৃষ্টিৰ পৰিসৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। উল্লেখ্য যে ২০১৯ বৰ্ষৰ স্বাধীনতা দিৱসৰ ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই আঁচনিখন ঘোষণা কৰিছিল আৰু এই ঘোষণা অনুসৰিয়ে ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগে এই আঁচনিখন মুখ্যমন্ত্ৰীৰ দ্বাৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছে। এই আঁচনিখনৰ জৰিয়তে প্ৰথম পৰ্যায়ত ১০০ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্যখনৰ ১০ হাজাৰ গাঁও সামৰি লোৱাৰ পদক্ষেপ লোৱা হৈছে। আঁচনিখনৰ জৰিয়তে লক্ষ্য লোৱা প্ৰতিখন গাঁৱৰ এগৰাকীকৈ হিতাধিকাৰীক এখন লঘু যান-বাহন প্ৰদান কৰাৰ পদক্ষেপ লোৱা হৈছে। এই আঁচনিখনৰ অধীনত যোগ্য হিতাধিকাৰীক লঘু যান-বাহনখনৰ ক্ৰয় মূল্যৰ ২৫ শতাংশ অথবা ১ লাখ টকা ৰাজ্য চৰকাৰে প্ৰদান কৰিব। আঁচনিখনৰ






শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী সোণোৱালে আঁচনিখনৰ অধীনত লঘু যান-বাহন লাভ কৰা হিতাধিকাৰীসকলক আত্মনিৰ্ভৰশীলতাৰ উৎকৃষ্ট সফলতাৰ উদাহৰণ সৃষ্টিৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ আহ্বান জনায় যাতে গাঁওখনৰ অন্যান্য যুৱক-যুৱতীসকলেও তেওঁৰ সফলতাৰ দ্বাৰা প্ৰেৰণা লাভ কৰি নিজকে এগৰাকী সফল উদ্যোগীলৈ ৰূপান্তৰিত হোৱাৰ বাবে আগ্ৰহী হয়। দেশৰ অৰ্থনীতি পুনৰুত্থানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০ লাখ কোটি টকাৰ পেকেজ ঘোষণাৰ পৰিপ্ৰেক্ষিতত দেশৰ সকলোৱে এই বিকাশৰ যাত্ৰাত চামিল হৈ দেশৰ অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰাৰ অংশীদাৰ হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়ি তোলাৰ বাবে জনোৱা আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই ৰাজ্য চৰকাৰেও আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে 'মুখ্যমন্ত্ৰী গ্ৰাম্য পৰিবহণ আঁচনি'ৰ লেখীয়া বহুসংখ্যক আঁচনি ৰূপায়ণৰ পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। চৰকাৰৰ স্বনিয়োজন আঁচনিসমূহ সফল হ'ব লাগিলে এই আঁচনিৰ অধীনৰ হিতাধিকাৰীসকলে কঠোৰ পৰিশ্ৰম, উৎসৰ্গিত মনোভাৱেৰে কৰ্মত ব্ৰতী হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কেৱল ঐকান্তিক প্ৰচেষ্টা আৰু কঠোৰ পৰিশ্ৰমেৰে নিজৰ কৰ্ম ক্ষেত্ৰত সাধনাৰে ব্ৰতী হ'লেহে ক'ভিড-১৯ ৰ লেখীয়া জটিল পৰিস্থিতি অতিক্ৰমী আমাৰ অৰ্থনীতিয়ে নতুন মাত্ৰা লাভ কৰাৰ সম্ভাৱনীয়তা আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই আঁচনিখনৰ জৰিয়তে প্ৰদান কৰা লঘু যান-বাহনসমূহে গ্ৰামাঞ্চলৰ যোগাযোগ ব্যৱস্থা সুচল কৰাৰ উপৰি স্বাস্থ্যজনিত জৰুৰীকালীন সময়ত এই বাহনসমূহে বিশেষ ভূমিকা পালন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে আঁচনিখনৰ জৰিয়তে বাহন লাভ কৰা হিতাধিকাৰীসকলে উদ্যমিতা আৰু আত্মনিৰ্ভৰশীলতাৰ এক উৎকৃষ্ট উদাহৰণ হিচাপে পৰিগণিত হ'ব বুলিও আশা প্ৰকাশ কৰে। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি পৰিবহণ বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে 'মুখ্যমন্ত্ৰীৰ গ্ৰাম্য পৰিবহণ আঁচনি'খনেৰে গ্ৰামাঞ্চল আৰু নগৰাঞ্চলৰ মাজত থকা পৰিবহণৰ ব্যৱধান দূৰীকৰণৰ লগতে ইয়াৰ জৰিয়তে গ্ৰামাঞ্চলত নিয়োগ সৃষ্টিৰ লক্ষ্য লোৱা হৈছে বুলিও কয়। প্ৰথম পৰ্যায়ত আঁচনিখনৰ জৰিয়তে যদিও ৰাজ্যখনৰ ১০ হাজাৰ গাঁৱক সামৰি লোৱাৰ লক্ষ্য লোৱা হৈছে, পৰৱৰ্তী পৰ্যায়ত ৰাজ্যখনৰ সকলো গাঁও অৰ্থাৎ ২৬ হাজাৰখন গাঁৱক সামৰি লোৱাৰ বাবে পদক্ষেপ লোৱা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালত অসম ৰাজ্যিক পৰিবহণ নিগমে লাভ কৰা সফলতাসমূহৰ বিষয়ে উল্লেখ কৰাৰ লগতে অক্টোবৰৰ ভিতৰতে ২০ খন মাৰ্চিডিজ বাছ ৰাজ্যিক পৰিবহণ নিগমত প্ৰৱৰ্তন কৰাৰ বিষয়েও উল্লেখ কৰে। পৰিবহণ বিভাগৰ আয়ুক্ত সচিব কে কে দ্বিৱেদীয়ে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত পৰিবহণ বিভাগৰ আয়ুক্ত আদিল খানো উপস্থিত থাকে। ❏❏



# শিশুস্বাস্থ্যৰ এক যুগান্তকাৰী আঁচনিৰ শুভাৰম্ভ স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাৰ

## শিশুৰ বৃক্ক-যকৃৎ সংৰোপণ-ব'নমেৰ' ট্ৰেন্সপ্লাণ্ট কৰা হ'ব 'স্নেহস্পৰ্শ' আঁচনিৰ জৰিয়তে

ৰাজ্যখনৰ ৭০ টি শিশুৰ জটিল অস্ত্ৰোপচাৰ বিনামূলীয়াকৈ সম্পন্ন কৰাৰ প্ৰক্ৰিয়া হাতত লৈছে ৰাজ্য চৰকাৰে। তাৰ বাবে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰিছে এক যুগান্তকাৰী আঁচনি। শিশুৰ সুস্বাস্থ্য নিশ্চিত কৰিবলৈ 'স্নেহস্পৰ্শ' নামৰ এই আঁচনিখনৰ জৰিয়তে শিশুকেইটাৰ হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰৰ লগতে ব'নমেৰ' ট্ৰেন্সপ্লাণ্ট কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ১৯ ছেপ্টেম্বৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত এই আঁচনিখন আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে আয়োজিত এটা চমু অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়, প্ৰধানমন্ত্ৰী মোদীৰ ৭০ সংখ্যক জন্মদিন উপলক্ষে দেশজুৰি আয়োজন কৰা সেৱা সপ্তাহৰ লগত সংগতি ৰাখি স্বাস্থ্য বিভাগে এই স্নেহস্পৰ্শ আঁচনিখন মুকলি কৰিছে। ইয়াৰ জৰিয়তে যিসকল শিশুৰ হৃদযন্ত্ৰত ফুটা আছে, সেই শিশুসকলক বিনামূলীয়াকৈ অস্ত্ৰোপচাৰ কৰাৰ লগতে কৰ্কট ৰোগত আক্ৰান্ত আন একাংশ শিশুৰ ব'নমেৰ' ট্ৰেন্সপ্লাণ্ট কৰা হ'ব। জটিল ৰোগত আক্ৰান্ত এই শিশুসকলৰ সফলতাৰে অস্ত্ৰোপচাৰ হ'লে তেওঁলোকে স্বাভাৱিকভাৱে জীৱন যাপন কৰিব পাৰিব। উল্লেখযোগ্য যে হৃদযন্ত্ৰত ফুটা থকা শিশুক বিনামূলীয়াকৈ অস্ত্ৰোপচাৰ কৰাৰ বাবে বহু পূৰ্বৰে পৰা এখন আঁচনি কাৰ্যকৰী হৈ আছে। কৰ'নাৰ পৰিৱেশৰ বাবে যোৱা ৮ মাহে এই আঁচনিখন কাৰ্যকৰী হোৱা নাছিল। এই কথা উল্লেখ কৰি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয়, কৰ'নাৰ বাবে শিশুসকলক বাহিৰলৈ নি অস্ত্ৰোপচাৰ কৰাৰ ক্ষেত্ৰত সমস্যাৰ বাবে আঁচনিখন বন্ধ হৈ আছিল যদিও এতিয়াৰে পৰা এই আঁচনিখন নিয়মিতভাৱে কাৰ্যকৰী কৰা হ'ব। সেই অনুসৰি ৭০টি শিশুক বিনামূলীয়া অস্ত্ৰোপচাৰ কৰা হ'ব। ইয়াৰে ৬৪ টি শিশুৰ হৃদযন্ত্ৰত থকা ফুটাৰ অস্ত্ৰোপচাৰ কৰাৰ বিপৰীতে ৬ গৰাকী শিশুক স্নেহস্পৰ্শ আঁচনিৰ জৰিয়তে ব'নমেৰ' সংৰোপণ কৰা হ'ব। এই ৭০ টি শিশুৰ ২০টিক বাংগালুৰুত, ১৫ টিক কলকাতাত আৰু ৩৫ টিক জি এম চি এইচত অস্ত্ৰোপচাৰ কৰা হ'ব। এই অনুষ্ঠানত ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীযূষ হাজৰিকাও উপস্থিত থাকে। ❐❐



# সমাগত দুৰ্গাপূজাৰ আগেয়ে অসমত আফ্ৰিকান ছোৱাইন ফিভাৰত আক্ৰান্ত গাহৰি নিধনৰ কাম সম্পন্ন কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ



## পশুপালন আৰু পশু চিকিৎসা বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বিশেষ বৈঠক

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৩ ছেপ্টেম্বৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে এক বিশেষ বৈঠকত মিলিত হয়। ৰাজ্যত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণৰ শেহতীয়া স্থিতি সন্দৰ্ভত এই বৈঠকত বিতংভাৱে পৰ্যালোচনা কৰা হয়। এই ৰোগৰ সংক্ৰমণ প্ৰতিহতকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ নিৰ্দেশ অনুযায়ী তথা বিশেষজ্ঞসকলৰ পৰামৰ্শ অনুসৰি ৰাজ্যখনৰ সংক্ৰমিত এলেকাত চিনাক্ত হোৱা প্ৰায় ১২ সহস্ৰাধিক গাহৰি নিধনৰ কাম সমাগত দুৰ্গাপূজাৰ আগেয়ে সম্পন্ন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে পশু পালন আৰু পশু চিকিৎসা বিভাগক নিৰ্দেশ দিয়ে। এই কাৰ্যৰ ফলত লোকচানৰ সন্মুখীন হোৱা গাহৰিপালকসকলক চৰকাৰে নিৰ্ধাৰণ কৰা মূল্য অনুসৰি উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰিবলৈ তথা সংক্ৰমিত এলেকাত ব্যাপক ছেনিটাইজেচনৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে বিভাগটোক নিৰ্দেশ দিয়ে। এই কাৰ্যৰ বাবে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে প্ৰথম কিস্তিৰ ধন মোকলাই দিয়াৰ লগতে ৰাজ্য চৰকাৰেও প্ৰয়োজনীয় ধনৰাশি শীঘ্ৰে মুকলি কৰি দিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৈঠকত দেশৰ অন্যান্য অংশৰ পৰা উত্তৰ-পূৰ্বাঞ্চললৈ গাহৰি সৰবৰাহৰ বিষয়টো আলোচনা কৰা হয়। আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত তথা ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি অসমলৈ দেশৰ অন্যান্য প্ৰান্তৰ পৰা গাহৰি সৰবৰাহ সম্প্ৰতি বন্ধ আছে যদিও ৰাজ্যখনৰ মাজেৰে উত্তৰ-পূবৰ অন্যান্য ৰাজ্যলৈ যাতে গাহৰিৰ সৰবৰাহত কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নহয় তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি তথা আইনগত দিশসমূহ চালি-জাৰি চাই উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে বিভাগটোৰ শীৰ্ষ বিষয়াসকলক নিৰ্দেশ দিয়ে। এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিভিন্ন জিলাত সিঁচৰতি হৈ থকা পশুপালন বিভাগৰ পামসমূহৰ জৰীপ সম্পন্ন কৰিবলৈ পশুপালন বিভাগক নিৰ্দেশ দিয়ে। বিভাগীয় এই পামসমূহ ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্ব পদ্ধতিত ৰাজ্যৰ আগ্ৰহী উদ্যোগীসকলক প্ৰদানৰ ব্যৱস্থা কৰাৰ জৰিয়তে যুৱক-যুৱতীসকলৰ স্বনিয়োজনৰ সম্ভাৱনা মুকলি কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ ভাৰত অভিযানৰ আদৰ্শৰে এই খণ্ডত থলুৱা উদ্যোগীসকলৰ বিনিয়োগৰ পথ মুকলিৰ বাবে শীঘ্ৰে এক ব্যক্তিগত বিনিয়োগ নীতি আৰম্ভ কৰিবলৈ বিষয়াসকলক তেওঁ নিৰ্দেশ দিয়ে। বৈঠকত পশুধনৰ চবকা ৰোগ নিৰ্মূলকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা ধ্বজাবাহী আঁচনিখনৰ ৰূপায়ণৰ সন্দৰ্ভতো আলোচনা কৰা হয়। এই বৈঠকত কৃষিমন্ত্ৰী অতুল বৰা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বিত্ত তথা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ আয়ুক্ত-সচিব শ্যাম জগন্নাথন, বিভাগটোৰ সঞ্চালক অশোক কুমাৰ বৰ্মনকে ধৰি বিভাগটোৰ অন্যান্য বিষয়ববীয়াসকল তথা ন্যায়িক বিভাগৰ প্ৰতিনিধি উপস্থিত থাকে। ❐❐

# নিৰনুৱাৰ ভৱিষ্যৎ বিপদাপন্ন কৰিব পৰা যিকোনো ধৰণৰ কাৰ্যকে ৰাজ্য চৰকাৰে কেতিয়াও সহ্য নকৰে ঃ মুখ্যমন্ত্ৰী

অসম আৰক্ষীৰ উপ-পৰিদৰ্শক নিযুক্তিৰ বাবে অনুষ্ঠিত লিখিত পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল কাৰ্যত জড়িতসকলক কৰায়ত্ত কৰাৰ বাবে আৰক্ষী বাহিনীয়ে আপোচবিহীনভাৱে অনুসন্ধান চলাই আছে। নিৰনুৱাৰ ভৱিষ্যৎ বিপদাপন্ন কৰিব পৰা যিকোনো কাৰ্যকে ৰাজ্য চৰকাৰে কেতিয়াও সহ্য নকৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই সমগ্ৰ ঘটনাৰ লগত জড়িত কোনো ব্যক্তিয়েই সাৰি যাব নোৱাৰে। পৰৱৰ্তী এমাহৰ ভিতৰতে সম্পূৰ্ণ নিকা আৰু স্বচ্ছভাৱে এই পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। যোৱা ২৫ ছেপ্টেম্বৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত সাংবাদিকসকলৰ সৈতে হোৱা মত বিনিময়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে লগতে কয় যে 'দুৰ্নীতিমুক্ত অসম' গঢ়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি অনুসৰি ৰাজ্য চৰকাৰে দুৰ্নীতিমুক্ত অসম গঢ়াৰ বাবে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। নলওঁ আৰু নিদিওঁ- এই ভাৱধাৰাৰে চৰকাৰী প্ৰশাসন যন্ত্ৰটোক নিকা কৰাৰ বাবে অহৰহ প্ৰচেষ্টা চলাই থকা হৈছে। তেওঁ লগতে কয় যে প্ৰশ্নকাকত ফাদিল কৰাৰ লগতে প্ৰশ্নকাকত ক্ৰয় কৰিবলৈ যোৱাসকলো সমানেই দোষী আৰু এইক্ষেত্ৰত কোনোবাই নীতি বহিৰ্ভূতভাৱে চাকৰিৰ প্ৰলোভন দিলেও সকলোৱে তেনে প্ৰলোভনৰ পৰা আঁতৰি থাকিব লাগিব। ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা সকলো পৰীক্ষা স্বচ্ছতাৰে অনুষ্ঠিত কৰি মেধাৰ ভিত্তিত প্ৰাৰ্থীসকলক নিযুক্তি প্ৰদান কৰি আহিছে। এপিএছচি আৰু অন্যান্য বিভাগত বৰ্তমানৰ ৰাজ্য চৰকাৰৰ দিনতে সম্পূৰ্ণ স্বচ্ছতাৰে মেধাৱী প্ৰাৰ্থীসকলে নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। ভৱিষ্যতেও নিযুক্তি প্ৰক্ৰিয়া দুৰ্নীতিমুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ প্ৰয়াস অব্যাহত ৰাখিব বুলি মুখ্যমন্ত্ৰীয়ে দোহাৰে। ▢▢

**প্ৰশ্নকাকত ক্ৰয় কৰিবলৈ যোৱাসকলো সমানে জগৰীয়া**

# প্লাজমা দাতাক সম্বৰ্ধনা জনালে মুখ্যমন্ত্ৰী সোণোৱালে




মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৬ ছেপ্টেম্বৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত প্লাজমা দাতাসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। লায়নছ ক্লাব অব গুৱাহাটী গ্ৰেটাৰৰ দ্বাৰা আয়োজিত এই অনুষ্ঠানত প্ৰায় ১০০ গৰাকী প্লাজমা দাতাক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে প্লাজমা দাতাসকলক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰি তেওঁলোকৰ এনে মহান কাৰ্যই মানৱতাৰ এক উজ্জ্বল প্ৰতিচ্ছবি দাঙি ধৰিছে বুলিও কয়। তেওঁলোকৰ এই কাৰ্যই জটিল ক'ভিড ৰোগীসকলৰ জীৱন ৰক্ষা কৰাত সহায় কৰাৰ উপৰি সমগ্ৰ সমাজখনৰ বাবে এক বিশেষ আশাৰ ৰেঙণি দাঙি ধৰিছে বুলিও তেওঁ কয়। প্লাজমা দাতাসকলৰ অৰিহণাই বৃহত্তৰ সমাজখনক বিশেষভাৱে অনুপ্ৰাণিত কৰিব বুলিও তেওঁ কয়। সাম্প্ৰতিক সময়ত সমগ্ৰ সমাজে কৰ'না ভাইৰাছ-সৃষ্ট এক জটিল পৰিস্থিতিৰ মাজেৰে সময় অতিবাহিত কৰিবলগীয়া হৈছে বুলি উল্লেখ কৰি প্লাজমা দাতাসকলৰ এই মহান কাৰ্যই এই ভাইৰাছৰ বিপৰীতে যুঁজ দিয়াৰ দিশত বিশেষভাৱে সহায় কৰিছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লায়নছ ক্লাব অব গুৱাহাটী গ্ৰেটাৰৰ এইক্ষেত্ৰত লোৱা ইতিবাচক ভূমিকাৰ শলাগ লোৱাৰ উপৰি চৰকাৰে এনেধৰণৰ পদক্ষেপলৈ সদায়ে ইতিবাচক সহায়-সহযোগিতা আগবঢ়াই যাব বুলি কয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ▢▢

# নেপালী সাহিত্য সভাৰ প্ৰতিনিধি দলে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক



যোৱা ১৮ ছেপ্টেম্বৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত নেপালী সাহিত্য সভাৰ এটি প্ৰতিনিধি দলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে। সাক্ষাৎ কালত প্ৰতিনিধি দলটোৱে তেওঁলোকৰ বিভিন্ন সমস্যাৰাজি আলোকপাত কৰি এখন স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীৰ হাতত দাখিল কৰে। প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰীক নেপালী ভাষা আৰু সংস্কৃতিৰ সুৰক্ষাৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণৰ বাবে পদক্ষেপ ল'বলৈ আহ্বান জনাই কয় যে অসমত নেপালী সম্প্ৰদায়ৰ ২০০ বছৰীয়া ইতিহাস আছে। এই জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ এতিয়াও সমাধান হোৱা নাই। আলোচনাৰ সময়ত নেপালী সাহিত্য সভাৰ প্ৰতিনিধিসকলে তেওঁলোকে সন্মুখীন হোৱা সমস্যাসমূহ আলোকপাত কৰাৰ লগতে এইক্ষেত্ৰত মুখ্যমন্ত্ৰীক যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে অসমীয়া সমাজ জীৱনক সমৃদ্ধিশালী কৰাৰ ক্ষেত্ৰত নেপালী সম্প্ৰদায়ৰ যথেষ্ট অৱদান আছে। তেওঁ আশ্বাস প্ৰদান কৰি কয় যে ৰাজ্য চৰকাৰে এই সম্প্ৰদায়ৰ সমস্যাসমূহ সমাধানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। এই সাক্ষাৎ কালৰ সময়ত পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, উচ্চ শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আযুক্ত সচিব ড° এম অংগমুথু, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী আৰু নেপালী সাহিত্য সভাৰ প্ৰতিনিধিসকল উপস্থিত আছিল। ❑❑

# বড়ো সাহিত্য সভাৰ নেতৃত্বত বড়ো জনগোষ্ঠীৰ তিনিটা সংগঠনৰ প্ৰতিনিধিয়ে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়োৰ নেতৃত্বত অহা বড়ো জনগোষ্ঠীৰ তিনিটা সংগঠনৰ প্ৰতিনিধিসকলে যোৱা ২৩ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰি এক বৈঠকত মিলিত হয়। অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এই বৈঠকত সংগঠনকেইটাই মুখ্যমন্ত্ৰী সোণোৱালৰ হাতত নিজ নিজ দাবীসম্বলিত তিনিখন স্মাৰকপত্ৰ প্ৰদান কৰে।

বিটিএডি অঞ্চলৰ ৰাইজৰ আশা-আকাংক্ষা পূৰণৰ বাবে তথা অঞ্চলটোৰ উন্নয়নমূলক কাম-কাজৰ ধাৰা অব্যাহত ৰাখি আইন-শৃংখলা সুস্থিৰ ৰখাৰ স্বাৰ্থত এই এলেকাত বৰ্তমানে বাহাল থকা ৰাজ্যপালৰ শাসন অধিক সম্প্ৰসাৰিত নকৰি শীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সংগঠনকেইটাই মুখ্যমন্ত্ৰীক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে সংগঠনকেইটাই জনোৱা দাবী সন্দৰ্ভত আলাপ-আলোচনাৰ জৰিয়তে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে।

বড়ো সাহিত্য সভা, অল বড়ো ওমেন ৱেলফেয়াৰ অৰ্গেনাইজেচন আৰু ফিডিএমবিৰ বিষয়ববীয়াসকলৰ সৈতে হোৱা এই বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰা, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম আৰু মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী উপস্থিত থাকে। ❑❑

# আৰক্ষী বিষয়া পাৰ্থসাৰথি মহন্তই লিখা কবিতাৰ ভিডিঅ' উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৬ ছেপ্টেম্বৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত অসম আৰক্ষীৰ বিষয়া পাৰ্থসাৰথি মহন্তৰ দ্বাৰা অসম আৰক্ষীৰ কনিষ্টবলসকলৰ  কৰ্তব্য, জীৱন সংগ্ৰাম, সামাজিক দায়বদ্ধতা, ক'ভিড-১৯ সৃষ্ট পৰিস্থিতিৰ সময়ত তেওঁলোকে আগবঢ়োৱা সেৱা ইত্যাদিৰ আলোকপাতেৰে ৰচিত 'মোৰ পৰিচয়' শীৰ্ষক কবিতা আবৃত্তিৰ ভিডিঅ' আনুষ্ঠানিকভাৱে উন্মোচন কৰে। উল্লেখ্য যে এই কবিতাৰ আবৃত্তিকাৰ সকল হৈছে অভিনেতা কপিল বৰা আৰু অভিনেত্ৰী জেৰিফা ৱাহিদ। কবিতাটোৰ ভিডিঅ' উন্মোচন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আৰক্ষী বাহিনীৰ কনিষ্টবলসকলে এই ভিডিঅ' দৰ্শনৰ জৰিয়তে আৰু অধিক দায়বদ্ধতাৰে জনসাধাৰণৰ সেৱাত ব্ৰতী হোৱাৰ বাবে অনুপ্ৰেৰণা লাভ কৰিব। কাৰণ এই ভিডিঅ'টোৰ জৰিয়তে তেওঁলোকে দায়বদ্ধতাৰে আগবঢ়োৱা সেৱাৰ অৱলোকন কৰা হৈছে। মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিয়েই তেওঁ আৰক্ষী বাহিনীৰ কনিষ্টবল তথা আউট পোষ্টৰ ইনচাৰ্জ ইত্যাদিৰ দৰে কৰ্মীসকলৰ সৈতে আৰক্ষী সঞ্চালকপ্ৰধানক সঘনাই মত বিনিময় কৰাৰ বাবে নিৰ্দেশ দিছিল বুলি উল্লেখ কৰি এনে কাৰ্যই তেওঁলোকক আৰু অধিক দায়বদ্ধতাৰে সেৱা আগবঢ়োৱাৰ বাবে অনুপ্ৰাণিত কৰে বুলিও তেওঁ কয়। যিকোনো দুৰ্যোগৰ সময়ত জনসাধাৰণে আৰক্ষীক বন্ধু হিচাপে গণ্য কৰি আহিছে বুলি উল্লেখ কৰি আৰক্ষী বাহিনীয়েও সম্প্ৰতি তেওঁলোকৰ কাম-কাজসমূহ সুচাৰুৰূপে পালন কৰাৰ বাবে অসম আৰক্ষীৰ সুনাম বৃদ্ধি হৈছে বুলিও তেওঁ কয়। এটা টীম হিচাপে কাম কৰাৰ মানসিকতাৰ বাবে অসম আৰক্ষীয়ে এই সুনাম অৰ্জন কৰাৰ উপৰি বহু সফলতা লাভ কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কবিতাটোৰ ৰচক আৰক্ষী বিষয়া পাৰ্থসাৰথি মহন্তক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আগলৈও এনেধৰণৰ সৃষ্টিশীল কাম-কাজ অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে প্ৰত্যেক মানুহৰে একো একোটা নিজস্ব সত্তা থাকে বুলি উল্লেখ কৰি এই সত্তাই সদায়ে মানুহক পৰিচালিত কৰি আহিছে বুলি  কয়। আৰক্ষীৰ পোছাকৰ ভিতৰতো এটা মানুহ তথা মানৱতাৰে ভৰা এখন হৃদয় থাকে বুলি উল্লেখ কৰি সেই কথাটোকে পাৰ্থসাৰথি মহন্তই কবিতাটোৰ জৰিয়তে প্ৰকাশ কৰাত সফল হৈছে বুলিও তেওঁ কয়। মানসিক স্বাস্থ্য অটুট থাকিলেহে সকলো কাম সুচাৰুৰূপে সম্পাদন কৰা সম্ভৱ বুলি উল্লেখ কৰি এনেধৰণৰ সৃষ্টিশীল কবিতাই মানসিক স্বাস্থ্য অটুট ৰখাৰ দিশত বিশেষ ভূমিকা পালন কৰে বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে কয়। অনুষ্ঠানত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান (আইন-শৃংখলা) জি পি সিঙেও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত আৰক্ষীৰ কেইবাগৰাকীও শীৰ্ষ পৰ্যায়ৰ বিষয়া উপস্থিত থাকে। ❑❑

# ৰহাৰ মীনপামত পোনা উৎপাদন কেন্দ্ৰৰ আধাৰশিলা স্থাপন




# মাছৰ লগত অসমৰ মানুহৰ আত্মিক সম্পৰ্ক আছে ঃ মীনমন্ত্ৰী পৰিমল শুক্লবৈদ্য

ৰহাৰ জোঙালবলহুগড় মীনপামত ২৪ ছেপ্টেম্বৰত বিশ্ববেংকৰ অৰ্থ সাহায্যত এপাৰ্ট আঁচনিৰ অধীনত ৬৪ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া পোনা উৎপাদন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি ৰাজ্যৰ মীন, বন আৰু আবকাৰী বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই কয় যে মাছৰ সৈতে অসমৰ মানুহৰ আত্মিক সম্বন্ধ আছে আৰু এয়া আমাৰ জীৱনশৈলীৰ এক এৰাব নোৱৰা সম্পদ হিচাপে বিবেচিত হৈছে। মানুহে যিকোনো কামত সফলতা অৰ্জন কৰিবলৈ হ'লে আমাৰ মাজত কৰ্ম সংস্কৃতি গঢ়ি তুলিব লাগিব। ৰাজ্যখনত বিগত



সময়ছোৱাত মীনক্ষেত্ৰৰ যথেষ্ট উন্নয়ন হোৱা বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে বিভাগীয় কৰ্মচাৰীৰ লগতে মীনপালকসকলৰ প্ৰচেষ্টাত এয়া সম্ভৱ হৈ উঠিছে বুলি কয়। লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত সৰ্ববৃহৎ মীনপাম ৰহাৰ জোঙালবলহুগড় মীনপামখনে আশানুৰূপ ফল দেখুৱাব নোৱৰাত আক্ষেপ কৰি মন্ত্ৰী শুক্লবৈদ্যই ইয়াৰ বাবে মীনপামখনৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীক দোষাৰোপ কৰি জবাবদিহি কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানটোত ৰহাৰ বিধায়ক ডিম্বেশ্বৰ দাস, মীন বিভাগৰ আয়ুক্ত সচিব ৰাকেশ কুমাৰ, ৰহাৰ মীন মহাবিদ্যালয়ৰ ডীন ড° কৃষ্ণকান্ত তামুলী, নগাঁও জিলা মীন উন্নয়ন বিষয়া ড° ৰমেশ চন্দ্ৰ বৰ্মন, নগাঁৱৰ অতিৰিক্ত উপায়ুক্ত দেৱাহুতি বৰা আদিকে কৰি বিভিন্ন উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল। ইপিনে ইয়াৰ পিছতে ৰহা মীন মহাবিদ্যালয়ত মীনপালকসকলক কিষাণ ক্ৰেডিট কাৰ্ড বিতৰণৰ অনুষ্ঠানতো মন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰে। মীন বিভাগ আৰু ষ্টেট বেংক অব ইণ্ডিয়াৰ যৌথ উদ্যোগত মীনপালকৰ আয় দুগুণ কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা এই কিষাণ ক্ৰেডিট কাৰ্ড ৫৭গৰাকী মীনপালকৰ মাজত বিতৰণ কৰে। এই অনুষ্ঠানটোত ষ্টেট বেংক অব ইণ্ডিয়াৰ গুৱাহাটীৰ উপ-মহাপ্ৰবন্ধক এছ এল মদন, নগাঁৱৰ আঞ্চলিক প্ৰবন্ধক ৰঞ্জিত কুমাৰ দত্ত, ৰহা শাখাৰ প্ৰবন্ধক দিগন্ত শইকীয়াৰ লগতে ৰহাৰ বিধায়ক আৰু আনসকলো উপস্থিত থাকে। ❑❑



## ৰাইজৰ কলা বীথিকা- ২৯

### এই সংখ্যাৰ শিল্পী

# হেলা দাস



**ভা**স্কৰ্য শিল্পী হেলা দাসৰ জন্ম হয় ১৯৪৪ চনৰ ১২ জানুৱাৰীত গুৱাহাটীৰ উজানবজাৰত। পিতৃ ভগবান চন্দ্ৰ দাস তেতিয়াৰ চৰকাৰী ছপাশালৰ অধীক্ষক হোৱা হেতুকে শ্বিলঙত থাকিব লগা হৈছিল। সেয়ে শিল্পী হেলা দাসে প্ৰাথমিক শিক্ষা শ্বিলঙতেই গ্ৰহণ কৰিছিল। তাৰ পাছত তেওঁ ক্ৰমে গুৱাহাটীৰ তাৰিণী চৌধুৰী বালিকা বিদ্যালয়ত হাইস্কুলীয়া আৰু সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত উচ্চ শিক্ষা গ্ৰহণ কৰে। ১৯৬৫ চনত তেওঁ বদোদৰা, গুজৰাটৰ এম এছ বিশ্ববিদ্যালয়ত ভাস্কৰ্যকলা শাখাত নামভৰ্তি কৰে আৰু পাঁচ বছৰীয়া পাঠ্যক্ৰম সমাপ্ত কৰি ১৯৭০ চনত গুৱাহাটীলৈ উলটি আহে।

শিল্পী হেলা দাসৰ ভাস্কৰ্য নিৰ্মাণৰ প্ৰিয় মাধ্যম আছিল কাঠ। কেতিয়াবা তেওঁ পেলনীয়া কাঠ সংগ্ৰহ কৰি তাত নিজৰ মনৰ আৱেগ-অনুভূতিবোৰৰ মূৰ্ত প্ৰকাশ কৰিছিল আৰু কেতিয়াবা ৰেখাচিত্ৰ অংকন কৰি সেইমতে কাঠত খোদাই কৰিছিল। নিজ বাসগৃহৰ ব্যক্তিগত কৰ্মশালাৰ লগতে অহৰ্নিশে শিল্পচৰ্চাত ব্ৰতী থকা হেলা দাস অসমৰ প্ৰথমগৰাকী ভাস্কৰ্য শিল্পী। তেওঁ অসম চাৰু কাৰু-কলা পৰিষদৰ এগৰাকী সদস্যা হিচাপে জড়িত থাকি শিল্পকলা সম্পৰ্কীয় বিভিন্ন কাৰ্যসূচীত অংশ লৈছিল।

হেলা দাস ১৯৭১ চনত গুৱাহাটীৰ ভৰলুমুখৰ ব্যৱসায়ী প্ৰণৱ কুমাৰ দাসৰ লগত বিবাহপাশত আবদ্ধ হয়। ১৯৭৫ আৰু ১৯৮২ চনত অসম চাৰু-কাৰু কলা পৰিষদৰ উদ্যোগত ৰাজ্যিক কলা বীথিকাত তেওঁৰ দুখন একক প্ৰদৰ্শনী অনুষ্ঠিত কৰা হয়। ১৯৭৭ চনত ঔদ্যোগিক প্ৰদৰ্শনীত ভাগ লোৱাৰ উপৰি অসম তথা দেশ-বিদেশৰ অনেক স্থানত শিল্পীগৰাকীৰ ভাস্কৰ্য প্ৰদৰ্শিত হৈছে। বদোদৰাৰ এম এছ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা কালত সম্মানীয় অধ্যাপক এছ এল বেন্দ্ৰা, অংশুমান পেটেল, কালীমুৰ আৰু শংখ চৌধুৰীৰ নিচিনা প্ৰখ্যাত শিল্পীসকলৰ সান্নিধ্য লাভ কৰিছে। বিশ্ববিদ্যালয়ৰ 'Best Word Worker' খিতাপো তেওঁ অৰ্জন কৰিছে। ২০১৫ চনত চিমলাত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কলা কৰ্মশালাত 'বেটী বচাও, বেটী পঢ়াও' শীৰ্ষক বৃহৎ আকাৰৰ কাঠৰ ভাস্কৰ্য নিৰ্মাণ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। সেই ভাস্কৰ্যটি ভাৰতৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত সংৰক্ষণ কৰি ৰখা হৈছে। ২০১২ চনত কেলিফৰ্নিয়াৰ কাৰ্ভাৰ গীল্ডৰ প্ৰদৰ্শনীত অংশগ্ৰহণ কৰি প্ৰথম পুৰস্কাৰ লাভ কৰি দেশলৈ সুনাম কঢ়িয়াই আনিছিল। তেওঁ কেলিফৰ্নিয়াকে ধৰি দেশৰ বিভিন্ন অনুষ্ঠানৰ দ্বাৰা আয়োজিত বিভিন্ন ভাস্কৰ্য প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিছে।

প্ৰকৃত শিল্পীৰ স্বীকৃতিস্বৰূপে অসম চৰকাৰে বিষ্ণু ৰাভা বঁটাৰে হেলা দাসক সন্মান জনায়। ইয়াৰ উপৰি তেওঁ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা সন্মান কঢ়িয়াই নিজৰ লগতে দেশখনকো ধন্য কৰিছে। শিল্পী হেলা দাসে জীৱনজুৰি অক্লান্তভাৱে শিল্পচৰ্চা কৰি যোৱা ১৫ অক্টোবৰ, ২০১৯ তাৰিখে ৭৫ বছৰ বয়সত ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যুক সাৱটি লয়।

যুগুত কৰোতা ঃ শিৱপ্ৰসাদ মাৰাৰ





বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱশৰ্মাক ২০১৭ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটাৰ চেক প্ৰদানৰ মুহূৰ্তত মুখ্যমন্ত্ৰী সোণোৱাল, বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, সাংস্কৃতিক মন্ত্ৰী নৱ দলে আৰু মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ

শ্ৰীমন্ত শংকৰদেৱ





ট্যুৰিজিম কনক্লেভ- ২০২০ ত অংশগ্ৰহণ কৰাৰ মুহূৰ্তত মুখ্যমন্ত্ৰী সোণোৱাল, পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্ম আৰু অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্তমল্ল বৰুৱা

শিলচৰ মেডিকেল কলেজত আই চি ইউ-ক'ভিড ৱাড
ড° হিমন্ত বিশ্ব শৰ্মা আৰু সাংসদ



গোলাঘাটত কৃত্ৰিম প্ৰজনন সেৱাৰ শুভাৰম্ভণি অনুষ্ঠানত ভাষণ প্ৰদান কৰাৰ মুহূৰ্তত কৃষিমন্ত্ৰী অতুল বৰা





অৰুন্ধতী স্বৰ্ণ আঁচনিৰ হিতাধিকাৰীক চেক প্ৰদানৰ মুহূৰ্তত মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী, ৰাজহমন্ত্ৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা আৰু বিশিষ্ট ব্যক্তিসকল



অসমৰ যুৱ প্ৰজন্মৰ জনপ্ৰিয় ইউটিউবাৰ আৰু ভিডিঅ' ব্লগাৰৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰী



ধুবুৰী জিলাৰ চাপৰ চাহ বাগিচাত বীৰচা মুণ্ডা ষ্টেডিয়ামৰ শুভ উদ্বোধনৰ মুহূৰ্তত মুখ্যমন্ত্ৰী

প্ৰয়াত ভাস্কৰ্য শিল্পী হেলা দাসৰ কেইটিমান ভাস্কৰ্যৰ আলোকচিত্ৰ



1 - Wood Curving



2 - Wood Curving



3 - Horses and Men, Wood, 90X20X15 cms

## শীঘ্ৰে এই ঘটনাৰ লগত জড়িত ষড়যন্ত্ৰকাৰীসকলক চিনাক্ত কৰি কৰায়ত্ত কৰিবলৈ মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশ

# আৰক্ষী উপ-পৰিদৰ্শকৰ লিখিত পৰীক্ষাত প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ বিতংভাৱে বুজ ল'লে মুখ্যমন্ত্ৰীয়ে


মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২১ ছেপ্টেম্বৰত নিশা নতুন দিল্লীৰ পৰা উভতি আহিয়েই মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসভৱনত আয়োজিত এক বৈঠকত ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ডৰ দ্বাৰা আৰক্ষীৰ উপ-পৰিদৰ্শকৰ লিখিত পৰীক্ষাৰ প্ৰশ্ন কাকত ফাদিলৰ ঘটনাৰ সবিশেষ বুজ লয়। বৈঠকত প্ৰশ্নকাকত ফাদিলৰ বিষয়টো বিতংভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এমাহৰ ভিতৰতে স্বচ্ছতাৰে পৰীক্ষা পুনৰ অনুষ্ঠিত কৰি শীঘ্ৰে ফলাফল ঘোষণা কৰিবলৈ ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ডৰ অধ্যক্ষক নিৰ্দেশ দিয়ে। ভৱিষ্যতে পৰীক্ষা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত এনেধৰণৰ কোনো বেমেজালি নোহোৱাটো সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে শীঘ্ৰে এই ঘটনাৰ ষড়যন্ত্ৰকাৰীসকলক চিনাক্ত কৰি কৰায়ত্ত কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়ে। বৈঠকত আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে আৰক্ষী বিভাগে এই ক্ষেত্ৰত ইতিমধ্যে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যসচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, গৃহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান ( আইন-শৃংখলা) জি পি সিং, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান হৰমিৎ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, আৰক্ষীৰ মহাপৰিদৰ্শক হীৰেণ নাথ, গৃহ বিভাগৰ আযুক্ত সচিব জি ডি ত্ৰিপাঠী, ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ডৰ অধ্যক্ষ প্ৰদীপ কুমাৰ উপস্থিত আছিল। উল্লেখ্য যে আৰক্ষী উপ-পৰিদৰ্শকৰ লিখিত পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ পিছতেই নতুন দিল্লীৰ পৰা মুখ্যমন্ত্ৰীয়ে এই কাৰ্যৰ লগত জড়িত থকা অপৰাধীক শীঘ্ৰে কৰায়ত্ত কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীক নিৰ্দেশ দিছিল। এই নিযুক্তি প্ৰক্ৰিয়া ব্যৰ্থ কৰাৰ বাবে ষড়যন্ত্ৰত লিপ্ত থকা চক্ৰটোক শীঘ্ৰে চিনাক্ত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে আৰক্ষী সঞ্চালকপ্ৰধানক নিৰ্দেশ দিছিল। ❑❑

# সমাজ কল্যাণ বিভাগত অনুকম্পামূলক নিযুক্তি




ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগে যোৱা ১৫ ছেপ্টেম্বৰত ১১গৰাকী লোকক তৃতীয় বৰ্গৰ সহায়ক পদত অনুকম্পামূলক নিযুক্তি প্ৰদান কৰে। উজান বজাৰস্থিত সমাজ কল্যাণ সঞ্চালকালয়ৰ সভাকক্ষত আয়োজিত নিযুক্তিপত্ৰ প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিভাগীয় মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্ম। মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত ৰাজ্য চৰকাৰে ৰাজ্যৰ শিক্ষিত নিবনুৱাসকলক সংস্থাপন দিবলৈ লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে বিশদ ব্যাখ্যা আগবঢ়ায়। ইফালে সমাজ কল্যাণ বিভাগে শীঘ্ৰে পুনৰ অনুকম্পামূলক নিযুক্তিৰ লগতে নিয়মীয়া নিযুক্তিৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা বুলি নিজৰ ভাষণত তেওঁ উল্লেখ কৰে। ২০০৬ চনৰ পিছত প্ৰায় ১৫ বছৰৰ মূৰত সমাজ কল্যাণ বিভাগত অনুকম্পামূলক নিযুক্তি প্ৰক্ৰিয়া হোৱাৰ কথা প্ৰকাশ কৰি মন্ত্ৰী ব্ৰহ্মই নিযুক্তিপ্ৰাপ্তসকলক সেৱাৰ মনোভাৱেৰে নিজৰ কাৰ্য সম্পাদন কৰিবলৈ কয়। বিভাগীয় সঞ্চালক দেৱলা দেৱী দাসৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা সভাখনতে শীঘ্ৰে সমাজ কল্যাণ বিভাগত পুণৰ ১৬ জনক অনুকম্পামূলক নিযুক্তি দিবলৈ বিভাগে ব্যৱস্থা গ্ৰহণ কৰাৰ কথাও সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰে। এই নিযুক্তিপত্ৰ বিতৰণ অনুষ্ঠানত বিভাগৰ সচিব প্ৰবীৰ কাকতি, যুটীয়া সচিব দেৱজিত খনিকৰকে ধৰি সঞ্চালকালয়ৰ সকলো শীৰ্ষ বিষয়াৰ লগতে কৰ্মচাৰীসকলো উপস্থিত থাকে। ❑❑

## অসমৰ যুৱ প্ৰজন্মৰ জনপ্ৰিয় ইউটিউবাৰ আৰু ভিডিঅ' ব্লগাৰৰ এটা প্ৰতিনিধি দলে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক



# নতুন ভাৰত গঢ়াৰ বাবে নতুন প্ৰজন্মই তথ্য-প্ৰযুক্তিৰ হাতত ধৰি আগবাঢ়িব লাগিব

অসমৰ যুৱ প্ৰজন্মৰ জনপ্ৰিয় ইউটিউবাৰ আৰু ভিডিঅ' ব্লগাৰৰ এটা প্ৰতিনিধি দলে যোৱা ২৩ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত প্ৰতিনিধি দলটোৰ সৈতে হোৱা সাক্ষাতৰ সময়ত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ইউটিউবাৰ আৰু ভিডিঅ' ব্লগাৰসকলক 'অসম আৱিষ্কাৰ'ৰ আহ্বান জনাই কয় যে নিজৰ ৰাজ্যখনৰ ভূগোল, বুৰঞ্জী, প্ৰাকৃতিক সৌন্দৰ্য, বৰ্ণিল ভাষা-সংস্কৃতি, লোককৃষ্টি, উৎসৱ, পৰম্পৰা, খাদ্য ৰীতি আদিৰ অনাৱিষ্কৃত দিশসমূহ আৱিষ্কাৰ কৰি সেইসমূহ ৰাজ্যৰ বাহিৰত প্ৰচাৰৰ মাধ্যমেৰে অসমৰ বিষয়ে এক সুস্পষ্ট ধাৰণা গঢ় দিয়াৰ বাবে ইউটিউবাৰসকলৰ বহুখিনি কৰণীয় আছে। আনন্দৰাম বৰুৱা, ড° ভূপেন হাজৰিকা, স্বামী বিবেকানন্দ আদি মহামনীষীসকলৰ উদাহৰণ দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ব্যক্তিসকলে সাত সাগৰ তেৰ নদীৰ সিপাৰলৈ কায়িকভাৱে ভ্ৰমণ কৰি দেশৰ সভ্যতা-সংস্কৃতিৰ ইতিবাচক বাৰ্তা বিশ্বৰ বুকুত প্ৰচাৰ কৰিছিল। একবিংশ শতিকাৰ তথ্য-প্ৰযুক্তিৰ উত্তৰণে এই কাম এতিয়া বেছি সহজ কৰি তুলিলে বুলি উল্লেখ কৰি এই মহান ব্যক্তিসকলৰ আদৰ্শৰে বিশ্বৰ বুকুত নিজৰ ৰাজ্য তথা দেশক ইতিবাচক ৰূপত পৰিচিত কৰাবলৈ ৰাজ্যখনৰ ইউটিউবাৰসকলৰ প্ৰতি তেওঁ আহ্বান জনায়। নিজৰ কষ্ট, সাধনা আৰু উপস্থাপন শৈলীৰে ১ মিলিয়ন পৰ্যন্ত অনুগামীৰ সৃষ্টি কৰিবলৈ সক্ষম হোৱা বাবে ৰাজ্যৰ জনপ্ৰিয় ইউটিউবাৰ আৰু ভিডিঅ' ব্লগাৰসকলক অভিনন্দন জনাই মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁলোকৰ এই সাফল্যই অসমীয়া যুৱ সমাজৰ মাজত নিহিত হৈ থকা অপাৰ শক্তিৰ কথাই প্ৰতিপন্ন কৰে। দেশৰ ইতিহাসত 'যুৱ শক্তিৰ দ্বাৰা নেতৃত্ব প্ৰদানকাৰী উন্নয়ন' (য়ুথ লেড ডেভেলপমেণ্ট) ৰ ধাৰণা প্ৰৱৰ্তন কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী বুলি উল্লেখ কৰি নতুন ভাৰত গঢ়াৰ বাবে নতুন প্ৰজন্মই তথ্য-প্ৰযুক্তিৰ হাতত ধৰি আগবাঢ়িব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্য চৰকাৰৰ জনকল্যাণকামী আঁচনিসমূহ আৰু ইতিবাচক কাম-কাজবোৰৰ বিষয়ে ৰাইজৰ মাজত প্ৰচাৰ কৰি সজাগতাৰ সৃষ্টি কৰিবলৈও তেওঁ ইউটিউবাৰসকলৰ প্ৰতি আহ্বান জনায়। মুখ্যমন্ত্ৰীক সাক্ষাতৰ সময়ত ইউটিউবাৰ আৰু ব্লগাৰসকলে তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন সমস্যা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ সমস্যাসমূহ সহৃদয়তাৰে বিবেচনা কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। হৃষীকেশ শৰ্মা, হিমাংশু শৰ্মা আৰু চয়ন আছুনয়নৰ নেতৃত্বত অহা প্ৰতিনিধি দলটোৰ সৈতে হোৱা এই আলোচনাৰ সময়ত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী উপস্থিত আছিল। এই সাক্ষাতৰ সময়ত ডিম্পু বৰুৱা, মীনাক্ষী গগৈ, ভূষণ পাঠক, ধনশ্ৰী বৈশ্য, চিত্ৰাশ্ৰী শইকীয়া, ৰেখা হীৰা, সমৰ বৰুৱা, ৰোহিত শৰ্মা, নিলোৎপল চলিহা, বিকাশ ছেত্ৰী, চিত্ৰৰঞ্জন, দেৱাশিস ডেকা, বিতোপন শইকীয়া, ভাস্কৰ দত্ত, সত্যম বৰকটকী আৰু ৰাব্বানী ছয়ামৰ দৰে ৰাজ্যখনৰ বহুকেইগৰাকী জনপ্ৰিয় ইউটিউবাৰ আৰু ভিডিঅ' ব্লগাৰে অংশগ্ৰহণ কৰে। এই আলোচনাত কেইগৰাকীও ইউটিউবাৰে ভাচুৱেল মাধ্যমৰ জৰিয়তেও অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ লগত মত বিনিময় কৰে। ❑❑

# ভ্ৰাম্যমাণ থিয়েটাৰৰ সমস্যাসমূহ সমাধানত সহযোগ আগবঢ়াব চৰকাৰে



## ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজক সন্থাৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক

ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজক সন্থাৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ যোৱা ১৮ ছেপ্টেম্বৰত ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজক তথা মালিকসকলে ক'ভিড-১৯সৃষ্ট এই জটিল পৰিস্থিতিৰ সময়ত ভ্ৰাম্যমাণ থিয়েটাৰৰ সন্মুখত আহি পৰা জটিল পৰিস্থিতিৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰাৰ লগতে তেওঁলোকৰ এই সমস্যাসম্বলিত এখন স্মাৰকপত্ৰও মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে ভ্ৰাম্যমাণ থিয়েটাৰে সন্মুখীন হোৱা সমস্যাসমূহ ৰাজ্য চৰকাৰে উপলব্ধি কৰাৰ লগতে এই সমস্যাসমূহ সমাধানৰ দিশত আন্তৰিকতাৰে সহায়-সহযোগ আগবঢ়াব বুলি প্ৰতিনিধিবৰ্গক আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অসমৰ সাংস্কৃতিক জীৱনৰ অন্যতম পৰিচয় তথা বহুসংখ্যক নিয়োজনৰ সুবিধাৰে সমৃদ্ধ ভ্ৰাম্যমাণ থিয়েটাৰে সন্মুখীন হোৱা বৰ্তমানৰ জটিল সমস্যাৰ লগতে ভৱিষ্যতে এই উদ্যোগটোক আগুৱাই নিয়াৰ দিশত তৎকালে পৰামৰ্শ প্ৰদানৰ বাবে প্ৰযোজক তথা চৰকাৰৰ আনুষংগিক বিভাগসমূহক সামৰি এখন সমিতি গঠন কৰাৰ বাবে নিৰ্দেশ প্ৰদান কৰে। এই সমিতিখনত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ আৰু বাণিজ্য, স্বাস্থ্য, বিত্ত ইত্যাদিৰ দৰে চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহৰ প্ৰতিনিধি থকাৰ উপৰি ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজকসকলৰ প্ৰতিনিধিও অন্তৰ্ভুক্ত হ'ব। এই সমিতিখনে ভ্ৰাম্যমাণ থিয়েটাৰে বৰ্তমান সন্মুখীন হোৱা জটিল পৰিস্থিতি তথা ভ্ৰাম্যমাণ থিয়েটাৰসমূহ ভৱিষ্যতে শক্তিশালী ৰূপত চলাই নিয়াৰ দিশত ফলপ্ৰসূ তথা হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদীপৰামৰ্শ প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে ভ্ৰাম্যমাণ থিয়েটাৰক অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বাবে পঞ্জীয়নৰ দিশতো চালি-জাৰি চোৱাৰ বাবে উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত সচিব ড° কে কে দ্বিবেদীৰ সৈতে প্ৰযোজকসকলৰ এখন বৈঠক অনুষ্ঠিত কৰাৰ বাবেও নিৰ্দেশ দিয়ে। প্ৰযোজক সন্থাৰ প্ৰতিনিধিসকলে আয়ুক্ত সচিবগৰাকীৰ সৈতে অন্তৰ্ভুক্তিকৰণৰ চৰ্তাৱলী পূৰণৰ দিশতো পুংখানপুংখভাৱে

আলোচনাৰ বাবে এক বৈঠকত মিলিত হ'ব। এই আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে সাম্প্ৰতিক সময়ত সমগ্ৰ বিশ্বৰ লগতে অসমেও ক'ৰনাসৃষ্ট জটিল পৰিস্থিতিৰ সৈতে যুঁজ দিবলগীয়া হৈছে। এই দিশত চৰকাৰখনে যথেষ্ট জটিলতাৰে সমস্যাসমূহৰ সৈতে মোকাবিলা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ভ্ৰাম্যমাণ থিয়েটাৰ যিহেতু অসমৰ সাংস্কৃতিক তথা সমাজ জীৱনৰ অবিচ্ছেদ্য অংগ, সেয়েহে এই উদ্যোগে সন্মুখীন হোৱা সমস্যাসমূহ ৰাজ্য চৰকাৰে ভালদৰে অনুধাৱন কৰিব পাৰিছে। চৰকাৰে ভ্ৰাম্যমাণ থিয়েটাৰ উদ্যোগটোৰে সন্মুখীন হোৱা সমস্যাসমূহ আন্তৰিকতাৰে গ্ৰহণ কৰিছে আৰু এই দিশত যথাসম্ভৱ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই বৈঠকত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তীৰ লগতে বিশিষ্ট অভিনেতা যতীন বৰা, কহিনুৰ থিয়েটাৰৰ তপন লহকৰ, আৱাহন থিয়েটাৰৰ প্ৰস্তুতি পৰাশৰ, প্ৰাগজ্যোতিষ থিয়েটাৰৰ দীপ দাস, হেঙুল থিয়েটাৰৰ সংকল্পজিৎ হাজৰিকা, নয়নতৰা থিয়েটাৰৰ নৱ দাস, ভাগ্যদেৱী থিয়েটাৰৰ সুবোধ মজুমদাৰ, ইতিহাস থিয়েটাৰৰ সুভাষ দাস, সুদৰ্শন থিয়েটাৰৰ প্ৰযোজক তথা ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰযোজক সন্থাৰ সম্পাদক ক্ষীৰোদ খনিকৰ, সূৰুয থিয়েটাৰৰ মনোজ বৰগোহাঁই, সূৰ্য থিয়েটাৰৰ মুনীন্দ্ৰ বৰ্মন, নটসূৰ্য থিয়েটাৰৰ জগদীশ গগৈৰ লগতে ৰাজতিলক তথা বৃন্দাবন থিয়েটাৰক প্ৰতিনিধিত্ব কৰা দীপক কলিতা আৰু জয়ন্ত কাকতিয়ে অংশগ্ৰহণ কৰে। ❏❏





## বিশ্ব বাঁহ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ মুখ্যমন্ত্ৰী সোণোৱালৰ




# বিশ্বৰ বজাৰ দখলৰ ক্ষেত্ৰত অসমৰ চাহৰ দৰে অসমৰ বাঁহৰো বৃহৎ সম্ভাৱনীয়তা আছে ঃ মুখ্যমন্ত্ৰী

উদ্ভাৱনীমূলক আৰু বিজ্ঞানসন্মত পদ্ধতি গ্ৰহণেৰে ৰাজ্যখনত উৎপাদিত বাঁহৰ বাণিজ্যিক সম্ভাৱনীয়তাৰ সুযোগ গ্ৰহণৰ বাবে আগবাঢ়ি আহিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ কৃষক আৰু উদ্যোগীসকলক আহ্বান জনাইছে। বাঁহ আৰু বেত নীতি গ্ৰহণেৰে ৰাজ্যৰ অৰ্থনীতিত এই খণ্ডক গুৰুত্ব প্ৰদান কৰাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰা পদক্ষেপৰ সুযোগ ল'বলৈও তেওঁ কৃষক-উদ্যোগীসকলৰ প্ৰতি আহ্বান জনাইছে। অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ উদ্যোগত ৰাজ্যিক বাঁহ উন্নয়ন সংস্থা আৰু বাঁহ প্ৰযুক্তি উদ্যান ছয়গাঁৱৰ সৌজন্যত যোৱা ১৮ ছেপ্টেম্বৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত বিশ্ব বাঁহ দিৱস উদ্‌যাপনৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই আহ্বান জনায়। তেওঁ লগতে বাঁহৰ পৰা উৎপাদিত সামগ্ৰীৰ মানসন্মত উৎপাদনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে বাঁহ সদায়ে আমাৰ সামাজিক জীৱনৰ এক অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈ আহিছে। যদিও ৰাজ্যখনত প্ৰাকৃতিকভাৱে যথেষ্ট পৰিমাণৰ বাঁহৰ উৎপাদন হয়, ইয়াক পূৰ্বে কেতিয়াও বাণিজ্যিক দিশৰ পৰা চোৱা হোৱা নাছিল। বিজ্ঞান আৰু প্ৰযুক্তিক্ষেত্ৰৰ অগ্ৰগতিৰ লগে লগে বাঁহৰ বাণিজ্যিক সম্ভাৱনীয়তাৰ দিশতো ৰাইজ সজাগ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। বাঁহ আৰু বাঁহজাতীয় সামগ্ৰীৰ বিশ্বত প্ৰায় ৬০ বিলিয়ন ডলাৰৰো অধিক মূল্যৰ এখন বজাৰ আছে বুলি উল্লেখ কৰি উদ্ভাৱনীমূলক ধাৰণা প্ৰয়োগেৰে বাঁহৰ পৰা সামগ্ৰী উৎপাদনৰ দিশত গুৰুত্ব আৰোপ কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যৰ উদ্যোগীসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে বিশ্বত ব্যাপক সমাদৰ থকা এনে সামগ্ৰীৰ ৰপ্তানিৰ দিশত ৰাজ্যখনে যথেষ্ট লাভ আহৰণৰ সুযোগ গ্ৰহণ কৰিব পাৰে। বিশ্বৰ বজাৰ দখলৰ ক্ষেত্ৰত অসমৰ চাহৰ দৰে অসমৰ বাঁহৰো এক বৃহৎ সম্ভাৱনীয়তা আছে বুলি উল্লেখ কৰি ৰাজ্যৰ বাঁহ খেতিয়ক আৰু সংশ্লিষ্ট খণ্ডৰ উদ্যোগীসকললৈ প্ৰয়োজনীয় সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াবলৈ তেওঁ ৰাজ্যিক বাঁহ উন্নয়ন সংস্থাৰ বিষয়ববীয়াসকলৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ বিকাশৰ ইঞ্জিন হিচাপে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ব্যাপক সম্ভাৱনীয়তাৰ কথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পূৰ্বে আৱিষ্কাৰ কৰিছিল। প্ৰধানমন্ত্ৰীগৰাকীৰ সক্ৰিয় পদক্ষেপৰ বাবেই পূৰ্বৰ বনজ সম্পদৰ সলনি বাঁহক বৰ্তমান ঘাঁহ হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। এই পদক্ষেপে বাঁহ আৰু বাঁহৰ পৰা উৎপাদিত সামগ্ৰীৰ উৎপাদন,

সৰবৰাহ আৰু বিপণন সহজসাধ্য কৰি তুলিছে বুলিও তেওঁ মন্তব্য কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে মানসম্পন্ন বাঁহৰ উৎপাদন আৰু বাঁহ উদ্যোগীসকলক সহযোগিতা প্ৰদানেৰে ৰাজ্যৰ কৃষকসকলৰ উৎপাদন দুগুণলৈ বৃদ্ধিৰ দিশত থকা মুখ্যমন্ত্ৰীৰ সপোনক সাকাৰ ৰূপ দিয়াৰ বাবে ৰাজ্যিক বাঁহ উন্নয়ন সংস্থাই আন্তৰিকতাৰে কাম কৰি আহিছে। উন্নত জাতৰ বাঁহৰ উৎপাদনৰ বাবে ৰাজ্যত কলাকৰ্ষণ পদ্ধতি ইতিমধ্যেই সূচনা কৰাৰ লগতে ৰাজ্যখনৰ বৃহৎ এলেকাত শীঘ্ৰে মানসম্পন্ন বাঁহ ৰোপণৰ কাম আৰম্ভ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। উদ্যোগ মন্ত্ৰীগৰাকীয়ে কয় যে বাঁহ আজিৰ যুগত 'সেউজ সোণ' হিচাপে পৰিগণিত হৈছে আৰু সেইবাবে ৰাজ্য চৰকাৰে ইয়াৰ সম্ভাৱনাক উপযুক্ত প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কয় যে দেশৰ দুই-তৃতীয়াংশ বাঁহ উত্তৰ-পূৰ্বাঞ্চলত উৎপাদন হয়। ইয়াৰ ভিতৰত ৩০ শতাংশ অসমত উৎপাদন হয়। তদুপৰি ইতিমধ্যে কাম আৰম্ভ হোৱা নুমলীগড় শোধনাগাৰৰ বায়' ফুৱেল প্লাণ্ট কাৰ্যক্ষম হৈ উঠাৰ লগে লগে ৰাজ্যখনত পাঁচ লাখ মেট্ৰিকটন বাঁহৰ চাহিদাৰ সৃষ্টি হ'ব। বাঁহৰ বৰ্জিত পদাৰ্থসমূহৰ দ্বাৰা যাতে আৰ্থিক লাভ আদায় কৰিব পৰা যায়, তাৰ বাবেও এক ৰোডমেপ যুগুত কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। ৰাজ্যৰ বাঁহজাতীয় সামগ্ৰীসমূহ আৰু হস্তশিল্পসমূহৰ ই-বিপণনৰ বাবে ফ্লিপকাৰ্টৰ সৈতে ইতিমধ্যে এক বুজাবুজিৰ চুক্তিত ৰাজ্য চৰকাৰে স্বাক্ষৰ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে অৱগত কৰে। অনুষ্ঠানত উপস্থিত থকা বিশ্বৰ আগশাৰীৰ বাঁহ উদ্যোগী কামেছ ছালামে তেওঁৰ ভাষণ প্ৰসংগত কয় যে বিশ্বৰ বাঁহ উদ্যোগটো লাহে লাহে চীনৰ বজাৰৰ বহিৰ্মুখী হৈছে, সেয়ে এই খণ্ডত ব্যাপক বিনিয়োগৰ সম্ভাৱনাই গা কৰি উঠিছে। তেওঁ কয় যে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত উপলব্ধ বাঁহৰ পৰা উৎপাদিত সামগ্ৰীসমূহৰ অধিকাংশই অসমৰ। অৱশ্যে ৰাজ্যখনত বাঁহৰ খেতি পদ্ধতিগতভাৱে কৰা নহয়, সেয়েহে অসমৰ বাঁহৰ মান বিশেষ উন্নত নহয় আৰু ইয়াৰ ৮০ শতাংশই ব্যৱহাৰৰ উপযোগী নহয় বুলি তেওঁ মন্তব্য কৰে। চৰকাৰে এই খণ্ডত থকা সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি উন্নত মানৰ বাঁহ উৎপাদনৰ বাবে যথোচিত পদক্ষেপ লোৱাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে কামেছ ছালাম ২০০৯ চনত বিশ্ব বাঁহ সংস্থাৰ সভাপতি হৈ থকাৰ সময়ত থাই ৰয়েল বন বিভাগে ২০০৯ চনৰ ১৮ ছেপ্টেম্বৰত বেংককত বিশ্ব বাঁহ দিৱসৰ কথা ঘোষণা কৰিছিল।

মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত অসম বাঁহ উন্নয়ন সংস্থাৰ ল'গৰ লগতে এটা ৱেবছাইটো মুকলি কৰে। তেওঁ বাঁহ খেতিয়ক আৰু বাঁহ উদ্যোগীসকলৰ সৈতেও মত বিনিময় কৰে। অনুষ্ঠানত বিশ্ব বাঁহ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা প্ৰতিযোগিতাৰ বিজয়ীসকলক মুখ্যমন্ত্ৰীয়ে পুৰস্কাৰ প্ৰদান কৰে। এই অনুষ্ঠানতে অসম বাঁহ উন্নয়ন সংস্থাই 'চাইকেল পিউৰ অগৰবাটি'ৰ সৈতে এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। অসম বাঁহ উন্নয়ন সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া ডিম্পী বৰাই অসম বাঁহ আৰু বেত নীতিৰ লগতে এই খণ্ডৰ বিকাশৰ বাবে লোৱা বিভিন্ন পদক্ষেপ আলোকপাত কৰি এক প্ৰেজেণ্টেচন আগবঢ়ায়। উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত সচিব কে কে দ্বিবেদীয়ে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত পি চি চি এফ এ এম সিং, এআইডিচিৰ উপাধ্যক্ষ জিতু তালুকদাৰ, এআইডিচিৰ পৰিচালন সঞ্চালক ঐনাম চৰণ সিং আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। ❑❑



## কৃষি বিভাগৰ বিভিন্ন আঁচনি ৰূপায়ণৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ



# কৃষি বিভাগে আঁচনিসমূহ ৰূপায়ণৰ দিশত সক্ৰিয় তথা ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ থলুৱা মচলা উৎপাদন বৃদ্ধি, জৈৱিক কৃষি, উন্নত মানৰ বীজ উৎপাদন, বহুমুখী কৃষি পদ্ধতি অৱলম্বনৰ জৰিয়তে ৰাজ্যখনৰ সামগ্ৰিক কৃষি উৎপাদন বৃদ্ধিৰ দিশত সক্ৰিয় পদক্ষেপ গ্ৰহণৰ বাবে কৃষি বিভাগৰ প্ৰধান সচিবক নিৰ্দেশ দিয়ে। যোৱা ১৬ ছেপ্টেম্বৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনত থলুৱা মচলা, জৈৱিক কৃষি, বহুমুখী কৃষি পদ্ধতি ইত্যাদিৰ দিশত উপযুক্ত গুৰুত্ব প্ৰদান কৰি এইসমূহৰ উৎপাদন বৃদ্ধিৰে বিপণনৰ দিশত ৰাজ্যখনৰ কৃষি খণ্ডক এক শক্তিশালী মাত্ৰা প্ৰদান কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদক এই কৃষিজাত সামগ্ৰীসমূহৰ ফলপ্ৰসূ তথা সক্ৰিয় ব্যৱস্থা গ্ৰহণৰ বাবে বিভাগৰ জৰিয়তে যথোচিত পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে।

২০২২ চনৰ ভিতৰত কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে কৃষি বিভাগে আঁচনিসমূহ ৰূপায়ণৰ দিশত সক্ৰিয় তথা ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ বাবে কৃষি যান্ত্ৰিকীকৰণ আৰু চাহিদা আৰু যোগানৰ মাজত থকা ব্যৱধান হ্ৰাস কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ট্ৰেক্টৰ বিতৰণ প্ৰক্ৰিয়াৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে আঁচনিখন ৰূপায়ণৰ দায়িত্বত থকা ছ'চাইটীক ইয়াৰ বাবে ধাৰ্য কৰা নীতি-নিৰ্দেশনা অনুসৰি হিতাধিকাৰীসকললৈ ট্ৰেক্টৰ প্ৰদানৰ পদক্ষেপ ক্ষিপ্ৰভাৱে ল'বলৈও নিৰ্দেশ দিয়ে। সৌৰ পাম্পৰ সৈতে অগভীৰ নলীনাদ বিতৰণ সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে বিভাগক এই বিতৰণ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। বহুমুখী কৃষি পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগৰ প্ৰধান সচিবগৰাকীক ঘৰুৱা প্ৰয়োজন পূৰণ কৰাৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহৰ চাহিদা পূৰণ কৰিব পৰাকৈ উদ্যান শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগৰ প্ৰধান সচিবগৰাকীক ৰাজ্যখনৰ কৃষক সমাজে তেওঁলোকৰ কৃষিজাত সামগ্ৰীৰ ন্যূনতম সমৰ্থিত মূল্য যাতে নিশ্চিতভাৱে লাভ কৰিব পাৰে আৰু তেওঁলোকৰ কৃষিজাত সামগ্ৰী বিক্ৰীৰ দিশত এই সমৰ্থিত মূল্যৰ পৰা যাতে কোনো কাৰণতে বঞ্চিত হ'ব নালাগে তাৰ বাবে উপযুক্ত পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। কৃষকসকলৰ মাজত প্ৰতিযোগিতামুখী বাতাৱৰণ সৃষ্টিৰ দিশত তেওঁলোকৰ দক্ষতাৰ উন্নয়নৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে চৰকাৰী আঁচনিসমূহৰ ৰূপায়ণৰ বাবে লক্ষ্য লোৱা হিতাধিকাৰীসকলক এই আঁচনিসমূহৰ জৰিয়তে সম্পূৰ্ণৰূপে সামৰি লোৱাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। বহুমুখী কৃষি পদ্ধতি অৱলম্বনৰে কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা আৰু অধিক উন্নত কৰাৰ বাবে ফলপ্ৰসূ পদক্ষেপ ল'বলৈও বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই পৰ্যালোচনা বৈঠকত কৃষিমন্ত্ৰী অতুল বৰা,মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, কৃষি বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদকে ধৰি বিভাগৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ❑❑

## অসমৰ চলচ্চিত্ৰ জগতলৈ আশাৰ ৰেঙনি কঢ়িয়াই ন-পুৰণি ছবিঘৰ নিৰ্মাণৰ ৰাজসাহায্য প্ৰদান আঁচনি শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ



# প্ৰবল ইচ্ছাশক্তি থাকিলে এই সমাজখনক আমি বিশ্বৰ বুকুত এক শক্তিশালী সমাজ হিচাপে গঢ়ি তুলিব পাৰো

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৬ ছেপ্টেম্বৰত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত ৰাজ্য চৰকাৰৰ উদ্যোগত প্ৰথমবাৰৰ বাবে নতুনকৈ চলচ্চিত্ৰ গৃহ নিৰ্মাণ, পুৰণি তথা বন্ধ হৈ থকা চলচ্চিত্ৰ গৃহসমূহৰ মেৰামতি তথা পুনৰ্নিৰ্মাণৰ বাবে হিতাধিকাৰীসকলৰ মাজত ৰাজসাহায্যৰ চেক আনুষ্ঠানিকভাৱে প্ৰদান কৰে। উল্লেখ্য যে এই আঁচনি অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত উন্নয়ন নিগম পৰিসীমিতৰ জৰিয়তে ৰূপায়ণ কৰা হৈছে। এই আঁচনিত নতুন চলচ্চিত্ৰ গৃহ নিৰ্মাণৰ শিতানত পাঁচটা আৰু পুৰণি চিত্ৰগৃহৰ পুনৰ্নিৰ্মাণৰ শিতানত পাঁচটা চিত্ৰগৃহ বাছনি কৰা হৈছে। সেইদিনা বিত্তীয় সাহায্য লাভ কৰা নতুন চিত্ৰগৃহ নিৰ্মাণৰ হিতাধিকাৰীসকল হ'ল ক্ৰমে তেজপুৰৰ জোনাকী চিনেমা হল, গুৱাহাটীৰ কেলভিন চিনেমা হল, বঙাইগাঁৱৰ জলিমেক্স চিনেমা হল, টংলাৰ ছায়া চিনেমা হল আৰু নগাঁৱৰ পি জি এণ্টাৰপ্ৰাইজৰ দ্বাৰা নিৰ্মিত চিনেমা হল। তদুপৰি পুৰণা তথা বন্ধ হৈ থকা চিত্ৰগৃহৰ পুনৰ্নিৰ্মাণ তথা মেৰামতিৰ কাৰণে বিত্তীয় সাহায্য লাভ কৰা চিনেমা হলকেইটা হ'ল ক্ৰমে বৰপেটাৰ ইন্দ্ৰপুৰী চিনেমা হল, গুৱাহাটীৰ অনুৰাধা চিনে কমপ্লেক্স, লখিমপুৰৰ নক্ষত্ৰ চিনেমা হল, বঙাইগাঁৱৰ মায়াপুৰী চিনেমা হল, নাজিৰাৰ নাজিৰা বোলছবি কো-অপাৰেটিভ ছ'চাইটী। উল্লেখ্য যে নতুন চিনেমা হল নিৰ্মাণৰ ক্ষেত্ৰত ২৫ শতাংশ অথবা উৰ্ধ্বতম ৭৫ লাখ টকা চৰকাৰে বহনৰ ব্যৱস্থা কৰিছে। পুৰণা হল মেৰামতিৰ বাবে উৰ্ধ্বতম ২৫ লাখ টকা আৰু বন্ধ হৈ থকা চিনেমা হল পুনৰ মুকলিৰ বাবে উৰ্ধ্বতম ৫০ লাখ টকাৰ আৰ্থিক সাহায্য চৰকাৰে বহনৰ ব্যৱস্থা কৰিছে। ইয়াৰে ৪০ শতাংশ ধন ইতিমধ্যে মোকলাই দিয়া হৈছে। এই অনুদানে অসমীয়া চলচ্চিত্ৰ গৃহৰ তথা বোলছবি প্ৰদৰ্শনৰ দিশত দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান কৰিব বুলি আশা কৰা হৈছে। চলচ্চিত্ৰ গৃহ নিৰ্মাণ তথা নৱীকৰণৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমীয়া সমাজখন সংস্কৃতিৰ পূজাৰী, যিখন সমাজে বৃহত্তৰ অসমীয়া সমাজখনক সাংস্কৃতিকভাৱে এক শক্তিশালী সমাজ হিচাপে গঢ়ি তোলাৰ দিশত অতীজৰে পৰা প্ৰয়াস চলাই আহিছে। অসমৰ বৰাক-



ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ বৃহত্তৰ সমাজখনক মানৱীয় প্ৰমূল্যবোধেৰে শক্তিশালী কৰিব লাগিলে সেয়া সাংস্কৃতিক আন্দোলনৰ জৰিয়তেহে সম্ভৱ। সাংস্কৃতিকভাৱে শক্তিশালী সমাজত সদায় শান্তি বিৰাজমান হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ইত্যাদিৰ দৰে বৰেণ্য শিল্পীসকলে আগবঢ়োৱা অৱদানৰ বাবেহে বিশ্বৰ বুকুত আমি শক্তিশালীভাৱে অৱতীৰ্ণ হৈ থকাৰ সাংস্কৃতিক উপাদান লাভ কৰিছো বুলি কয়। আমাৰ সমাজখন কেতিয়াও দুৰ্বল সমাজ নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰবল ইচ্ছা শক্তি থাকিলে এই সমাজখনক আমি বিশ্বৰ বুকুত এক শক্তিশালী সমাজ হিচাপে গঢ়ি তুলিব পাৰো। বিশ্বৰ বুকুত অসমৰ বহুসংখ্যক কৃতী সন্তানে উল্লেখযোগ্য সফলতা লাভ কৰি দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ কয়। অসমৰ ৩ কোটি ৫০ লাখ জনসাধাৰণৰ মাজত বহু প্ৰতিভা লুকাই আছে বুলি উল্লেখ কৰি এই প্ৰতিভাসমূহ উদ্ভাসিত কৰাৰ বাবে সকলোৱে মিলিত প্ৰচেষ্টা ল'ব লাগিব বুলিও তেওঁ কয়। এই প্ৰতিভাসমূহ উলিয়াই আনিব লাগিলে আমি উচিত পৰিকল্পনা আৰু পদক্ষেপেৰে আগবাঢ়িব লাগিব বুলিও তেওঁ কয়। বৰ্তমানৰ চৰকাৰখনে ২০১৬ চনৰ পৰাই শিল্পীসমাজক উৎসাহিত কৰাৰ বাবে বিভিন্ন শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰে আঁচনি, নীতি, পৰিকল্পনা ইত্যাদি কৰিলেও ইয়াৰ সফলতা বহুলাংশে শিল্পীসমাজৰ ওপৰত নিৰ্ভৰশীল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বিশ্বজয় কৰাৰ বাবে নৱ প্ৰজন্মক আকৰ্ষিত কৰাৰ দিশতো শিল্পীসমাজে অগ্ৰণী ভূমিকা পালন কৰিব লাগিব। অসমীয়া সমাজত উৎকৃষ্ট সম্পদ আৰু সম্ভাৱনা আছে বুলি উল্লেখ কৰি এই দিশত নৱ প্ৰজন্মই গুৰুত্ব আৰোপ কৰি বিশ্বৰ বুকুত প্ৰতিষ্ঠা কৰাৰ বাবে নিষ্ঠাসহকাৰে কৰ্মত ব্ৰতী হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দৰ্শকে কেনেধৰণৰ ৰুচিসন্মত চলচ্চিত্ৰৰ প্ৰতি আকৰ্ষিত হয় সেই দিশত গুৰুত্ব আৰোপেৰে চলচ্চিত্ৰ নিৰ্মাণত শিল্পীসমাজ ব্ৰতী হ'ব লাগিব বুলিও তেওঁ কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কাঞ্চনজংঘা, ৰত্নাকৰ, ভিলেজ ৰকষ্টাৰে চলচ্চিত্ৰপ্ৰেমীৰ অন্তৰ জিনিবলৈ সক্ষম হৈছে বুলিও কয়।

বৰ্তমানৰ চৰকাৰখন শিল্পীসমাজৰ প্ৰতি যথেষ্ট শ্ৰদ্ধাশীল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসমৰ চলচ্চিত্ৰ উদ্যোগক কেনেদৰে ভাৰতবৰ্ষৰ এক উল্লেখযোগ্য উদ্যোগলৈ পৰিৱৰ্তন কৰিব পৰা যায় তাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছে বুলিও কয়। মুম্বাইৰ বাহিৰত গুৱাহাটীতে প্ৰথমবাৰৰ বাবে ফিল্ম ফেয়াৰৰ দৰে উল্লেখযোগ্য অনুষ্ঠান সফলতাৰে অনুষ্ঠিত হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, চলচ্চিত্ৰ নিৰ্মাণৰ বাবে সুন্দৰ লোকেচন ইত্যাদিৰ পৰ্যাপ্ততাৰ বিষয়ে বলিউডৰ পৰিচালকসকলে সম্যক অভিজ্ঞতা লাভৰ বাবে পদক্ষেপ লোৱা হৈছে বুলিও তেওঁ কয়। চলচ্চিত্ৰ উদ্যোগৰ বাবে সাংস্কৃতিক বিভাগে লোৱা এই পদক্ষেপৰ বাবে বিভাগটোক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে শিল্পীসমাজক ভৱিষ্যতে চৰকাৰখনে কেনেধৰণে পদক্ষেপ লোৱা উচিত সেই বিষয়ে দিহা-পৰামৰ্শ জনাবলৈও আহ্বান জনায়। ৰাজ্যখনক শিক্ষা, সংস্কৃতি, বিজ্ঞান, প্ৰযুক্তি, ক্ৰীড়া ইত্যাদি সকলো দিশতে আগুৱাই নিয়াৰ দিশত শিল্পী সমাজে অনুপ্ৰেৰণা যোগাব লাগিব বুলিও উল্লেখ কৰি ক'ভিড-১৯ সম্পৰ্কত স্বাস্থ্য বিভাগে প্ৰদান কৰা নিয়মাৱলীসমূহ যথাৰ্থভাৱে জনসাধাৰণে পালন কৰাৰ দিশত শিল্পীসমাজক জনসচেতনতা সৃষ্টিৰ দিশত শক্তিশালী পদক্ষেপ ল'বলৈও তেওঁ আহ্বান জনায়। উঠি অহা প্ৰজন্মৰ মাজত ইতিবাচক দৃষ্টিভংগী গঢ় দি সমাজত প্ৰতিষ্ঠিত কৰাৰ দিশতো শিল্পীসমাজক অগ্ৰণী ভূমিকা ল'বলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী তথা অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগমৰ অধ্যক্ষ নৱ কুমাৰ দলে আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কন্যা জ্ঞানশ্ৰী পাঠকেও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগমৰ উপাধ্যক্ষ অভিজিত নাথৰ উপৰি বহু সংখ্যক শিল্পী, সাংস্কৃতিক কৰ্মী উপস্থিত থাকে। ❐❐

# ক'ভিডক ভেটিবলৈ ১০০০ নাৰ্ছ, ২১৫ আই চি ইউ টেকনিচিয়ানক নিযুক্তি স্বাস্থ্য বিভাগৰ



গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰেক্ষাগৃহত যোৱা ১৪ ছেপ্টেম্বৰত আয়োজিত এটা অনুষ্ঠানত নতুনকৈ ১০০০ ষ্টাফ নাৰ্ছ আৰু ২১৫ গৰাকী আই চি ইউ টেকনিচিয়ানক নিযুক্তিপত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানত এই নিযুক্তিপত্ৰসমূহ বিতৰণ কৰে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই উপলক্ষে দিয়া ভাষণত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে আছাম ক্ৰিটিকেল কেয়াৰ প্ৰগ্ৰেমৰ অধীনত ২৫০ কোটি ব্যয় সাপেক্ষে প্ৰতিখন জিলা হাস্পাতালত আই চি ইউ স্থাপনৰ পদক্ষেপ লোৱা হৈছে। বৰ্তমান ২১খন জিলা হাস্পাতালত আই চি ইউ স্থাপনৰ কাম কৰা হৈছে। এই কামৰ বাবে ভাৰত চৰকাৰৰ পৰা ১৪০ কোটি টকা লাভ কৰিছে। বাকী টকা ব্যয় কৰিব অসম চৰকাৰে। আই চি ইউ স্থাপনৰ লগতে আই চি ইউৰ চিকিৎসক, টেকনিচিয়ানৰ বাবে আৱাস স্থাপন আৰু যন্ত্ৰপাতি ক্ৰয়ৰ নিবিদা ইতিমধ্যে আহ্বান কৰা হৈছে। অহা এমাহৰ ভিতৰত আই চি ইউ নাৰ্ছ নিয়োগৰ ব্যৱস্থা কৰা হ'ব। সেইদৰে ৩৪ জন চিকিৎসক নিযুক্তি দিয়া হৈছে আছাম ক্ৰিটিকেল কেয়াৰ প্ৰ'গ্ৰেমৰ অধীনত। এই অনুষ্ঠানটোত নিযুক্তিপত্ৰ বিতৰণ কৰা আই চি ইউ টেকনিচিয়ানসকলক জিলা পৰ্যায়ৰ হাস্পাতালত আই চি ইউ স্থাপন সম্পূৰ্ণ নোহোৱা পৰ্যন্ত মেডিকেল কলেজৰ আই চি ইউত প্ৰশিক্ষণ দিয়া হ'ব। জিলা হাস্পাতালত আই চি ইউ স্থাপন হৈ উঠিলে তেওঁলোকক সংশ্লিষ্ট স্থানত নিয়োগ কৰা হ'ব। জিলা হাস্পাতালসমূহত আই চি ইউ স্থাপন হৈ উঠিলে অহা ১০ বছৰলৈ অসমত আৰু নতুনকৈ আই চি ইউ স্থাপন কৰিবলগীয়া নহ'ব। ভাষণত মন্ত্ৰীগৰাকীয়ে আৰু কয় যে গুৱাহাটীত মহেন্দ্ৰ মোহন চৌধুৰী হাস্পাতাল আৰু কালাপাহাৰ হাস্পাতালক লৈ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ দিশে অগ্ৰসৰ হৈছে স্বাস্থ্য বিভাগ। অহা ডিচেম্বৰ মাহৰ আগতেই গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হ'ব। মহেন্দ্ৰ মোহন চৌধুৰী হাস্পাতালৰ ৩৩ বিঘা মাটিত ৮০০ কোটি টকা ব্যয় সাপেক্ষে বাৰমহলীয়া বৃহৎ অট্টালিকা নিৰ্মাণ কৰা হ'ব। এইখন চিকিৎসা মহাবিদ্যালয় হাস্পাতাল পূৰ্বোত্তৰ ভাৰতৰ ভিতৰতে বৃহৎ হাস্পাতাল হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে এই হাস্পাতালত লিভাৰ, কিডনী আদি ট্ৰেন্সপ্লেণ্টৰ ব্যৱস্থা থাকিব। তদুপৰি কালাপাহাৰ হাস্পাতালৰ পৰা মহেন্দ্ৰ মোহন চৌধুৰী হাস্পাতাললৈ ৫-৬ মিনিটৰ ভিতৰতে আহিব পৰা ফাষ্ট ট্ৰেক পথ নিৰ্মাণ কৰিবলৈও গড়কাপ্তানী বিভাগক নিৰ্দেশ দিয়া বুলি তেওঁ জানিবলৈ দিয়ে। জি এম ছি এইচৰ ছুপাৰ স্পেচিয়েলিটী হাস্পাতালখন অহা বিহুৰ আগে আগে উদ্বোধন কৰিব পৰা যাব বুলি আশা ব্যক্ত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে লখিমপুৰ মেডিকেল কলেজ হাস্পাতালত অহা নৱেম্বৰ মাহৰ পৰা অ' পি ডি সেৱা আৰম্ভ হ'ব। অহা ৬-৭ মাহৰ ভিতৰত ধুবুৰী, নগাঁও, নলবাৰী আৰু তিনিচুকীয়া মেডিকেল কলেজে প্ৰাণ পাই উঠিব বুলিও তেওঁ আশা ব্যক্ত কৰে। সম্প্ৰতি ৰাজ্যৰ ২০ খন হাস্পাতালত কিডনী ডায়েলেচিছ চলি থকাৰ বিষয়ে জানিবলৈ দি তেওঁ আৰু কয় যে অহা ডিচেম্বৰ মাহৰ ভিতৰত আৰু দহখন হাস্পাতালত ডায়েলেচিছৰ ব্যৱস্থা কৰা হ'ব। ❑❑



স্পাইচ জেটে উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যলৈ আৰম্ভ কৰিলে কাৰ্গ' বিমান সেৱা

# স্পাইচ জেটৰ কাৰ্গ' বিমান সেৱাই ৰাজ্যৰ কৃষকৰ সপোন বাস্তৱায়িত কৰিব ঃ মুখ্যমন্ত্ৰী




অসমকে ধৰি উত্তৰ-পূবৰ আমদানি-ৰপ্তানি ক্ষেত্ৰলৈ নতুন সম্ভাৱনা কঢ়িয়াই দেশৰ আগশাৰীৰ বিমান পৰিবহণ সংস্থা স্পাইচ জেটে যোৱা ১৬ ছেপ্টেম্বৰত উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যলৈ কাৰ্গ' বিমান সেৱা মুকলি কৰে। এই উপলক্ষে গুৱাহাটীৰ হোটেল তাজ ভিভাণ্টাত অনুষ্ঠিত এক কাৰ্যসূচীত অংশগ্ৰহণ কৰি স্পাইচ জেটৰ এই পদক্ষেপে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত অসম তথা উত্তৰ-পূবৰ কৃষকসকলৰ সপোন বাস্তৱায়িত কৰিব বুলি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়। এই পদক্ষেপৰ জৰিয়তে স্পাইচ জেটে অসমকে ধৰি মণিপুৰ, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰালৈ ১৪খন নতুন কাৰ্গ' বিমানৰ সেৱা আৰম্ভ কৰে। স্পাইচ জেটৰ কাৰ্গ' বিমানসেৱা মুকলিৰ দিনটোক বিশেষ গুৰুত্বপূৰ্ণ দিন বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এতিয়াৰে পৰা এই অঞ্চলৰ কৃষকসকলে নিজৰ উৎপাদিত সামগ্ৰী নিজৰ ৰাজ্যৰ বাহিৰলৈ ৰপ্তানি কৰাৰ ক্ষেত্ৰত বিশেষ সুবিধা লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত ৩৭ লাখৰো অধিক কৃষক পৰিয়াল আছে। ৰাজ্যৰ এই কৃষক পৰিয়ালসমূহে নিজকে স্বাৱলম্বী কৰাৰ লগতে ৰাজ্যৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰাত উল্লেখযোগ্য বৰঙনি আগবঢ়াই আহিছে। এই কাৰ্গ' সেৱাৰ আৰম্ভণিয়ে কৃষকসকলৰ বাবে নতুন




সুবিধা আৰু সম্ভাৱনাৰ সৃষ্টি কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই অঞ্চলৰ সম্পদ আৰু সম্ভাৱনাসমূহ আৱিষ্কাৰ কৰি এইসমূহক নতুন গতি প্ৰদান কৰিবলৈ পদক্ষেপ লৈছে। এই পদক্ষেপৰ অংশ হিচাপে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত যাতায়াত ব্যৱস্থাৰ দ্ৰুত উন্নয়ন সম্ভৱ হৈছে। স্পাইচ জেটে আৰম্ভ কৰা এই কাৰ্গ' বিমান সেৱা এই পদক্ষেপসমূহৰে অন্যতম বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক 'অষ্টলক্ষ্মী' বুলি অভিহিত কৰাৰ লগতে এই অঞ্চলক দেশৰ বিকাশৰ 'নতুন ইঞ্জিন'ৰূপে গঢ়িবলৈ নিষ্ঠাৰে কাম কৰিছে বুলিও মুখ্যমন্ত্ৰী সোণোৱালে কয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে এই কাৰ্গ' বিমান সেৱাৰ আৰম্ভণিয়ে 'আত্মনিৰ্ভৰ ভাৰত'ৰ লক্ষ্য বাস্তৱায়িত কৰাৰ দিশতো বহুখিনি অৰিহণা যোগাব। মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰে এতিয়াৰে পৰা স্থানীয় কৃষিজাত সামগ্ৰীসমূহৰ উপযুক্ত বজাৰ সৃষ্টি কৰিবলৈ অধিক সজোৰে প্ৰচেষ্টা চলাব আৰু শীঘ্ৰে এই সামগ্ৰীসমূহে বিশ্বৰ বজাৰ দখল কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে আৰম্ভণিৰে পৰা দক্ষিণ-পূব এছিয়াৰ লগতে বাংলাদেশ আৰু ভূটানৰ সৰ্বমুঠ ৮০ কোটি জনসাধাৰণক লক্ষ্য কৰি ৰাজ্যখনত শক্তিশালী বজাৰ গঢ় দিবলৈ পদক্ষেপ লৈ আহিছে। স্পাইচ জেটৰ কাৰ্গ' বিমান সেৱাই এই পদক্ষেপক অধিক ত্বৰান্বিত কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ পূৰ্বে নদীপথেদি অসমে আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ ৰাজ্যত উৎপাদিত সামগ্ৰী প্ৰেৰণ কৰিব পাৰিছিল যদিও পৰৱৰ্তী সময়ত এই পথ বন্ধ হৈ পৰে। অৱশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ পদক্ষেপৰ ফলত বাংলাদেশৰ চট্টগ্ৰাম বন্দৰলৈকে যাতায়াত ব্যৱস্থা পুনৰ মুকলি হৈছে। আনহাতে স্পাইচ জেটৰ এই পদক্ষেপে এক নতুন দিগন্তৰ সূচনা কৰিলে। মুখ্যমন্ত্ৰীয়ে এই সুযোগৰ সুবিধা গ্ৰহণ কৰি কৃষি অৰ্থনীতি সবল কৰি তোলাৰ বাবে ৰাজ্যৰ উঠি অহা প্ৰজন্মক কৃষিকৰ্মত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে স্পাইচ জেটৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক অজয় সিঙক অসমৰ কৃষি অৰ্থনীতিক নতুন গতি দিয়াৰ উদ্দেশ্যে গ্ৰহণ কৰা এই পদক্ষেপৰ বাবে বিশেষভাৱে ধন্যবাদ জনায়। এই অনুষ্ঠানত অসামৰিক বিমান পৰিবহণ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী হৰদ্বীপ সিং পুৰী আৰু স্পাইচ জেটৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক অজয় সিঙে ভাৰ্চুৱেল মাধ্যমেদি অংশগ্ৰহণ কৰি এই পদক্ষেপ সম্পৰ্কে বক্তব্য প্ৰদান কৰে। অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও অনুষ্ঠানত ভাষণ প্ৰদান কৰে। অনুষ্ঠানত লাহোৱাল সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱাৰ লগতে স্পাইচ জেটৰ মুখ্য বিপণন বিষয়া দেৱজু মহৰ্ষি অনুষ্ঠানত উপস্থিত থাকে। ❑❑

# ৰাজ্য চৰকাৰে প্ৰতিটো জাতি-জনগোষ্ঠীৰ সম-উন্নয়ন আৰু সম-মৰ্যাদাৰ বাবে কাম কৰি আহিছে




## ‘অসম দৰ্শন’ আঁচনিৰ অধীনত আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৫ ছেপ্টেম্বৰত হোজাই জিলাৰ লামডিঙত ‘অসম দৰ্শন’ আঁচনিৰ অধীনত কালীবাৰী আৰু শীতলাবাৰী মন্দিৰৰ আন্তঃগাঁথনিগত উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে ‘অসম দৰ্শন’ আঁচনিৰ অধীনত দুয়োটা মন্দিৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰত্যেককে ১০ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। আনহাতে, লামডিং নামঘৰত সেৱা আগবঢ়াই তাত উপস্থিত থকা ভক্তগণক সম্বোধি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমৰ মঠ-মন্দিৰ, সত্ৰ-দেৱালয়সমূহৰ বিকাশ আৰু সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰে ‘অসম দৰ্শন’ আঁচনিৰ অধীনত আৰ্থিক সাহায্য আগবঢ়াইছে। স্বাধীনতাৰ ৭০ বছৰ পিছত প্ৰথমবাৰৰ বাবে এনে ধৰণৰ আঁচনি গ্ৰহণ কৰা হৈছে। সামাজিক-সাংস্কৃতিক আৰু আধ্যাত্মিক উন্নয়নৰ বাবে পূৰ্বৰ চৰকাৰসমূহে এনে-ধৰণৰ আঁচনি গ্ৰহণ কৰাৰ নজিৰ নাই। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱন চহকী কৰি থৈ গৈছে। মহাপুৰুষগৰাকীৰ সৃষ্টিৰাজিৰ মাজেৰে প্ৰবাহিত ভক্তিৰসৰ মাজত মানৱীয় অনুভূতি বিচাৰি পোৱা যায়। মহাপুৰুষগৰাকীয়ে যি বাণী অৰ্পণ কৰি গৈছে তাৰ আধাৰত আমি এখন শক্তিশালী অসম নিৰ্মাণ কৰিব লাগিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে ২০১৬ চনৰ পৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ সম-উন্নয়ন আৰু সম-মৰ্যাদাৰ বাবে কাম কৰি আহিছে। আমাৰ মাজত থকা শক্তি, সম্পদ আৰু সম্ভাৱনাক উজলাই তুলিবলৈ হ’লে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। কৰ্মৰ জৰিয়তে এখন আদৰ্শ ৰাজ্য গঢ়ি তুলিব লাগিব। মুখ্যমন্ত্ৰীয়ে গুৰুজনাই দি যোৱা বাণীৰে শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ সমাজ নিৰ্মাণ কৰিবলৈ সকলোকে আহ্বান জনায়। কৰ’না ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে ৰাজ্যৰ স্বাস্থ্য বিভাগে দিয়া নীতি-নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে মাস্ক পৰিধান নকৰিলে, সামাজিক দূৰত্ব বজাই নাৰাখিলে বিপদত পৰিব। সামাজিক দায়বদ্ধতাৰে স্বাস্থ্য বিধি মানি চলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত বিধায়কসকল ক্ৰমে শিবু মিশ্ৰ, শিলাদিত্য দেৱ, ৰূপক শৰ্মা, ডিম্বেশ্বৰ দাস, অসম চেম্বাৰ্চ অৱ কমাৰ্চৰ অধ্যক্ষ ৰূপম গোস্বামী, হোজাই জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। □□



মৈত্ৰী আঁচনিৰ অধীনত লামডিং আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱনৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন

# সততা আৰু নিষ্ঠাৰে কাম কৰি আৰক্ষী জনসাধাৰণৰ মিত্ৰ হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৫ ছেপ্টেম্বৰত মৈত্ৰী আঁচনিৰ অধীনত লামডিং আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱনৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আমাৰ ৰাজ্যখন পূৰ্বৰ অসম হৈ থকা নাই। ২০১৬ চনৰ পৰা বৰ্তমানলৈকে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বাবে ৰাইজৰ মানসিকতাৰ পৰিৱৰ্তন সাধন হৈছে। আধুনিক প্ৰতিযোগিতামুখী যুগৰ সৈতে সমানে আগুৱাই যোৱাৰ মানসিকতা গঢ় লৈ উঠিছে। ২০১৬ চনৰ পৰা বিভিন্ন অপশক্তিয়ে কূট-কৌশল ৰচনা কৰিছিল যদিও ৰাইজে তাক প্ৰতিহত কৰি শান্তিপূৰ্ণ সহাৱস্থানেৰে এখন শক্তিশালী অসম নিৰ্মাণৰ যাত্ৰাত অৱতীৰ্ণ হৈছে। অসমৰ সামাজিক জীৱনত যি নতুন পৰিৱৰ্তন আহিছে সেয়া হৈছে সমন্বয়। মৈত্ৰী আঁচনিৰ জৰিয়তে থানাসমূহ আধুনিক ৰূপত গঢ়ি তোলা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰা আৰু আধুনিক প্ৰযুক্তিৰে চাইবাৰ ক্ৰাইমৰ লেখীয়া অপৰাধ ৰোধ কৰাৰ বাবে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে অকল শান্তি-শৃংখলা ৰক্ষাৰ দায়িত্বতে নহয়, আৰক্ষীয়ে সামাজিক দায়বদ্ধতাৰো পৰিচয় দাঙি ধৰিছে। লকডাউনৰ সময়ছোৱাত আৰ্তজনলৈ সহায়ৰ হাত আগবঢ়াই আৰক্ষীয়ে সেৱাৰ মানসিকতাৰ পৰিচয় দাঙি ধৰিছে। প্লাজমা দানৰ লেখীয়া পদক্ষেপেৰে আৰক্ষী বাহিনীয়ে জনতাৰ বন্ধু হিচাপে পৰিচয় দাঙি ধৰিছে। সততা, নিষ্ঠাৰে সেৱা আগবঢ়াই ৰাইজৰ মিত্ৰ হ'ব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষী বাহিনীৰ লোকে ২৪ ঘণ্টাই কাম কৰাৰ মানসিকতাৰে নিজৰ কৰ্ম পথাৰত মনোনিৱেশ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ বাবে যি আহ্বান জনাইছে সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰেও আত্মনিৰ্ভৰশীল অসম গঢ়াৰ যাত্ৰাত অৱতীৰ্ণ হৈছে। তেওঁ লগতে কয় যে দুৰ্নীতিমুক্ত অসম গঢ়াৰ বাবে ৰাজ্য চৰকাৰে যি লক্ষ্যৰে কাম কৰিছিল সেই ক্ষেত্ৰত সফলতা লাভ কৰিছে। কৰ'না ভাইৰাছ আমাৰ সকলোৰে বাবে অগ্নি পৰীক্ষা বুলি উল্লেখ কৰি ইয়াক সজাগ-সচেতনতাৰে আৰু স্বাস্থ্য বিধি মানি চলি পৰাভূত কৰিব লাগিব। মধ্য মণ্ডলৰ উপ আৰক্ষী মহাপৰিদৰ্শক সত্যৰাজ হাজৰিকাই আদৰণী ভাষণ দিয়া এই অনুষ্ঠানত লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ আৰু আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তয়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধায়কসকল ক্ৰমে শিলাদিত্য দেৱ, ৰূপক শৰ্মা, ডিম্বেশ্বৰ দাস, অসম চেম্বাৰ্ছ অব কমাৰ্চৰ অধ্যক্ষ ৰূপম গোস্বামী, হোজাই জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ অনিৰ্ধাৰিত পুঁজিৰে নিৰ্মাণ কৰিবলগীয়া লামডিং মাছ বজাৰৰো আধাৰশিলা স্থাপন কৰে। ❑❑

# যশৱন্ত সিং, আনোৱাৰা টাইমুৰ, কপিলা বাৎসায়নকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ মৃত্যুত শোকপ্ৰকাশ মুখ্যমন্ত্ৰীৰ

বিগত দিনকেইটাত দেশখনৰ লগতে ৰাজ্যখনৰো কেইবাগৰাকীও ব্যক্তিৰ দেহাৱসান ঘটে। ৰাজনীতি, সংস্কৃতি, সাহিত্য আদি বিভিন্ন ক্ষেত্ৰলৈ তেওঁলোকৰ অৱদানৰ কথা সুঁৱৰি শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বৰ্ষীয়ান ৰাজনৈতিক যশৱন্ত সিঙৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিশিষ্ট ৰাজনীতিবিদ যশৱন্ত সিঙৰ বিয়োগত দেশৰ ৰাজনীতিৰ এটা যুগৰ অৱসান ঘটিল। সমাজনীতি, অৰ্থনীতি, প্ৰতিৰক্ষা, বৈদেশিক পৰিক্ৰমা আদি বিভিন্ন ক্ষেত্ৰত অগাধ পাণ্ডিত্যৰ অধিকাৰী এইগৰাকী নমস্য ৰাজনীতিবিদে দীৰ্ঘসময়ৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ মন্ত্ৰালয়ৰ দায়িত্বভাৰ দক্ষতাৰে পৰিচালনা কৰিছিল। ভাৰতীয় সেনাৰ এগৰাকী বীৰ সেনানী হিচাপেও দেশমাতৃলৈ সেৱা আগবঢ়োৱা প্ৰয়াত যশৱন্ত সিঙে এগৰাকী দক্ষ কূটনীতিবিদ হিচাপে দেশৰ বৈদেশিক নীতি গ্ৰহণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। সংসদীয় ৰাজনীতিৰ এইগৰাকী পুৰোধা ব্যক্তিৰ বিয়োগ আমাৰ দেশৰ ৰাজনৈতিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰী সোণোৱালে।

অসমৰ প্ৰাক্তন তথা একমাত্ৰ মহিলা মুখ্যমন্ত্ৰী, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, বিশিষ্ট শিক্ষাবিদ, বৰ্ষীয়ান ৰাজনীতিবিদ চৈয়দা আনোৱাৰা টাইমূৰৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চাৰি দশকৰো অধিক কালজোৰা ৰাজনৈতিক জীৱনত চৈয়দা আনোৱাৰা টাইমূৰে ৰাজ্যখনৰ ৰাজনীতি আৰু সমাজ জীৱনলৈ অমূল্য বৰঙনি আগবঢ়াই গৈছে। চাৰিটাকৈ কাৰ্যকালৰ বাবে বিধায়ক হিচাপে বিধানসভালৈ নিৰ্বাচিত হোৱা প্ৰয়াত টাইমূৰে অসমৰ প্ৰথম আৰু বৰ্তমানলৈকে একমাত্ৰ মহিলা মুখ্যমন্ত্ৰী হিচাপে ৰাজ্যখনলৈ সেৱা আগবঢ়াইছিল। পৰৱৰ্তী সময়ত তেওঁ ৰাজ্যসভালৈ সাংসদ হিচাপে নিৰ্বাচিত হোৱাৰ লগতে অসম চৰকাৰৰ গড়কাপ্টানী, কৃষি আদি বিভাগৰ এগৰাকী মন্ত্ৰী হিচাপে দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি ৰাজ্যৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে বৰঙনি আগবঢ়াই গৈছে। এগৰাকী শিক্ষাবিদ হিচাপেও তেওঁ ৰাজ্যৰ শৈক্ষিক উত্তৰণৰ বাবে কাম কৰি গৈছে। তেওঁৰ বিয়োগ আমাৰ ৰাজনৈতিক, শৈক্ষিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত চৈয়দা আনোৱাৰা টাইমূৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

ভাৰতৰ সাংস্কৃতিক আৰু সমাজ জীৱনৰ উজ্জ্বল নক্ষত্ৰ, পদ্মবিভূষণ, শংকৰদেৱ বঁটাপ্ৰাপক কপিলা বাৎসায়নৰ বিয়োগত এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে এইগৰাকী মনীষীয়ে বৃহত্তৰ ভাৰতৰ সমাজ জীৱনৰ বিভিন্ন দিশলৈ যি অনবদ্য সেৱা আগবঢ়াই গ'ল সেয়া সমগ্ৰ ভাৰতবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ভাৰতীয় কলা-সংস্কৃতি আৰু ভাৰতীয় নৃত্যৰ উত্তৰণৰ দিশত এইগৰাকী পুৰোধা ব্যক্তিয়ে বিশিষ্ট অৱিহণা আগবঢ়াই গৈছে। সংগীত নাটক একাডেমী তথা বহুসংখ্যক প্ৰতিষ্ঠানৰ বিভিন্ন পদবী অলংকৃত কৰি তেওঁ এই প্ৰতিষ্ঠানসমূহৰ জৰিয়তেও অনবদ্য সেৱা আগবঢ়াই গৈছে। মেগছেছে বঁটা, সংগীত নাটক একাডেমী, ইউনেস্ক' বঁটা ইত্যাদিৰ দৰে বিৰল সন্মানপ্ৰাপ্ত এইগৰাকী মনীষীয়ে অসম চৰকাৰে প্ৰদান কৰা শংকৰদেৱ বঁটাৰেও সন্মানিত হৈছিল। বৃহত্তৰ ভাৰতৰ সমাজলৈ বলিষ্ঠ বৰঙনি যোগোৱা এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি কয় মুখ্যমন্ত্ৰীয়ে।

বিশিষ্ট কণ্ঠশিল্পী, সুৰকাৰ, অভিনেতা বিভূৰঞ্জন চৌধুৰীৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰি এক শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰীয়ে কয় যে জীৱন কালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত বিভূৰঞ্জন চৌধুৰীয়ে ৰাজ্যখনৰ সাংস্কৃতিক জীৱনলৈ যি বৰঙনি আগবঢ়াই গ'ল সেয়া সমগ্ৰ ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। চলচ্চিত্ৰ, নাটক, অনাতাঁৰ কেন্দ্ৰৰ সৈতে জড়িত এইগৰাকী শিল্পীয়ে অসমীয়া সংগীতক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। প্ৰয়াত শিল্পীগৰাকীয়ে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত থাকি নৱপ্ৰজন্মৰ শিল্পীসকলক আগুৱাই নিয়াৰ লগতে বিভিন্ন অৱদানেৰে আমাৰ সাংস্কৃতিক জীৱনধাৰাক চহকী কৰি থৈ গৈছে বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে।

বিশিষ্ট শিক্ষাবিদ, বি বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক, 'অসম কেশৰী' অম্বিকাগিৰী ৰায়চৌধুৰীৰ পুত্ৰ ভগগিৰী ৰায়চৌধুৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ৰায়চৌধুৰীয়ে আমাৰ বিদ্যায়তনিক, বৌদ্ধিক

তথা সাহিত্যৰ দিশলৈ যি অনবদ্য সেৱা আগবঢ়াই গ'ল সেয়া সমগ্ৰ ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী বিশিষ্ট শিক্ষাবিদ তথা ঐতিহ্যমণ্ডিত বি বৰুৱা মহাবিদ্যালয়ত প্ৰাক্তন অধ্যাপক হিচাপে তেওঁ বিদ্যায়তনিক দিশত শক্তিশালী বৰঙনি যোগাই গৈছে। এগৰাকী বিশিষ্ট কবি, নিবন্ধকাৰ তথা স্তম্ভলেখক হিচাপে পৰিচিত প্ৰয়াত ৰায়চৌধুৰীয়ে কেইবাখনো কবিতা পুথি, শিশু উপন্যাস ইত্যাদি ৰচনা কৰি আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। তদুপৰি সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে প্ৰয়াত চৌধুৰীয়ে ওতপ্ৰোতভাৱে জড়িত থাকি বিশিষ্ট সেৱা আগবঢ়াই গৈছে।

বিশিষ্ট সমাজকৰ্মী, ৰাজনীতিবিদ, ৰথীন্দ্ৰ ভট্টাচাৰ্যৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ৰথীন্দ্ৰ ভট্টাচাৰ্যই আমাৰ সমাজ জীৱনলৈ যি সেৱা আগবঢ়াই গ'ল তাক সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী ৰাজনীতিবিদ হিচাপে তেওঁ সাংগঠনিক দক্ষতা দেখুৱাই থৈ গৈছে। কৰিমগঞ্জ জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ বাবে সেৱাৰ মানসিকতাৰে তেওঁ কাম কৰি গৈছে।

বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, বুৰঞ্জীবিদ, ক্ৰীড়া সংগঠক, ৰাজনীতিবিদ, সমাজকৰ্মী তথা মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বীৰেন্দ্ৰ কুমাৰ গগৈৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মৰাণ অঞ্চলৰ কেইবাখনো শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি অঞ্চলটোৰ বিদ্যায়তনিক দিশৰ উন্নয়নৰ বাবে তেওঁ যথেষ্ট বৰঙনি আগবঢ়াই গৈছে। এগৰাকী বিশিষ্ট বুৰঞ্জীবিদ, ক্ৰীড়া সংগঠক আৰু ৰাজনীতিৰ ক্ষেত্ৰখনৰ লগত জড়িত ব্যক্তি হিচাপে তেওঁ সংশ্লিষ্ট ক্ষেত্ৰসমূহলৈ অমূল্য বৰঙনি আগবঢ়াই গৈছে।

বিশিষ্ট লোকশিল্পী, ঢোলৰ ওজা তৰুণ বৰাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰয়াত বৰাই আমাৰ লোক সংস্কৃতিৰ জগতখনলৈ যি অনবদ্য বৰঙনি আগবঢ়াই গ'ল সেয়া স্মৰণীয় হৈ ৰ'ব। এগৰাকী প্ৰসিদ্ধ ঢোলৰ শিল্পী হিচাপে তেওঁ অসমীয়া লোক সংস্কৃতিক বিশেষ মাত্ৰা প্ৰদান কৰি গৈছে। তদুপৰি তেজপুৰৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত থাকিও তেওঁ বিশিষ্ট সেৱা আগবঢ়াই গৈছে। ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা সুদক্ষ খেলুৱৈ নাজনীন ফাৰুকৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰয়াত নাজনীন ফাৰুকে ৰাজ্যখনৰ সমাজ জীৱনলৈ যি বৰঙনি আগবঢ়াই গ'ল সেয়া সমগ্ৰ ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ৰাজ্যসভাৰ এগৰাকী সাংসদ হিচাপে তেওঁ যথেষ্ট সেৱা আগবঢ়োৱাৰ উপৰি এগৰাকী সুদক্ষ খেলুৱৈ হিচাপেও আমাৰ ক্ৰীড়া জগতলৈ বৰঙনি আগবঢ়াই গৈছে।

অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী তথা বাঘবৰ সমষ্টিক তিনিবাৰকৈ প্ৰতিনিধিত্ব কথা প্ৰাক্তন বিধায়ক দিলদাৰ ৰেজ্জাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰয়াত ৰেজ্জাই অসম চৰকাৰৰ এগৰাকী মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই গৈছে। প্ৰয়াত ৰেজ্জাই বাঘবৰ সমষ্টিৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি বিশেষ অৰিহণা আগবঢ়াই গৈছে। প্ৰয়াত লোকসকলৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে মুখ্যমন্ত্ৰীয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদন জ্ঞাপন কৰে। ❑❑

# কৃষি বিভাগৰ বিশেষ আঁচনি



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখন শাসনলৈ অহাৰ পিছৰ পৰাই ৰাজ্যৰ কৃষক ৰাইজৰ উন্নতিৰ হকে চিন্তা-চৰ্চা কৰি কাম-কাজ অব্যাহত ৰাখিছে। কৃষকসকলৰ কল্যাণৰ উদ্দেশ্যে ৰাজ্য চৰকাৰখনে কেইবাখনো ধ্বজাবাহী আঁচনি ৰূপায়ণ কৰিছে। আত্মনিৰ্ভৰ অসমৰ লক্ষ্যক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্য আগত লৈ চৰকাৰে কৃষিখণ্ডৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। শেহতীয়াকৈ ৰাজ্য চৰকাৰে কৃষকসকলৰ অধিক উৎপাদন আৰু সমৃদ্ধিৰ প্ৰতিশ্ৰুতিৰে 'পূব ভাৰতত সেউজ বিপ্লৱৰ সূচনা ২০১৯-২০' শীৰ্ষক এক আঁচনি ৰূপায়ণ কৰিছে। উক্ত আঁচনিৰ অধীনত কৃষক ৰাইজলৈ ৰোটাভেটৰ, ধানৰ কঠীয়া ৰোৱা যন্ত্ৰ আৰু ধানৰ মৰণামৰা যন্ত্ৰ ৰাজসাহায্যৰ জৰিয়তে আগবঢ়োৱা হ'ব। উল্লেখ্য যে উক্ত 'পূব ভাৰতত সেউজ বিপ্লৱৰ সূচনা ২০১৯-২০' আঁচনিৰ অধীনত ৰাজ্যখনৰ প্ৰতিখন জিলাৰ কৃষক ৰাইজলৈ কৃষি কৰ্মৰ বাবে প্ৰয়োজনীয় বিভিন্ন যন্ত্ৰ ৰাজসাহায্যৰ জৰিয়তে আগবঢ়োৱা হৈছে। ৰাজসাহায্যৰ পৰিমাণ এনেধৰণৰ—

— ৬ আৰু ৭ ফুটৰ ৰোটাভেটৰত ৫০ শতাংশ বা ৪৪,৮০০-৪৭,৬০০ টকা।

— ধানৰ কঠীয়া ৰোৱা যন্ত্ৰত ৫০ শতাংশ বা সৰ্বোচ্চ ১.৫ লাখ টকা।

— ধানৰ মৰণামৰা যন্ত্ৰত ৫০ শতাংশ বা সৰ্বোচ্চ ১ লাখ টকা।

প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰে কৃষক ৰাইজে লাভ কৰিবলগীয়া এই সুবিধাৰ বাবে জিলা কৃষি বিষয়া/মহকুমা কৃষি বিষয়া কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰক। ❑❑

*সৰ্বানন্দ সোণোৱাল হৈছে ৰাজ্যখনৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী যিয়ে বাস্তৱিক অৰ্থত বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ মিলনক সফল ৰূপ দিব পাৰিছে। বিগত চৰকাৰৰ আমোলত বৰাক উপত্যকাখন উপেক্ষিত হৈ ৰৈছিল। কিন্তু কথা আৰু কামৰ মাজত মিল ৰখা এই চৰকাৰৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিগত বছৰকেইটাত বৰাক উপত্যকালৈ কুৰিৰো অধিকবাৰ ভ্ৰমণ কৰি অঞ্চলটোৰ উন্নয়নৰ বুজ লৈছে। যিটো এই অঞ্চলটোৰ বাবে এক অভিলেখ হিচাপে পৰিগণিত হৈছে। আজিৰ মুখ্যমন্ত্ৰী সোণোৱালে কেৱল বৰাক উপত্যকা ভ্ৰমণেই কৰা নাই তেওঁ অঞ্চলটোৰ ৰাস্তা-ঘাটৰ অৱস্থা পৰ্যবেক্ষণ কৰাৰ লগতে এই উপত্যকাৰ সৰ্বাংগীণ কল্যাণৰ বাবেও সচেষ্ট হৈছে। এই চৰকাৰখনৰ আমোলত প্ৰথমবাৰৰ বাবে বৰাক উপত্যকাৰ বাবে অ'এছ ডি পদ সৃষ্টি কৰা হৈছে।*

# সোণোৱালৰ নেতৃত্বত বিকাশৰ পথেৰে অসম



**শেখৰ দে**

সৌ সিদিনালৈকে সন্ত্ৰাসজৰ্জৰিত হৈ থকা অসমখনলৈ শান্তিৰ পৰিৱেশ ঘূৰি আহিছে। বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত প্ৰবাহিত হৈছে উন্নয়নৰ ধাৰা। অথচ কিছুদিন আগলৈকে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে সন্ত্ৰাসবাদৰ দপদপনিত এক অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। বাৰুদৰ গোন্ধ আৰু গিৰিপ-গাৰাপ বুটৰ শব্দত আতংকই ঘেৰি ধৰিছিল এই সূৰ্য উঠা দেশখনক। দুঃস্বপ্নৰ সেই দিনবোৰ এতিয়া অতীত হৈছে। আজিৰ বৰাক উপত্যকা উন্নয়নৰ দিশেৰে আগবাঢ়িছে। বিজেপি নেতৃত্বাধীন সৰ্বানন্দ সোণোৱাল চৰকাৰখন ক্ষমতালৈ অহাৰ পিছৰ পৰাই ৰাজ্যখনত প্ৰবাহিত হৈছে উন্নয়নৰ ধাৰা। মুখ্যমন্ত্ৰী সোণোৱালৰ বলিষ্ঠ নেতৃত্বৰ ফলত অপশক্তিৰ দমন হৈছে। সন্ত্ৰাসবাদীৰ প্ৰৰোচনাত নিৰীহ যুৱক-যুৱতীসকলে এসময়ত হাতত তুলি লৈছিল মাৰণাস্ত্ৰ। সেই সময়ৰ ৰাজনিতীকসকলে দেশদ্ৰোহীৰ শক্তিক তোষণৰ নামত উদগনি যোগাইছিল। যাৰ পৰিণামস্বৰূপে সন্ত্ৰাসবাদী আৰু অনুপ্ৰৱেশকাৰীৰ বিচৰণক্ষেত্ৰত পৰিণত হৈছিল বহু ভাষা-সংস্কৃতিৰ মিলনভূমি এই অসম দেশ। সেই সময়ৰ ৰাজনৈতিক অপশাসনত অতিষ্ঠ হৈ ৰাজ্যৰ জনসাধাৰণে ক্ষমতাৰ পৰিৱৰ্তন ঘটাই সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনক ৰাজ্যত অধিষ্ঠিত কৰায়। সোণোৱাল চৰকাৰ ক্ষমতালৈ আহিয়ে সঁচা অৰ্থত বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ মাজত সেতু বন্ধন সুদৃঢ় কৰাৰ প্ৰয়াস চলায়। তেওঁৰ নেতৃত্বতে নামঘৰ, মঠ-মন্দিৰ আৰু কাজিৰঙাৰ ভূমি অবৈধ দখলমুক্ত কৰা হয়। প্ৰথমবাৰৰ বাবে ৰাজ্যখনৰ জনসাধাৰণে সোণোৱালৰ ৰূপত এগৰাকী ব্যতিক্ৰমী মুখ্যমন্ত্ৰীক দেখিবলৈ পায়। এইগৰাকী মুখ্যমন্ত্ৰীয়ে সমগ্ৰ অসমখনকে নিজৰ পৰিয়াল আৰু এই ৰাজ্যৰ



প্ৰতিজন নাগৰিককে নিজৰ আত্মীয় বুলি ওচৰ চপাই আনিছে। বৰ্তমানৰ চৰকাৰখনে প্ৰথমবাৰৰ বাবে ৰাজ্যবাসীৰ সৰ্বাংগীণ কল্যাণৰ বাবে বহুমুখী প্ৰকল্প গ্ৰহণ কৰি কাম কৰি গৈছে। অসমৰ উন্নয়নৰ স্বাৰ্থত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল তথা ৰাজ্যখনৰ বিত্ত, স্বাস্থ্য, শিক্ষা, লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হাতে হাতে ধৰি কাম কৰি গৈছে।

সৰ্বানন্দ সোণোৱাল হৈছে ৰাজ্যখনৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী যিয়ে বাস্তৱিক অৰ্থত বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ মিলনক সফল ৰূপ দিব পাৰিছে। বিগত চৰকাৰৰ আমোলত বৰাক উপত্যকাখন উপেক্ষিত হৈ ৰৈছিল। কিন্তু কথা আৰু কামৰ মাজত মিল ৰখা এই চৰকাৰৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিগত বছৰকেইটাত বৰাক উপত্যকালৈ কুৰিৰো অধিকবাৰ ভ্ৰমণ কৰি অঞ্চলটোৰ উন্নয়নৰ বুজ লৈছে। যিটো এই অঞ্চলটোৰ বাবে এক অভিলেখ হিচাপে পৰিগণিত হৈছে। আজিৰ মুখ্যমন্ত্ৰী সোণোৱালে কেৱল বৰাক উপত্যকা ভ্ৰমণেই কৰা নাই তেওঁ অঞ্চলটোৰ ৰাস্তা-ঘাটৰ অৱস্থা পৰ্যবেক্ষণ কৰাৰ লগতে এই উপত্যকাৰ সৰ্বাংগীণ কল্যাণৰ বাবেও সচেষ্ট হৈছে। এই চৰকাৰখনৰ আমোলত প্ৰথমবাৰৰ বাবে বৰাক উপত্যকাৰ বাবে অ' এছ ডি পদ সৃষ্টি কৰা হৈছে। দিছপুৰত থকা চৰকাৰখনৰ সৈতে বৰাকৰ মানুহৰ যোগসূত্ৰ আৰু অধিক মজবুত কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে এই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। বৰ্তমানৰ চৰকাৰখনে বৰাকৰ জনসাধাৰণৰ সুবিধাৰ কথা চিন্তা কৰি এই উপত্যকাত মিনি সচিবালয় স্থাপনৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে মিনি সচিবালয় নিৰ্মাণৰ কাম-কাজ আৰম্ভ হৈছে। সোণোৱাল চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰেই বৰাককো সমমৰ্যাদা প্ৰদান কৰি নমামি বৰাক উৎসৱ পালন কৰিছে। বিগত চৰকাৰসমূহে এই উপত্যকাৰ যোগাযোগ ব্যৱস্থাৰ প্ৰতি চৰম উদাসীনতা প্ৰদৰ্শন কৰিলেও সৰ্বানন্দ সোণোৱালৰ আমোলত বৰাকৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়নত আমূল পৰিৱৰ্তন সাধন হৈছে। ৰে'লপথ তথা ঘাইপথৰ যথেষ্ট উন্নতি সাধনৰ লগতে এই উপত্যকাৰ বাবে আৰু এটি বিমানবন্দৰ নিৰ্মাণৰ পৰিকল্পনা লৈছে চৰকাৰখনে। কেৱল সেয়াই নহয়, মন্ত্ৰী পৰিমল শুক্লবৈদ্যই নিজেই সোঁ-শৰীৰে বৰাকৰ পথ নিৰ্মাণৰ কাম-কাজৰ তদাৰকী কৰিছে। এই চৰকাৰৰ আমোলতে কৰিমগঞ্জত এখন মেডিকেল কলেজ স্থাপনৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এইক্ষেত্ৰত সম্প্ৰতি ভূমি অধিগ্ৰহণৰ কাম চলি আছে। এইখন চৰকাৰৰ আমোলতে প্ৰথমবাৰৰ বাবে অসমৰ সাংবাদিকসকলৰ বাবে বহু কল্যাণকামী প্ৰকল্প আৰম্ভ কৰা হৈছে। এইক্ষেত্ৰত প্ৰথমবাৰৰ বাবে শিলচৰত ৰাজ্যিক পৰ্যায়ৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালনৰ সিদ্ধান্ত লৈছে চৰকাৰে। তদুপৰি ৰাতাবাৰীৰ উপ-নিৰ্বাচনৰ প্ৰচাৰলৈ আহি মুখ্যমন্ত্ৰীয়ে আনন্দপুৰৰ এখন সভাত প্ৰকাশ কৰিছে যে, এই ঠাইখনক পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তুলি এদিন ইয়ালৈ প্ৰধানমন্ত্ৰীকো লৈ আহিবলৈ তেওঁৰ ইচ্ছা আছে। বৰাক উপত্যকাৰ উন্নয়নৰ স্বাৰ্থতে শিলচৰত জিলা পুথিভঁৰাল স্থাপন কৰা হৈছে। ইতিমধ্যে এই পুথিভঁৰাল নিৰ্মাণৰ বাবে ২৮ কোটি টকা আবণ্টন দিয়া হৈছে। তদুপৰি শিলচৰত স্থাপন কৰা হৈছে চৰকাৰী ছপাশাল। এই চৰকাৰী ছপাশাল স্থাপনৰ বাবে ইতিমধ্যে ভূমি অধিগ্ৰহণ কৰা হৈছে। আন এক যুগান্তকাৰী পদক্ষেপ হিচাপে পৰিগণিত হৈছে শিলচৰৰ দুধ পাতিলৰ অন্নপূৰ্ণা ঘাটত বৰাক নদীৰ ওপৰত দলং নিৰ্মাণ। এই দলংখন নিৰ্মাণ হৈ উঠিলে বৃহত্তৰ শিলচৰ চহৰৰ যোগাযোগ ব্যৱস্থালৈ আমূল পৰিৱৰ্তন সাধন হ'ব। একেদৰে, মৈত্ৰী প্ৰকল্পৰ জৰিয়তে বৰাকৰ বিভিন্ন স্থানত আধুনিক ব্যৱস্থাসম্পন্ন থানা নিৰ্মাণ কৰা হৈছে। জলসিঞ্চন ব্যৱস্থাৰ উন্নয়নৰ ক্ষেত্ৰত বৰাকৰ তিনিখন জিলাত ইতিমধ্যে নিবিদা আহ্বান কৰা হৈছে। জলসিঞ্চন আঁচনি ৰূপায়ণৰ এই কামৰ বাবে ৬২ কোটি টকা আবণ্টন কৰা হৈছে। আনহাতে, কৰ'না কালৰ এই বিপন্ন সময়ত মানুহক চিকিৎসা সেৱা প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত শিলচৰ মেডিকেল কলেজ হাস্পতালত নতুন আই চি ইউ স্থাপন কৰা হৈছে। ইতিমধ্যে, শিলচৰ মেডিকেল কলেজ হাস্পতালত ৪০টা আই চি ইউ ব্লক উদ্বোধন কৰিছে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। তাৰ লগতে হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাতো নতুন আই চি ইউ স্থাপন কৰা হ'ব। কাছাৰ জিলাৰ ৰজনীখালত বন বিভাগৰ উদ্যোগত চিৰিয়াখানাৰ লগতে পুনৰবাসন কেন্দ্ৰ স্থাপন কৰা হ'ব। প্ৰস্তাৱিত কেন্দ্ৰটি স্থাপনৰ বাবে ১৭০ বিঘা ভূমি চৰকাৰে অধিগ্ৰহণ কৰিছে। এই কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ বিশেষ তৎপৰতা দেখা গৈছে। ❏❏

# ইভলিণ্টাইছ ছাজেমৰ কথাৰে...



ড° তপতী বৰুৱা কাশ্যপ

২০০৯ চনৰ ডিচেম্বৰ মাহৰ শেষৰ সপ্তাহৰ কথা। হাফলঙলৈ ফুৰিবলৈ গৈছিলো। এদিন আবেলি আমি জাতিংগা গাঁৱলৈ বুলি আগবাঢ়িলো। আমাৰ মূল উদ্দেশ্য আছিল জাতিংগাৰ চৰাই নিৰীক্ষণ কৰা। কাৰণ হাফলং চহৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ নিলগত অৱস্থিত জাতিংগা এখন বিশ্ববিখ্যাত গাঁও। এই গাঁৱৰ একমাত্ৰ আকৰ্ষণ হৈছে বছৰটোৰ কেইটামান নিৰ্দিষ্ট মাহত ঘটা আলহী পক্ষীৰ আগমন আৰু সেই পক্ষীসমূহৰ ৰহস্যজনক আত্মহত্যা। বছৰৰ আগষ্ট, ছেপ্টেম্বৰ আৰু অক্টোবৰ মাহৰ নিৰ্দিষ্ট কিছুমান দিনৰ সন্ধিয়া পৰত এই আলহী পক্ষীসমূহৰ আগমন ঘটে। ভিন ভিন পক্ষীৰ আগমন হোৱাটো এতিয়াও এটা ৰহস্যাবৃত বিষয় হৈ আছে।

আমি জাতিংগা গাঁওখনত উপস্থিত হৈ অতিকৈয়ে আপ্লুত হৈ পৰিলো। বৰাইল পৰ্বতৰ কাষত অৱস্থিত গাঁওখনৰ প্ৰাকৃতিক দৃশ্যৰাজি অনুপম। সেই সুন্দৰতাক ভাষাৰে বৰ্ণনা কৰাটো কঠিন। আমি অৱশ্যে পক্ষীৰ আগমন লক্ষ্য কৰাৰ পৰা বঞ্চিত হ'লো। ইফালে সিফালে গাঁওখন ভ্ৰমণ কৰি আমাক তালৈ লৈ যোৱা জিলাখনৰ জ্যেষ্ঠ সাংবাদিক অনুপ বিশ্বাসক ক'লো— গাঁওখনৰ এগৰাকী মহিলাক পাবলৈ ইচ্ছা কৰিছো।

সেই কথামতে তেওঁ আমাক লৈ গ'ল— ইভলিণ্টাইছ ছাজেমৰ ঘৰলৈ। গাঁওখনৰ অন্যতম উচ্চ শিক্ষিতা মহিলা ছাজেম হৈছে এগৰাকী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী।

ছাজেমৰ জন্ম হৈছিল ১৯৪৬ চনত এই জাতিংগা গাঁৱতে। তেওঁৰ পিতৃ আছিল ই ডব্লিউ ছুছিয়াং আৰু তেওঁৰ মাতৃ হৈছে বি ছাজেম। জাতিংগা গাঁৱত থকা মধ্য ইংৰাজী বিদ্যালয়তে তেওঁ শিক্ষা জীৱনৰ পাতনি মেলিছিল। তাৰ পিছত তেওঁ হাফলং চৰকাৰী হাইস্কুলত নাম লগায়।

'সেই কেইবছৰ মই আমাৰ গাঁৱৰ আন ল'ৰা-ছোৱালীৰ লগত নিতৌ জাতিংগাৰ পৰা হাফলঙলৈ খোজকাঢ়ি অহা-যোৱা কৰিছিলো। সেই কথা ভাবিলে এতিয়া আচৰিত লাগে। তদুপৰি তেতিয়া যিহেতু ছোৱালীৰ বাবে সুকীয়া স্কুল নাছিল সেয়ে আমাক ল'ৰাৰ স্কুলতে পঢ়িবলৈ দিছিল'— তেওঁ কৈছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ শেষ বৰ্ষৰ ১৯৬৩ চনৰ মেট্ৰিকুলেচন পৰীক্ষাৰ প্ৰাৰ্থী আছিল তেওঁ। নিজৰ শৈশৱৰ কথা সুঁৱৰি তেওঁ পুনৰ কৈছিল— 'মোৰ দেউতা শিক্ষিত হোৱা বাবেহে মই ঘৰৰ পৰা পঢ়া-শুনা কৰিবলৈ ওলাই যাবলৈ সুবিধা পাইছিলো। আমি স্কুলত পঢ়াৰ সময়ত বহু কষ্ট কৰি পঢ়া-শুনা কৰিবলগীয়া হৈছিল। তেতিয়াৰ দিনত চাকিৰ পোহৰতে আমি পঢ়া-শুনা কৰিছিলো। স্কুললৈ আমি খালী ভৰিৰে গৈছিলো। সেই সময়ত স্কুললৈ যোৱা ল'ৰা-ছোৱালীৰ সংখ্যা একেবাৰেই নগন্য আছিল। শ্ৰেণীটোৰ ৬৫ জন ছাত্ৰৰ মাজত ১০ গৰাকীহে ছাত্ৰী আছিল। স্কুলৰ পৰা অহাৰ পাছতো আমাৰ কামৰ অন্ত নাই। প্ৰায় নিতৌ আমি দূৰৈৰ পৰা ঘৰলৈ পানী কঢ়িয়াব লগা হৈছিল।'

১৯৬৩ চনত তেওঁ হাফলং কলেজত নামভৰ্তি কৰে আৰু পৰৱৰ্তী পৰ্যায়ত ১৯৬৭ চনত তেওঁ বি এ পৰীক্ষাত উত্তীৰ্ণ হয়।

'জয় ভদ্ৰ হাগ্‌জেৰ আছিল তেতিয়াৰ অসমৰ শিক্ষামন্ত্ৰী। মই আৰু মোৰ তিনিগৰাকী সহপাঠী— ইণ্ডিৰা থাওচেন, ৰত্না দত্ত আৰু ভাৰতী বৰ্মনে ১৯৬৭ চনতে স্থাপন হোৱা হাফলং ছোৱালী হাইস্কুলৰ চাকৰিত যোগদান কৰো। সেই সময়ত মহিলাৰ সংখ্যা কম হোৱাৰ বাবে আমি বি এ পৰীক্ষা দি উঠি আনুষ্ঠানিক আৱেদন পত্ৰ নিদিয়াকৈয়ে চাকৰিত যোগদান কৰিছিলো'— অতীতৰ কথা মনত পেলাই তেওঁ কৈ গ'ল।

জাতিংগা হৈছে এখন মাতৃপ্ৰধান জয়ন্তীয়া গাঁও। সুউচ্চ বৰাইল পৰ্বতমালালৈ অনবৰতে ৰ লাগি চাই থকা পৰিপাটি গাঁওখনৰ জনসংখ্যা প্ৰায় তিনি হাজাৰ। এই ঠাইত আগতে জনবসতি নাছিল। ইয়াত ১৯০৫ চনতহে বসতি আৰম্ভ হৈছিল। গাঁওখনত এসময়ত পাণ আৰু কমলাৰ খেতি প্ৰচুৰ পৰিমাণে হৈছিল। ১৯৩০-৪০ চন মানলৈকে জাতিংগা এখন চহকী গাঁও হিচাপে পৰিচিত আছিল। লাহে লাহে অৱশ্যে নানা ধৰণৰ প্ৰাকৃতিক কাৰণত খেতিৰ পৰিমাণ



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৰা ২০২০ বৰ্ষৰ সতী ৰাধিকা বঁটা গ্ৰহণ কৰাৰ মুহূৰ্তত

হ্ৰাস পাবলৈ ধৰে। অৱশ্যে গাঁওখনৰ অধিকাংশ মানুহ খেতিৰ লগতে জড়িত যদিও এই গাঁৱৰ সাক্ষৰতাৰ উচ্চ হাৰ মন কৰিবলগীয়া।

ছাজেম হৈছে ২০০০ চনত স্থাপন হোৱা জাতিংগা গাঁৱৰ মহিলা সংগঠনৰ এগৰাকী সক্ৰিয় কৰ্মী। এই মহিলা সংগঠনে মহিলা তথা সমাজৰ উন্নতিৰ বাবে বহুতো কাম কৰি আহিছে আৰু তাৰ ভিতৰত অন্যতম হৈছে সাক্ষৰতা আৰু স্বাস্থ্য বিষয়ক শিক্ষা।

'আমাৰ গাঁওখনত যথেষ্ট দৰিদ্ৰ লোকৰ বসতি আছে। কিন্তু আমাৰ গাঁৱত এশ শতাংশ মহিলাকে আমি সাক্ষৰ কৰিবলৈ সক্ষম হৈছো। মহিলাসকলৰ মাজত সাক্ষৰতাৰ জৰিয়তে সচেতনতা ক্ৰমাৎ বৃদ্ধি পোৱাৰ বাবে পুৰুষসকলে ক্ৰমান্বয়ে মাদক দ্ৰব্য সেৱনৰ নিচিনা বদ অভ্যাসবোৰ এৰিবলৈ ধৰিছে। স্কুলীয়া শিক্ষা আধাতে এৰি দিয়া ল'ৰা-ছোৱালীৰ সংখ্যাও এতিয়া হ্ৰাস পাই আহিছে'— ছাজেমে কৈ গ'ল।

হাফলং ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষয়িত্ৰী হিচাপে অৱসৰ গ্ৰহণ কৰা ছাজেমৰ স্বামী গীৰ্জাৰ এজন অৱসৰপ্ৰাপ্ত পেষ্টৰ। তেওঁলোকৰ তিনিওটা সন্তানেই বৰ্তমান সুপ্ৰতিষ্ঠিত। অৱসৰগ্ৰহণৰ পাছত তেওঁ বৰ্তমান জাতিংগাৰ মহিলা অনুষ্ঠান আৰু কাছাৰ হিল ট্ৰাইব ছিনডৰ জৰিয়তে বহু সামাজিক কাম কৰি আহিছে।

'আমাৰ গাঁৱৰ গাঁও সমিতিত অৱশ্যে এতিয়াও কোনো মহিলা সদস্য নাই। তথাপি আমাৰ গাঁওবুঢ়াৰ কাৰ্যকলাপত মহিলাসকলে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। মহিলাসকল যিহেতু সাক্ষৰ আৰু শিক্ষিত, সেয়ে তেওঁলোকৰ মতক সকলোৱে সন্মান কৰে। আনহাতে, গীৰ্জাৰ পৰিচালনা সমিতিতো মহিলা সদস্য আছে। সেয়ে মহিলাই সক্ৰিয়ভাৱে সমাজৰ উন্নতিৰ হকে কাম কৰিব পাৰে। আমাৰ প্ৰেছবিটেৰিয়ান গীৰ্জাত গণতান্ত্ৰিক পদ্ধতিৰে কাম কৰাৰ ব্যৱস্থা আছে। মাতৃপ্ৰধান জয়ন্তীয়া গাঁওখনত সেয়ে সকলো সমান'— ছাজেমে কৈছিল।

সমাজ আৰু মহিলাৰ উন্নতিৰ বাবে কাম কৰি অহা শিক্ষয়িত্ৰী ছাজামে এতিয়া কৰ্মব্যস্ততাৰ মাজতো সময় উলিয়াই বিভিন্ন কিতাপ পঢ়ে। খাছী আৰু জয়ন্তীয়া লেখকৰ প্ৰায়বোৰ কিতাপেই তেওঁ পঢ়িছে। তেওঁৰ প্ৰিয় কবি হৈছে— ৱৰ্ডছৱৰ্থ। তেওঁ ৱৰ্ডছৱৰ্থৰ কবিতাত উল্লেখ কৰাৰ দৰেই মুক্তমনেৰে অকলশৰীয়া ডাৱৰ এচপৰাৰ দৰেই পৃথিৱীত বিচৰণ কৰি সমাজৰ হিতকৰ কাম কৰিবলৈ ইচ্ছা কৰে আৰু সেই ইচ্ছাৰ বাবেই তেওঁ নিজৰ সমাজখনত শিক্ষাৰ পোহৰ বিয়পাবলৈ সক্ষম হৈছে।

অলপতে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সহযোগত বৈষ্ণৱ যুগৰ মহীয়সী নাৰী সতী ৰাধিকাৰ পুণ্য স্মৃতিত সমাজসেৱিকা আৰু শিক্ষয়িত্ৰী ইভলিণ্টাছ চাজেমলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সতী ৰাধিকা বঁটা ২০২০ আগবঢ়ালে। এই বঁটা গ্ৰহণ কৰি তেওঁ কৈছে— 'এই বঁটা কেৱল মোৰ বাবে নহয়, মোৰ ডিমা হাছাও জিলাৰ জাতিংগা গাঁওখনৰ বাবে এটা সন্মান। আমি সকলোৱেই আনন্দিত আৰু অনুপ্ৰাণিত হৈছো।'

সঁচাকৈয়ে এগৰাকী যোগ্য ব্যক্তিয়ে এই সন্মান লাভ কৰাটোৱে ছাজেমৰ লগতে সকলোকে অনুপ্ৰাণিত কৰিছে। তেওঁৰ মতে একনিষ্ঠভাৱে কাম কৰি যোৱাটোহে হৈছে সকলো স্বীকৃতিৰ অন্যতম কাৰণ। ❑❑

# শিক্ষানীতি ২০২০ আৰু এক পৰ্যালোচনা



ড° জগদীন্দ্ৰ ৰায়চৌধুৰী

মানৱ জাতিয়ে সমাজৰ জখলাৰে আগবাঢ়ি যোৱাৰ সমান্তৰালভাৱে আৱশ্যক হৈ পৰিল শিক্ষাৰ। অতীজৰ শিক্ষাৰ পদ্ধতি বিভিন্নধৰ্মী আছিল। ভাৰতবৰ্ষত ঋষি-মুনিসকলৰ তত্ত্বাৱধানত আশ্ৰম, টোল আদিত শিক্ষাগ্ৰহণ কৰিছিল অকল ছাত্ৰসকলে। বেদ, উপনিষদ আদিৰ দ্বাৰা উদ্বুদ্ধ হৈছিল শিক্ষাৰ্থীসকল। ভাৰতবৰ্ষত অৱস্থিত এসময়ৰ নালন্দা বিশ্ববিদ্যালয়ত পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা ছাত্ৰসকল আহি অধ্যয়ন কৰি শিক্ষিত হৈছিল। এয়া হ'ল ভাৰতীয় ইতিহাসৰ শিক্ষাগ্ৰহণৰ সামান্য চানেকি। আনহাতে, ইউৰোপৰ গ্ৰীচ দেশতো প্ৰাচীনতম শিক্ষা-সংস্কৃতিৰ চৰ্চাৰ কথা বহুতৰে বিদিত। ছক্ৰেটিছে নিতৌ বজাৰৰ চুক এটাত বহি ওচৰত থকা মানুহবোৰক শিক্ষা তথা জ্ঞানৰ সোৱাদ দিছিল। তেওঁৰ এই শিক্ষাত পিছলৈ অন্য দেশৰ মানুহো আহি উপস্থিত হৈছিল। সাধাৰণ মানুহক শিক্ষা ছক্ৰেটিছে বিনা পাৰিশ্ৰমিকে দান কৰিছিল।

বিভিন্ন সাল-সলনিৰ পিছত ব্ৰিটিছে যেতিয়া আমাৰ দেশ শাসন কৰিবলৈ ধৰিলে তেতিয়া শিক্ষাৰ পিনে কিছু মনোনিৱেশ কৰিলে কিয়নো তেওঁলোকৰ কামত সহায়ক হিচাপে। স্কুল আদি স্থাপন কৰা কাৰ্যৰ দ্বাৰা ইংৰাজী শিক্ষাৰ ওপৰত কিছু গুৰুত্ব দিলে। ব্ৰিটিছৰ শাসন কালতে এগৰাকী ভাৰতীয় মনীষী ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে শিক্ষা নীতিৰ বিষয়ত চিন্তা-চৰ্চা আগবঢ়াই ইংৰাজীৰ লগত মাতৃভাষা আৰু সংস্কৃত ভাষাৰ শিক্ষাত গুৰুত্ব আৰোপ কৰিছিল। বহুক্ষেত্ৰত ব্ৰিটিছৰ মত বিৰোধিতা কৰি তেওঁ বিচৰা ধৰণে শিক্ষানীতি বলৱৎ কৰিবলৈ সক্ষম হৈছিল, লগতে স্ত্ৰী শিক্ষাৰ পোষকতা কৰিছিল। নেতাজী সুভাষ চন্দ্ৰ বসু প্ৰথমবাৰৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি হোৱাৰ পিছত এখন 'ৰাষ্ট্ৰীয় আঁচনি আয়োগ' গঠন কৰিছিল য'ত অন্য অন্য শিতানৰ লগত শিক্ষাৰ পদ্ধতি, শিক্ষা নীতিৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। ব্ৰিটিছৰ ঔপনিৱেশিকৰ সময়তে অসম সন্তান আনন্দৰাম বৰুৱাই সংস্কৃত ভাষা অধ্যয়ন, গ্ৰন্থ অধ্যয়ন তথা উচ্চমানৰ চিন্তা-চৰ্চাৰে ভাৰতীয় পৰম্পৰাৰ এক যোগসূত্ৰ অধিক কষ্টৰ মাজেৰে দাঙি ধৰিবলৈ চেষ্টা চলাইছিল।

শিক্ষা গ্ৰহণ কৰিব লাগিব যেতিয়া শিক্ষানীতিৰ আৱশ্যক হ'ল। ব্ৰিটিছসকলৰ দিনত যি শিক্ষা নীতি বলৱৎ হৈছিল সেয়া ভাৰত স্বাধীন হোৱাৰ পিছতো প্ৰচলিত হৈ আছিল। স্বাধীন ভাৰতত প্ৰথম শিক্ষানীতি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ দিনত ১৯৬৮ চনত হৈছিল য'ত প্ৰাথমিক পৰ্যায়ৰ পৰা স্নাতক পৰ্যায়লৈ অন্তৰ্ভুক্ত হৈছিল। ইয়াৰ পিছত দ্বিতীয় ৰাষ্ট্ৰীয় শিক্ষানীতি ৰাজীৱ গান্ধী প্ৰধানমন্ত্ৰী থকা

সময়ছোৱাত হৈছিল আৰু ইয়াৰ সুদীৰ্ঘ ৩৪ বছৰ পিছত নতুন শিক্ষানীতিৰ কথা চৰ্চিত হৈছে। ২০১৭ চনত বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কস্তুৰী ৰংগনৰ নেতৃত্বত দহজনীয়া কমিটী গঠন কৰিছিল নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰা বাবে। কস্তুৰী ৰংগনে ভাৰতৰ পৌৰাণিক সংস্কাৰমূলক শিক্ষা, বৰ্তমানৰ শিক্ষা পদ্ধতি, বিশ্বৰ বিভিন্ন দেশৰ শিক্ষাৰ আৰ্হি পুংখানুপুংখভাৱে অধ্যয়ন কৰি এটি শিক্ষানীতিৰ খচৰা ২০১৯ ত প্ৰস্তুত কৰি বিদ্বৎ সমাজত আগবঢ়াই দিহা-পৰামৰ্শ বিচাৰে। বিভিন্ন আলোচনা বা বিতৰ্কৰ অন্তত ২০২০ চনৰ জুলাই মাহত কিছু সাল-সলনি কৰি কস্তুৰী ৰংগনে নতুন শিক্ষানীতি ২০২০ গ্ৰহণযোগ্য বুলি ঘোষণা কৰে।

এতিয়া প্ৰধান কথা হ'ল কি সংশোধন বা সংবৰ্ধন কৰিলে এই নতুন শিক্ষানীতিত। এই শিক্ষানীতিত প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ শিক্ষালৈকে লগতে গৱেষণাৰ ক্ষেত্ৰতো কিছু নীতি-নিয়ম সন্নিৱিষ্ট হৈছে। যিটো পূৰ্বৰ শিক্ষানীতিত অভাৱ আছিল। প্ৰাথমিক পৰ্যায়ৰ পৰা বৰ্তমানৰ যি শিক্ষানীতি আছিল অৰ্থাৎ ১০+২+৩ পৰ্যায়ৰ, সেয়া ভাঙি পেলাই কৰা হৈছে ৫+৩+৩+৪ পদ্ধতিৰ। এই নতুন পদ্ধতিৰ প্ৰথম পাঁচ বছৰ প্ৰাৰম্ভিক অৰ্থাৎ ফাউণ্ডেচন পৰ্যায়ৰ য'ত গ্ৰেড এক আৰু দুই। ইয়াৰ ভাগটো ৫= (৩+২) পৰ্যায়ৰ। এই পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলে অধিক বোজা কঢ়িয়াই স্কুললৈ যাব নালাগিব। খেল-ধেমালিৰ মাজেৰে শিক্ষা প্ৰদান কৰা হ'ব। এই পৰ্যায়ত মাতৃভাষা বা ৰাষ্ট্ৰীয় ভাষাতে শিক্ষা প্ৰদান কৰা হ'ব। ইংৰাজী বাধ্যতামূলক নহয়। ইয়াৰ পিছত প্ৰাক প্ৰাথমিক, যি চতুৰ্থ আৰু পঞ্চম শ্ৰেণী সামৰি ল'ব। মধ্য স্কুলৰ শিক্ষাত থাকিব ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীলৈ। প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত পৰীক্ষাৰ বেছি গুৰুত্ব নাথাকিব। বাস্তৱসন্মত জ্ঞানৰ ওপৰতহে অধিক গুৰুত্ব দিয়া হ'ব। পঞ্চম শ্ৰেণীলৈ ভাষাৰ ক্ষেত্ৰত মাতৃভাষা, ৰাষ্ট্ৰীয় আৰু সংস্কৃত ভাষাই গুৰুত্ব লাভ কৰিব। এই সময়ছোৱাত মাতৃভাষাতে শিক্ষা প্ৰদান কৰা হ'ব। ইয়াৰ পিছত একেলেঠাৰিয়ে নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণী থাকিব। বৰ্তমানৰ যি তিনি বছৰীয়া পাঠ্যক্ৰমৰ দ্বাৰা ডিগ্ৰী পৰ্যায়লৈ পাঠগ্ৰহণ কৰা হয় সেই ক্ষেত্ৰত নতুন শিক্ষানীতিত এয়া চাৰি বছৰলৈ বৃদ্ধি কৰা হৈছে। এই চাৰি বছৰৰ ভিতৰত দুবছৰ পাঠ গ্ৰহণ কৰাৰ পিছত ডিপ্ল'মাধাৰী হ'ব পাৰিব। এইদৰে তিনি বছৰ সম্পূৰ্ণ কৰাৰ পিছত স্নাতক আৰু চাৰি বছৰ সম্পূৰ্ণ কৰিলে সন্মানসহকাৰে স্নাতক হ'ব পাৰিব। এতিয়া এই সময়ছোৱাত বৰ্তমানে বিজ্ঞান, কলা আৰু বাণিজ্য এই তিনিটা পৃথক ভাগ আছে আৰু যিগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে ইয়াত অধ্যয়ন কৰিব তেওঁলোকে নিৰ্দিষ্ট এটা ভাগতে পঢ়ি ডিগ্ৰীধাৰী হ'ব লাগিব। পিছে, নতুন শিক্ষানীতিত এই বাধ্যবাধ্যতামূলক স্থিতি নাথাকিব। এগৰাকী বিজ্ঞানৰ ছাত্ৰই যদি পদাৰ্থ বিজ্ঞান পঢ়ি আছে তেওঁৰ ইচ্ছা বা আগ্ৰহ অনুসৰি ইতিহাস বা সংগীত শিক্ষাত ব্ৰতী হ'ব পাৰিব। ঠিক একেদৰে কলা বা বণিজ্যৰ ক্ষেত্ৰতো সেই একে ব্যৱস্থা থাকিব। স্নাতক ডিগ্ৰীৰ পিছত যিসকল ছাত্ৰ-ছাত্ৰীয়ে স্নাতকোত্তৰ পাঠদানৰ বাবে আগবাঢ়িব তেওঁলোকে সেই সময়তছোৱাত গৱেষণাৰ কামৰ বাবেও প্ৰস্তুতি চলাব পাৰিব। এইক্ষেত্ৰত 'নেচনেল ৰিছাৰ্চ ফাউণ্ডেচন' নামৰ প্ৰতিষ্ঠান এটাই সহায় কৰিব। পিছে, এম ফিম পাঠ্যক্ৰম বৰ্তমানৰ নীতিত নাথাকিব। এই শিক্ষানীতিত গৱেষণাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে লগতে ইণ্টাৰনেট সংযোজনৰ প্ৰক্ৰিয়া অধিক ঊৰ্ধ্বমুখী কৰাৰ বাবে এই নীতিত দৃঢ়তাৰে উল্লেখ কৰিছে।

শিক্ষানীতি ২০২০ ৰ ভিতৰত এটি উল্লেখনীয় কথা হৈছে যে কলেজ আৰু বিশ্ববিদ্যালয়ত নামভৰ্তি কৰাৰ সময়ত সমূহীয়া পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। এই পৰীক্ষা পৰিচালনা কৰিব 'নেচনেল টেষ্টিং এজেন্সী' নামৰ সংগঠন এটাই। এই নীতিৰ ওপৰত বৌদ্ধিক মহলত বিভিন্ন চিন্তা-চৰ্চা হৈছে আৰু প্ৰকৃতক্ষেত্ৰত এয়া কিমান কাৰ্যকৰী হ'ব সেয়া সময়েহে ক'ব। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত অসংখ্য কলেজ বা বিশ্ববিদ্যালয় আছে সেইসমূহত বৰ্তমানেও নিজাববীয়াকৈ নামভৰ্তিৰ পৰীক্ষা সম্পন্ন কৰি এই প্ৰক্ৰিয়া প্ৰচলিত হৈ আছে, কিন্তু ৰাষ্ট্ৰীয় পৰ্যায়ত কিমান ফলৱতী হ'ব সেয়া সময়েহে ক'ব। অৱশ্যে এই শিক্ষাবৰ্ষৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ মন-মগজুত স্বনিৰ্ভৰশীল তথা ব্যক্তিগত শিক্ষাৰ দ্বাৰা নিজৰে প্ৰতিষ্ঠা কৰাৰ বাবে এটি পৰিৱেশ গঢ়ি তোলা হ'ব। ন শিক্ষানীতিত আন এটি গুৰুত্বপূৰ্ণ কথা সন্নিৱিষ্ট কৰা হৈছে আৰু সেয়া হৈছে বিদেশী বিশ্ববিদ্যালয়সমূহৰ প্ৰায় ১০০ টা শাখা খোলা হ'ব আৰু ইয়াৰ দ্বাৰা কিদৰে ভাৰতীয় ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব সেয়া সময়েহে ক'ব। মুঠতে যিকোনো প্ৰকাৰে উচ্চ শিক্ষা তথা গৱেষণাৰ হাৰ বৃদ্ধি কৰাটো নতুন শিক্ষানীতিৰ আধাৰ বুলিও ক'ব লাগিব। নতুন শিক্ষানীতিত কলেজসমূহক স্বনিৰ্ভৰশীল হোৱাৰ ইংগিত দিয়া হৈছে, কিন্তু বিশ্ববিদ্যালয়ৰ পৰা অব্যাহতি লৈ স্বতন্ত্ৰভাৱে কিদৰে কাৰ্যকৰী কৰিব সেয়া স্পষ্ট ধাৰণা এই নীতিত কিছু অস্পষ্ট। তদুপৰি বৰ্তমানে যিবোৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান আছে সেইবোৰৰ স্থিতি এই নতুন শিক্ষানীতিত কিদৰে খাপ খাব বা সেইসকল অনুষ্ঠানে কিদৰে সহযোগিতা আগবঢ়াব তাৰ হয়তো স্পষ্ট ধাৰণা এই শিক্ষানীতিত স্পষ্ট ৰূপত ধৰা দিয়া নাই।

শিক্ষানীতি ২০২০ ৰ দ্বাৰা শিক্ষা পদ্ধতিৰ কথা উল্লেখ কৰা হৈছে যদিও এইবাৰৰ শিক্ষানীতিয়ে আন এটি দিশ উন্মোচন কৰিব যাৰ দ্বাৰা ভাৰতীয় ঐতিহ্য আৰু সংস্কৃতিৰ মাজত এক যোগসূত্ৰৰ বাতাবৰণ সৃষ্টি কৰিব। ইয়াৰ লগতে সমগ্ৰ বিশ্বত গা কৰি উঠা শিক্ষানীতিৰ লগত আমাৰ শিক্ষানীতিৰ এক সম্পৰ্ক গঢ়ি তোলা হ'ব। যিহেতু বিশ্বৰ শিক্ষানীতিৰ মাজেৰে বিচৰণ কৰা হ'ব, সেইক্ষেত্ৰত বিশ্ববেংক বা ইউনেস্ক'ৰ দৰে যি গোলকীয় প্ৰতিষ্ঠানসমূহ আছে আৰু সেই প্ৰতিষ্ঠানসমূহে সময়ে সময়ে যি পৰামৰ্শ আগবঢ়াব তাৰ যেন এটি প্ৰতিচ্ছবি আমাৰ শিক্ষানীতিত অন্তৰ্ভুক্ত হ'ব লাগিব।



উক্ত পৰামৰ্শৰ পৰা এটা কথা স্পষ্ট হৈ উঠে যে বিশ্বৰ শিক্ষানীতিৰ দ্বাৰা পৰিচিত হৈ ভাৰতীয় প্ৰেক্ষাপটত ইয়াক কিদৰে সামঞ্জস্য ৰক্ষা কৰা হ'ব সেয়া প্ৰতিফলিত কৰাৰ এক প্ৰয়াস এই শিক্ষানীতিৰ জৰিয়তে। এই শিক্ষানীতিয়ে পূৰ্বৰ দৰে শিক্ষা বিভাগ হিচাপেই বৰ্তমানে পৰিচিত হৈ ৰ'ব, মাজতে ইয়াক যি সলনি কৰি 'মানৱ সম্পদ বিভাগ' হিচাপে নামকৰণ কৰা হৈছিল সেয়া নাথাকিব। ভাৰতীয় বিভিন্ন ভাষাত থকা সুপাঠ্য অন্য ভাৰতীয় ভাষালৈ অনুবাদ বা সম্পাদনা কৰি প্ৰস্তুত কৰাৰ এক প্ৰয়াস সন্মুখত থকা বাবে এই দুয়োটা বিষয়ত যথেষ্ট গুৰুত্ব প্ৰদান কৰা হ'ব বুলি শিক্ষানীতিত উল্লেখ আছে। উল্লেখ কৰা কথাখিনি নতুন শিক্ষানীতিৰ কিছু মূল কথা হিচাপেহে উল্লেখ কৰা হ'ল। ইয়াৰ উপৰি বিভিন্ন খুঁটি-নাতিৰ কথা এই নীতিত উল্লেখ আছে, কিয়নো ৪৮৪ পৃষ্ঠাৰ প্ৰতিবেদনত বিভিন্ন কথা সন্নিৱিষ্ট হৈছে।

আমাৰ এটি স্বভাৱ আছে যে যি পদ্ধতিত যি কাম চলি থাকে সেয়া সেইভাৱে থাকিলে সকলোৱে চকু মুদি কাম চলাই নিব পাৰে, কিন্তু ইয়াৰ সাল-সলনি হ'লেই নানা উদ্বেগ-উত্তেজনাই আগচি ধৰে। কিন্তু প্ৰযুক্তিবিদ্যাই আৱিষ্কাৰ কৰা ন ন সামগ্ৰীক হাঁহিমুখে আঁকোৱালি ল'ব বিচাৰে, কিয়নো সেয়া পূৰ্বৰ তুলনাত সৰলীকৰণ হৈ উঠে।

শিক্ষাই মানুহৰ চকু মুকলি কৰে। শিক্ষাৰ মাজত উদ্ভৱ হোৱা ন ন কথাৰে যদি ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰী শিক্ষিত হৈ নুঠে তেতিয়াহ'লে বিশ্বৰ সন্মুখত হাঁহিয়াতৰ পাত্ৰ হ'ব। সেয়েহে শিক্ষানীতিৰ উন্নতিকৰণ অতি আৱশ্যক। অতি দুখৰ বিষয় যে যোৱা ৩৪ বছৰে একে শিক্ষানীতি চলি আছিল। নৰেন্দ্ৰ মোদী চৰকাৰ গঠন হোৱাৰ পিছত কস্তুৰী ৰংগনৰ নেতৃত্বত শিক্ষা প্ৰণালী প্ৰস্তুতিকৰণৰ বাবে দায়িত্ব দিয়াত তেওঁ আৰু তেওঁৰ সদস্যবৃন্দই ইয়াক নীতিত পৰিণত কৰাৰ আগত বিদ্বৎ মহলত সেয়া চৰ্চাৰ বাবে এৰি দি মতামত বা পৰামৰ্শ সন্নিৱিষ্ট কৰি ২০২০ চনৰ শিক্ষানীতি প্ৰস্তুত কৰি উলিয়াইছে।


এই শিক্ষানীতিৰ অতি উল্লেখনীয় দিশটো হ'ল প্ৰাথমিক স্তৰত ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাৰে শিক্ষা আৰম্ভ কৰিব। এয়া অতি গুৰুত্বপূৰ্ণ কথা। পাঠ্যক্ৰমৰ মাজেৰে ভাৰতীয় সংস্কৃতিৰ কথা জানিব পাৰিব যাৰ বাবে ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলে গৌৰৱেৰে ভাৰতীয় বুলি পৰিচয় দিব পাৰিব। উচ্চ শিক্ষাৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা নাথাকিব। নিজৰ পাঠ্যক্ৰমৰ মাজত নিজে ভালপোৱা কোনো বিষয়ো অধ্যয়ন কৰিবৰ সুবিধা পাব। উচ্চ শিক্ষিত হৈ বিভিন্ন গৱেষণাৰ দ্বাৰা আমাৰ মাজত লুকাই থকা সম্পদবোৰ নকৈ জনাৰ সুবিধা কৰিব পাৰিব। এই শিক্ষানীতিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে স্বাৱলম্বী বা আত্মনিৰ্ভৰশীল হোৱাৰ পথ মুকলি থাকিব যাৰ দ্বাৰা ভাৰত এখন গৌৰৱোজ্জ্বল দেশলৈ ৰূপান্তৰিত হ'ব।

এই নতুন শিক্ষানীতি সকলোৱে আদৰণীয় হোৱাটো বাঞ্ছনীয়। কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰাৰ পিছত যি আঁসোৱাহ উদ্ভৱ হ'ব সেয়া নিশ্চয় সময়ে সময়ে সংশোধন কৰি এখন সম্পূৰ্ণ শিক্ষানীতিলৈ ৰূপান্তৰ কৰিব পৰা যাব। যাৰ দ্বাৰা শিক্ষা জগতত এক আলোড়ন সৃষ্টি হ'ব আৰু ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ দ্বাৰা জ্ঞান লাভ কৰি সমাজত একো একোগৰাকী সু-নাগৰিক হ'বলৈ সক্ষম হ'ব। ❏❏

*লেখকৰ ফোন নং ঃ ৯৪৩৫০৪৮৭৭১*

# দুৰ্বল শ্ৰৱণ শক্তি

## এক বিশেষ সক্ষমতা



জ্যোতিস্মিতা দেৱী

'দুৰ্বল শ্ৰৱণ শক্তি' অথবা 'শ্ৰৱণ শক্তিহীনতা' এক বিশেষ সক্ষমতা। ১০ অক্টোবৰৰ দিনটো সমগ্ৰ পৃথিৱীতে বিশ্ব অ'ডিওলজিষ্ট দিৱস হিচাপে পালন কৰা হয়। বিশেষভাৱে সক্ষম ব্যক্তিসকলক উন্নততৰ চিকিৎসা প্ৰদান কৰা আৰু সমাজখনক এনে লোকৰ ক্ষেত্ৰত সজাগ কৰোৱা এই দিৱস পালনৰ মুখ্য উদ্দেশ্য।

শ্ৰৱণ শক্তি দুৰ্বল হোৱা বা সম্পূৰ্ণকৈ শ্ৰৱণ শক্তি হেৰোৱা ব্যক্তি এজনৰ বাবে উন্নতমানৰ জীৱন যেন এক প্ৰত্যাহ্বান। তেওঁলোকৰ জীৱনটো, সময় আৰু সমাজৰ লগত চলা এক শাৰীৰিক আৰু মানসিক সংঘৰ্ষত পৰিণত হয়। বহু সময়ত অতিমাত্ৰা মানসিক চাপ, অৱসাদ, নিসংগতা, চাকৰিৰ সম্পাদিত কাৰ্যৰ মান নিম্নগামী হোৱা ইত্যাদিও শ্ৰৱণ শক্তি হ্ৰাস হোৱাৰ কাৰণৰ সৈতে জড়িত হ'ব পাৰে। মাতৃগৰ্ভৰ পৰাই শিশু এটাৰ শ্ৰৱণ শক্তিৰ বিকাশ আৰম্ভ হয়। শুনি থকা শব্দবোৰক মগজুৱে গ্ৰহণ কৰে আৰু তাৰেই প্ৰতিক্ৰিয়াস্বৰূপে শুনা শব্দবোৰক লাহে লাহে শিশুটিয়ে ক'বলৈ চেষ্টা কৰে। গতিকে স্বাভাৱিকতেই শ্ৰৱণ শক্তিৰ বাধাগ্ৰস্ততাই শব্দ আৰু ভাষাৰ বিকাশহীনতাকো সাঙুৰি লয়।

স্বাভাৱিক বিকাশ প্ৰক্ৰিয়াত শিশু এটাৰ শ্ৰৱণ শক্তিহীনতাই মানসিক আৰু সামাজিক দিশত বাৰুকৈয়ে বাধাগ্ৰস্ত কৰে। তাৰেই এটা চমু পৰ্যালোচনা দাঙি ধৰা হ'ল ঃ

ব্যক্তি এজন যদি দুৰ্বল শ্ৰৱণ শক্তিৰ অধিকাৰী হয় অৰ্থাৎ ব্যক্তিজনে যদি কাণেৰে কমকৈ শুনে, তেতিয়া তেওঁৰ চাৰিওফালে হৈ থকা শব্দবোৰৰ স্পন্দন মগজুৱে গ্ৰহণ কৰিব নোৱাৰে। যাৰ ফলত ভাষা শিকোতে সমস্যাই দেখা দিয়ে। তাৰ ফলস্বৰূপে শিক্ষাগত সাফল্যতো পিছপৰি ৰৈ যায়। আনৰ লগত কথা পতা বা



*সাধাৰণ শ্ৰৱণ শক্তিসম্পন্ন শিশু এটা গড় হিচাপত ১৫ বছৰ বয়সত দশম শ্ৰেণী বা তাৰ সমকক্ষ পায়গৈ। কিন্তু  বিশেষভাৱে সক্ষম শিশু এটাই একেটা বয়সত সিমানখিনি সাফল্য লাভ কৰিবলৈ সক্ষম নহয়। তদুপৰি এইসকল শিশু, মনোযোগৰ ফালৰ পৰাও যথেষ্ট দুৰ্বল হোৱা পৰিলক্ষিত হয়। কাৰণ সাধাৰণ শিশুৰ দৰে যিকোনো শব্দ শুনি আয়ত্ত কৰিব নোৱৰাৰ ফলত বিষয়বোৰ দুৰ্বোধ্য হৈ ৰয়।*

সংযোগ স্থাপন কৰাৰ অসুবিধাৰ বাবে এনে বিশেষ ব্যক্তিৰ আত্মবিশ্বাস কমি যায়, বহুক্ষেত্ৰত তেওঁলোক হীনমন্যতাত ভোগাও দেখা যায়। এনেবোৰ কাৰণতে বৃত্তিমূলক শিক্ষাৰ ক্ষেত্ৰতো তেওঁলোক বৰ বেছি দূৰলৈ আগবাঢ়িব নোৱাৰে।

সাধাৰণ শ্ৰৱণ শক্তিসম্পন্ন শিশু এটা গড় হিচাপত ১৫ বছৰ বয়সত দশম শ্ৰেণী বা তাৰ সমকক্ষ পায়গৈ। কিন্তু বিশেষভাৱে সক্ষম শিশু এটাই একেটা বয়সত সিমানখিনি সাফল্য লাভ কৰিবলৈ সক্ষম নহয়। তদুপৰি এইসকল শিশু, মনোযোগৰ ফালৰ পৰাও যথেষ্ট দুৰ্বল হোৱা পৰিলক্ষিত হয়। কাৰণ সাধাৰণ শিশুৰ দৰে যিকোনো শব্দ শুনি আয়ত্ত কৰিব নোৱৰাৰ ফলত বিষয়বোৰ দুৰ্বোধ্য হৈ ৰয়।

শব্দ বা বাক্য গঠন কৰাৰ ক্ষেত্ৰতো কম শ্ৰৱণ শক্তিসম্পন্ন শিশু এটা, আন এটা সাধাৰণ শিশুৰ সমানৰ হ'ব নোৱাৰে। তেওঁলোকে প্ৰায়ে সৰু সৰু শব্দৰে তেনেই চুটি বাক্য কিছুমান সাজি লয়। কাৰণ বেছি শব্দৰে দীঘলীয়া বাক্য সজাই শব্দৰে উপস্থাপন কৰিবলৈ তেওঁলোক সমৰ্থ নহয়।

শ্ৰৱণ শক্তিহীন বা কম শ্ৰৱণ শক্তিৰ ব্যক্তিসকলে সাধাৰণতে তেওঁলোকৰ শাৰীৰিক অক্ষমতাৰ বাবেই বেছিভাগ সময়তে নিবনুৱা হৈ ৰয়, যাৰ ফলত আৰ্থিক দিশৰ ফালৰ পৰাও তেওঁলোক টনকিয়াল হ'ব নোৱাৰে। বিশেষভাৱে সক্ষম ব্যক্তিসকল সমাজৰ সাধাৰণ ব্যক্তিসকলৰ পৰা এক নিৰ্ধাৰিত দূৰত্বত ৰৈ যায়। উপযুক্ত চিকিৎসা নকৰাকৈ থাকি যোৱা বিশেষভাৱে সক্ষম ব্যক্তি এজনে বহু কষ্ট ভোগ কৰিব লগা হয়।

কথা-বতৰা হৈছে এটা দুমুখীয়া বাট। তাৰে যদি যিকোনো এজন ব্যক্তি শ্ৰৱণ শক্তিৰ ক্ষেত্ৰত দুৰ্বল হয়, তেতিয়া তেওঁলোকৰ মাজৰ সেই দুমুখীয়া বাটটোৰে যোগাযোগবোৰ আগুৱাই নিবলৈ কিছুমান অসুবিধা আহি পৰে। আপোন কোনোবা এজন যদি দুৰ্বল শ্ৰৱণ শক্তিৰ হয়, তেন্তে তেওঁৰ লগত যোগাযোগৰ কিছুমান সুবিধাজনক উপায় উল্লেখ কৰা হ'ল ঃ

**১) হুলস্থুলীয়া পৰিৱেশৰ পৰা আঁতৰি অহা ঃ** এজন দুৰ্বল শ্ৰৱণ শক্তিসম্পন্ন ব্যক্তিৰ লগত কথা পতাৰ সময়খিনিত সেই ঠাইৰ নেপথ্যত চলি থকা আন শব্দবোৰ যিমান সম্ভৱ কমাই ল'ব লাগে। টিভি, ৰেডিঅ' বা যিকোনো হুলস্থুলীয়া আৰু মনোযোগ আঁতৰাব পৰা মাধ্যমৰ পৰা আঁতৰি আহিব লাগে। এনে কিছুমান সৰু সৰু সামঞ্জস্য মিলাই চলিলে কথা-বতৰাৰ ক্ষেত্ৰত দুৰ্বল শক্তিৰ ব্যক্তি এজনৰ লগতো সহজে মত বিনিময় কৰিব পৰা যায়।

**২) মুখৰ ওচৰৰ পৰা হাত আঁতৰাই ৰখা ঃ** শ্ৰৱণ শক্তি কম হোৱা ব্যক্তিসকলৰ সৰহসংখ্যকে শুনিবলৈ অসুবিধা হোৱা বিশেষ শব্দ কিছুমান সাধাৰণতে সমুখৰ ব্যক্তিজনৰ ওঁঠৰ পঠনৰ সহায়ত বুজিবলৈ চেষ্টা কৰে। সেয়েহে কথা কোৱাৰ সময়ত হাত দুখন সদায়ে মুখৰ ওচৰৰ পৰা আঁতৰাই ৰাখিব লাগে আৰু স্পষ্টকৈ উচ্চাৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। ইয়ে কম শ্ৰৱণ শক্তিৰ ব্যক্তি এজনক ওঁঠৰ পঠন কৰিবলৈ সহায় কৰে।

**৩) মনোযোগ আকৰ্ষণ কৰা ঃ** কথা-বতৰা আৰম্ভণি কৰাৰ আগতেই দুৰ্বল শ্ৰৱণ শক্তিৰ ব্যক্তিজনৰ মনোযোগ আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিব লাগে। তেওঁৰ নাম সুধি, শ্ৰোতাজনৰ হাত, বাহু বা কান্ধত লাহেকৈ স্পৰ্শ কৰি অথবা  সূক্ষ্ম হাত বাউলিৰে নিজৰ প্ৰতি তেওঁৰ দৃষ্টি আৰু মনোযোগ আকৰ্ষিত কৰিব লাগে। এনেবোৰ চিহ্নৰ জৰিয়তে কথোপকথনৰ প্ৰতি তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰিব পাৰি।

**৪) সুবিধাজনক মাধ্যমটোৰ বিষয়ে জানি লোৱা ঃ** বিশেষভাৱে সক্ষম ব্যক্তি এজনৰ লগত কথা পতাৰ আগতে কোনটো মাধ্যম তেওঁৰ কথোপকথনত আটাইতকৈ সন্তোষজনক হয় সেইটো পোনপটীয়াকৈ সুধি ল'লে শ্ৰোতা আৰু বক্তা উভয়ৰে সুবিধা হয়। তদুপৰি দুৰ্বল শ্ৰৱণ শক্তিৰ ব্যক্তিজনৰ কোনখন কাণ তুলনামূলকভাৱে বেছি সক্ৰিয়, সেয়াও জনাটো প্ৰয়োজনীয়। তেতিয়া কথাবোৰ আয়ত্ত কৰিবলৈ আগতকৈ সহজ হৈ পৰে।

**৫) এবাৰত এজনেহে কথা কোৱা উচিত ঃ** যদি কেইবাজনো ব্যক্তি একগোট হৈ দুৰ্বল শ্ৰৱণ শক্তিৰ ব্যক্তি এজনৰ লগত কথা পাতিবলগীয়া হয়, তেতিয়া এবাৰত এজন মাথোঁ ব্যক্তিয়েহে কথা কোৱাটো অত্যাৰশ্যকীয়। কথাবোৰ সকলোকে সাঙুৰি লৈ পাতিব লাগে, কিন্তু এবাৰত এজনেহে স্পষ্টকৈ ক'ব লাগে, নহ'লে শ্ৰৱণ শক্তিৰ দুৰ্বলতা থকা বা দুৰ্বলতা নথকা সাধাৰণ ব্যক্তি উভয়ৰে কথাবোৰ বুজাবলৈ অসুবিধা হয়।

৬) চকুত চকু থৈ কথা কোৱা ঃ কথাৰ আদান-প্ৰদানৰ ক্ষেত্ৰত মুখৰ প্ৰকাশভংগী আৰু শৰীৰৰ ভাষাই দিয়া ইংগিতসমূহ যথেষ্ট সহায়ক হৈ পৰে। চকুত চকু থৈ কথা পাতিলেও বহুক্ষেত্ৰত বুজিবলৈ সহজ হয়। শৰীৰৰ ভাষা আৰু প্ৰকাশভংগী মত বিনিময়ত যথেষ্ট সহায়ক হয়।



৭) সাধাৰণ কথোপকথন ঃ সাধাৰণভাৱে কথা পাতিলেই দুৰ্বল শ্ৰৱণ শক্তিৰ ব্যক্তিসকলে শুনা আৰু বুজি পোৱাত সুবিধা হয়। অতি কোমল আৰু অস্পষ্ট উচ্চাৰণ হ'লে দুৰ্বল শ্ৰৱণ শক্তিৰ ব্যক্তিৰ বাবে বেছিহে অসুবিধা সৃষ্টি হোৱা দেখা যায়। প্ৰয়োজনীয় সময় লৈ, স্পষ্ট আৰু দৃঢ়ভাৱে কোৱা কথাবোৰ তেওঁলোকে সোনকালে নিজৰ আয়ত্তলৈ আনিব পাৰে।

৮) কথাৰ পুনৰাবৃত্তি নকৰা ঃ শ্ৰৱণ শক্তিৰ সমস্যা থকা যিকোনো ব্যক্তিয়ে যদি সমুখৰ ব্যক্তিজনে কোৱা কথাখিনি এবাৰত বুজিবলৈ অসুবিধা হয়, তেন্তে সেই একেখিনি কথাকে তেওঁক পুনৰাবৃত্তি কৰাৰ বিপৰীতে অলপ বেলেগ ধৰণেৰে বুজাবলৈ চেষ্টা কৰিব লাগে। কাৰণ প্ৰথমবাৰ কওঁতে যিটো কথা নুশুনিলে সেই একেটা কথা বাৰে বাৰে একেধৰণে ক'লেও নুশুনা বা নুবুজাৰ সম্ভাৱনাই অধিক।

৯) সকলোতে ধৈৰ্যৰ প্ৰয়োজন ঃ শ্ৰৱণ শক্তি দুৰ্বল ব্যক্তি বা শৰীৰৰ আন অংগ বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ লগত কথাৰ আদান-প্ৰদান কৰাটো সাধাৰণ ব্যক্তিতকৈ তুলনামূলকভাৱে হয়তো অলপ অসুবিধাজনক হ'ব পাৰে। কিন্তু তেওঁলোকৰ লগত ধৈৰ্য সহকাৰে আৰু শান্তিপূৰ্ণভাৱে কথা পতাটো আমাৰ সকলোৰে কৰ্তব্য।

বৰ্তমান সময়ৰ উন্নততৰ চিকিৎসা বিজ্ঞানে বিশেষভাৱে সক্ষম ব্যক্তিৰ জীৱনলৈ বহুতো সুখবৰ আনিলে। এতিয়া যিমান সোনকালে শ্ৰৱণ শক্তিহীন ব্যক্তিৰ চিকিৎসা আৰম্ভ কৰিব পাৰি সিমান সোনকালে তেওঁলোকে তাৰ পৰা হ'ব পৰা প্ৰতিকূল প্ৰভাৱবোৰৰ পৰা হাত সাৰিব পাৰে। জীৱনটো তেওঁলোকে আকৌ এবাৰ নতুনকৈ উপভোগ কৰিবলৈ সুযোগ বিচাৰি পাব পাৰে। লগতে সমাজ আৰু পৰিয়ালৰ লোকৰ লগত দৈনন্দিন কাৰ্যকলাপসমূহ কৰি সাধাৰণ জীৱন যাপন কৰিব পৰাকৈ সক্ষম হৈ উঠে।

**দৰাচলতে আমি এতিয়া আৰু এখোজ আগুৱাই চিন্তা কৰাৰ সময় ঃ**

শ্ৰৱণ শক্তিহীনতা এটা শাৰীৰিক দুৰ্বলতাহে, ইয়াক কেতিয়াও মানসিক দুৰ্বলতা হ'বলৈ দিব নালাগে। এই সমস্যাৰ বিষয়ে অৱগত হোৱাৰ লগে লগে অনতিপলমে চিকিৎসা আৰম্ভ কৰি ব্যক্তিগৰাকীৰ মানসিক দিশটোও সবল কৰি তুলিব লাগে। এইক্ষেত্ৰত পৰিয়ালৰ লগতে সমাজখনৰো এনে বিশেষ ব্যক্তিৰ প্ৰতি কিছু দায়িত্ব থকাটো প্ৰয়োজনীয়। আজিকালি উন্নত চিকিৎসালয়সমূহত শ্ৰৱণ শক্তিহীন শিশুৰ ছমাহ বয়সৰ পৰাই চিকিৎসা আৰম্ভ কৰা হয়। যিকোনো ৰোগৰে চিকিৎসা যিমান সোনকালে আৰম্ভ কৰা হয়, সিমানেই অধিক আৰোগ্য হোৱাৰ সম্ভাৱনা থাকে। শ্ৰৱণ শক্তিৰ দুৰ্বলতাৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়। যিসকল বিশেষভাৱে সক্ষম শিশুক জন্মৰ ছমাহৰ ভিতৰতেই চিকিৎসা আৰম্ভ কৰা হয়, পৰিপক্ব বয়সত তেওঁলোক প্ৰায় সাধাৰণ শিশুৰ সমকক্ষ হোৱাৰ উদাহৰণো আছে। তেওঁলোকৰ মনত বিশ্বাস জগোৱাটো খুবেই প্ৰয়োজন যে আন সাধাৰণ ব্যক্তিতকৈ তেওঁ কোনোগুণেই কম নহয়। তেওঁলোক বিশেষভাৱে সক্ষম অৰ্থাৎ এক বিশেষ সক্ষমতাৰ অধিকাৰী লোক। যিটোৰ হয়তো সাধাৰণ মানুহ এজন অক্ষম। মানুহৰ আন ৰোগসমূহৰ দৰে এইটোও এটা সাধাৰণ ৰোগ আৰু উপযুক্ত চিকিৎসাৰ সহায়ত এনে বিশেষভাৱে সক্ষম ব্যক্তিয়েও সাধাৰণ জীৱন যাপন কৰিব পৰাকৈ সক্ষম হৈ উঠে। বৰ্তমান সময়ত সমগ্ৰ বিশ্বৰ অজস্ৰ শ্ৰৱণ শক্তিহীন ব্যক্তিয়ে উপযুক্ত চিকিৎসাৰ সহায়ত তেওঁলোকৰ দুৰ্বলতাখিনিক তৎপৰতাৰে সাধাৰণ জীৱনলৈ ৰূপান্তৰ কৰি আহিছে। চিকিৎসাৰ ফলত তেওঁলোকে বহুতো নতুন মানুহ লগ পায়। কিছুমান নতুন কাম আৰু অভিৰুচিৰে পৰিচিত হয়। মূলতে তেওঁলোকে জীৱনটোৰ লগত নিজকে নতুনকৈ সংযোগ হোৱাৰ আৰু এটা সুযোগ পায়। ইচ্ছা শক্তিৰে মানুহে জগত জিনিব পাৰে।

বিখ্যাত চলচ্চিত্ৰকাৰ সত্যজিৎ ৰায়ে কৈছিল, 'Silence is the universal language' নিঃশব্দতা এক সাৰ্বজনীন ভাষা। আমি প্ৰায় উনুকিয়াই থকা আন এষাৰ উক্তি হৈছে, 'One expression can say more than a thousand words'। অন্তৰংগতা থাকিলে ভাব বিনিময়ৰ বাবে শব্দৰ প্ৰয়োজনেই বা ক'ত! প্ৰকৃততে পংগুত্ব মানুহৰ মনতহে থাকে, শৰীৰত নহয়। ব্যক্তি এজনৰ বিশেষত্ববোৰ বিচাৰি উলিয়াব জানিলে তেওঁৰ দুৰ্বলতাখিনি তেনেই নগন্য হৈ পৰে। ❑❑

# স্বামী বিবেকানন্দ যুৱ সবলীকৰণ যোজনা



স্বামী বিবেকানন্দ অসম যুৱ সবলীকৰণ যোজনা (স্বয়ম) ২০১৭ চনৰ ৭ ফেব্ৰুৱাৰীত বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ বাজেট ভাষণত ঘোষণা কৰিছিল। বিগত বৰ্ষত উক্ত আঁচনিখন শুভাৰম্ভ কৰা হয়। ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকলৰ অৰ্থনৈতিক স্বাৱলম্বনৰ বাবে উক্ত স্বয়ম আঁচনিখন শুভাৰম্ভ কৰা হৈছে। উক্ত আঁচনিৰ অধীনত ৰাজ্যৰ ২ লাখ যুৱক-যুৱতীক ৫০ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব।

উক্ত আঁচনিত আৱেদন কৰিবলৈ হ'লে তলৰ যোগ্যতাসমূহ বাধ্যতামূলক—

— আৱেদনকাৰীসকল (গোটৰ সকলো সদস্য) অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব আৰু বৰ্তমান অসমতেই বসতি কৰিব লাগিব।

— আৱেদনকাৰী প্ৰাৰ্থীৰ বয়স ৪০ বছৰতকৈ বেছি হ'ব নোৱাৰিব।

— আৱেদনকাৰীৰ ন্যূনতম শিক্ষাগত অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

— ১ ছেপ্টেম্বৰ, ২০২০ ৰ আগত যিবোৰ আত্মসহায়ক গোট, যৌথ দায়বদ্ধ গোট, কৃষি উৎপাদনকাৰী সংস্থা, পুঞ্জ পৰ্যায়ত এছ পি ভি সংস্থা গঠন কৰা হৈছে সেইবোৰ গোটৰ সদস্যসকলেহে এই আঁচনিৰ বাবে আবেদন কৰিবলৈ উপযুক্ত হ'ব।

— ৫ জনতকৈ কম আৰু ২০ জনতকৈ অধিক সদস্য নথকা গোটসমূহ উক্ত আঁচনিৰ সুবিধা লাভ কৰিব।

— আৱেদনকাৰী গোটৰ ১ ছেপ্টেম্বৰ, ২০২০ ৰ আগত উমৈহতীয়াকৈ খোলা ৰাষ্ট্ৰীয়কৃত বাণিজ্যিক বেংক অথবা কো-অপাৰেটিভ বেংকত একাউণ্ট থাকিব লাগিব।

— গোটৰ কোনো সদস্য আগতে কোনো বেংকৰ ঋণী হ'ব নোৱাৰিব।

এই আঁচনিৰ সুবিধা কৃষি বা উৎপাদন ক্ষেত্ৰৰ কৰ্ম কৰাসকল, পৰিবহণৰ (অট', ৰিক্সা আদি চলোৱাসকল) ক্ষেত্ৰত, সেৱা তথা সামাজিক ক্ৰিয়াৰ বাবে, পৰ্যটন ক্ষেত্ৰৰ বাবে আৰু অন্যান্য ক্ষেত্ৰত নিয়োজিত যুৱক-যুৱতীসকলেহে লাভ কৰিব।

বিত্ত বিভাগে পৰিচালনা কৰা উক্ত আঁচনিত আৱেদন কৰাৰ পিছত যুৱক-যুৱতীসকলক তিনিদিনীয়া প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। প্ৰথম কিস্তিত ৩০ হাজাৰ আৰু দ্বিতীয়ত ২০ হাজাৰ টকা প্ৰদান কৰা হ'ব। ইচ্ছুক গোটসমূহে আৱেদন কৰাৰ বাবে https ://svayem.in ত লগ ইন কৰক। ▫▫

# চিকিৎসাজনিত অৰ্থ সাহায্যৰ বিশেষ আঁচনি

স্বাস্থ্য হৈছে পৰম সম্পদ। সুস্থ-সম্ভল ব্যক্তিৰ যোগেদিহে এখন দেশৰ সামগ্ৰিক বিকাশ আশা কৰিব পাৰি। ২০১৬ বৰ্ষত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখন শাসনলৈ অহাৰ পিছত স্বাস্থ্যখণ্ডত বিশেষ অগ্ৰাধিকাৰ দিয়াৰ ফলত আজি ৰাজ্যৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকজনেও উন্নত স্বাস্থ্যসেৱা লাভ কৰিবলৈ সক্ষম হৈছে। কিছু জটিল ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰতো বিনামূলীয়াকৈ চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হৈছে। কৰ্কট ৰোগ, বৃক্ক সংস্থাপন আৰু অন্যান্য গুৰুতৰ ৰোগত কিছু সংখ্যক লোকে চিকিৎসা কৰিবলৈ সক্ষম নহয় কাৰণ এইসমূহ ৰোগৰ চিকিৎসা যথেষ্ট ব্যয়বহুল। শেহতীয়াকৈ অসমৰ ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোকৰ বাবে এককালীন সাহায্য প্ৰদানৰ মহৎ উদ্দেশ্য আগত ৰাখি এখন আঁচনি ৰূপায়ণ কৰিছে। উক্ত আঁচনিৰ অধীনত কৰ্কট ৰোগ, বৃক্ক সংস্থাপন আদিৰ ক্ষেত্ৰত সৰ্বোচ্চ ৫০ হাজাৰ টকা আৰু আন গুৰুতৰ ৰোগৰ ক্ষেত্ৰত ২০-৫০ হাজাৰ টকাৰ এককালীন অৰ্থ সাহায্য আগবঢ়োৱা হ'ব। আঁচনিখনৰ আৱেদনপত্ৰৰ বাবে তথা বিতংভাৱে জনাৰ উদ্দেশ্যে directorwptbe.assam.gov.inত লগ ইন কৰক। ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ সঞ্চালকৰ কাৰ্যালয়ৰ লগত (ছাত্ৰী নিবাস পথ, ৰুক্মিণী নগৰ, দিছপুৰ, লাষ্টগে'ট, গুৱাহাটী- ৬) যোগাযোগ কৰক। ▫▫

# ক'ভিড-১৯
## সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত আমাৰ কৰণীয়



সৌৰভজ্যোতি ফুকন

বৰ্তমান সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো ক'ভিড-১৯ কৰ'না ভাইৰাছ সংক্ৰমণ হ'বলৈ লৈছে। এই ৰোগে বৰ্তমান মাৰাত্মক ৰূপ ধাৰণ কৰিছে। সমগ্ৰ দেশত প্ৰায় ৬০ লাখৰো অধিক লোক আক্ৰান্ত হোৱাৰ লগতে ৰাজ্যখনতো আক্ৰান্তৰ সংখ্যা দিনক দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বৰ্তমান ৰাজ্যখনত আক্ৰান্তৰ সংখ্যাই ডেৰ লাখৰ সংখ্যা অতিক্ৰম কৰিছে। এই লেখাত এই ৰোগৰ সংক্ৰমণৰ পৰা নিজৰে ৰক্ষা কৰিবলৈ কিছু ব্যৱস্থাৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

উক্ত ৰোগৰ সংক্ৰমণৰ পৰা ৰক্ষা পোৱাৰ প্ৰধান উপায় হৈছে মাস্ক পৰিধান কৰা আৰু সামজিক দূৰত্ব মানি চলা, মাস্ক পৰিধান কৰাৰ আগতে হাতখন ভালদৰে চাবোনেৰে ধুই বা ছেনিটাইজাৰে (এলক'হলযুক্ত) পৰিষ্কাৰ কৰি লওক। মাস্কখনেৰে নাক আৰু মুখ ভালদৰে ঢাকি ল'ব লাগে। এবাৰ ব্যৱহাৰ কৰা মাস্কসমূহ পুনৰ ব্যৱহাৰ নকৰিব। ঘৰত তৈয়াৰ কৰা মাস্ক ধুই ৰ'দত শুকুৱাই পুনৰ ব্যৱহাৰ কৰিব পাৰে। সামাজিক দূৰত্ব মানি চলিব। ইয়াৰ উপৰি অফিচ-কাছাৰী আদিত থাকোতে পৰাপক্ষত লিফ্‌ট ব্যৱহাৰ নকৰিব। চিৰিয়েদি উঠিবলৈ যত্ন কৰিব। ৰেলিং, অফিচৰ টেবুল স্পৰ্শ নকৰিব বা কৰিলেও ভালদৰে হাতখন হেণ্ড ছেনিটাইজাৰেৰে পৰিষ্কাৰ





কৰিব। নিজে ব্যৱহাৰ কৰা সামগ্ৰী পৰাপক্ষত আনক ব্যৱহাৰ কৰিবলৈ নিদিব। কাৰ্যালয়ৰ ফাইল, কম্পিউটাৰ আদি হেগু গ্ল'ভছ পৰিধান কৰিহে স্পৰ্শ কৰক। বজাৰ আদিলৈ যাওঁতে বেছি জনসমাগম থকা ঠাই পৰিত্যাগ কৰক। পৰাপক্ষত ঘৰৰ ওচৰত থকা বজাৰ/ দোকানখনৰ পৰাহে সামগ্ৰী ক্ৰয় কৰক। অন্য গ্ৰাহক তথা দোকানীৰ পৰা ছয় ফুট দূৰত্বৰ ব্যৱধান ৰাখিব। মোনাটো ঘৰৰ পৰাই লৈ যাব। যোৱাৰ আগতে মোনাটো ছেনিটাইজ কৰক, বজাৰ কৰি আনি মোনাটো ভালদৰে পানীৰে ধুই ৰ'দত শুকুৱাব। বজাৰত য'তে ত'তে নবহিব। বজাৰৰ পৰা অহাৰ পিছত ভালদৰে চাবোনেৰে হাত ধুই ফোন, ৱালেট আদি ভালদৰে ছেনিটাইজ কৰিব। শাক-পাচলিসমূহ পৰিষ্কাৰ পানীত ধুই ল'ব (নিমখ অলপ মিহলাই ল'ব)। ভালদৰে স্নান কৰিহে ভিতৰত সোমাব, কাৰণ বজাৰত ক'ভিড ৰোগৰ সংক্ৰমণ হোৱাৰ সম্ভাৱনা থাকে। সকলোৰে আৰোগ্য সেতু এপ ডাউনলোড কৰক।


এ টি এমৰ পৰা ধন উলিয়াবলৈ যাওঁতে এজনৰ পিছত আনজন সোমাওক। এ টি এম মেচিনৰ চুইচবোৰ (ধন উলিওৱাৰ আগত) ছেনিটাইজ কৰক। ধনখিনি ছেনিটাইজ কৰাৰ লগতে কাৰ্ডখনো কৰক।

অধিক সজাগ হোৱাৰ লগতে সাৱধানতা অৱলম্বন কৰিলেহে ক'ভিড ১৯ ৰ সংক্ৰমণৰ পৰা হাত সাৰিব পৰা যাব।

বৰ্তমান ৰাজ্য চৰকাৰে ক'ভিড ১৯ আক্ৰান্ত লোকৰ ক্ষেত্ৰত গৃহ আছুতীয়াকৰণৰ ব্যৱস্থা কৰিছে। ৰোগীজন গৃহ আছুতীয়াকৰণ কক্ষত থাকিলেও কিছুক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰাটো জৰুৰী—

ৰোগীজন গৃহত থাকিলে তেওঁৰ কাৰণে পৃথক শৌচালয় থকাটো প্ৰয়োজনীয়। তেওঁক আছুতীয়াকৈ অন্য এটা কোঠাত থাকিবলৈ দিব লাগে। ঘৰত যদি ৬০ উৰ্ধ্বৰ লোক আৰু শিশুৰ লগতে গৰ্ভৱতী মহিলা থাকে তেন্তে তেওঁক গৃহ আছুতীয়াকৰণ কৰিব নালাগে। ব্যক্তিগত চিকিৎসকৰ লগত সঘনাই যোগাযোগ কৰি থকাৰ লগতে ঘৰত নিজা গাড়ী থকাটো জৰুৰী যাতে জৰুৰী হ'লে চিকিৎসালয়লৈ নিব পৰা যায়। ৰোগীজনে ঘৰৰ আন মানুহৰ লগত মিলা-প্ৰীতিৰ পৰা বিৰত থাকিব লাগে। গৃহ আচুতীয়াকৰণৰ সময়ত ৰোগীজনৰ শুকান, কাঁহ, জ্বৰ, ডায়েৰীয়া, শ্বাহ-প্ৰশ্বাসত অসুবিধা পালে শীঘ্ৰে চিকিৎসকৰ লগত যোগাযোগ কৰিব লাগে। ❑❑




***ভীতিগ্ৰস্ত নহ'ব, সাৱধান হওক, সামাজিক দূৰত্ব বজাই ৰাখক***

**বাহিৰলৈ ওলাই গ'লে মাস্ক পৰিধান কৰক,**
**এলক'হলযুক্ত হেগু ছেনিটাইজাৰ ব্যৱহাৰ কৰক**

# ক'ভিড-১৯ সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত ঘৰুৱা মুখাৱৰণ





বৰ্তমান বিশ্বজুৰি ক'ভিড-১৯-এ এক মহামাৰীৰ ৰূপ ধাৰণ কৰিছে। আমাৰ দেশতো ইতিমধ্যে এই ৰোগ বিভিন্ন স্তৰত সংক্ৰমিত হৈছে। কেন্দ্ৰীয় চৰকাৰকে ধৰি ৰাজ্য চৰকাৰসমূহেও এই ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। ক'ভিড-১৯ ৰ সংক্ৰমণ ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰী প্ৰচেষ্টাসমূহৰ উপৰি আমাৰ নিজা কিছুমান সজাগতা এইক্ষেত্ৰত যথেষ্ট উপকাৰী। সামাজিক দূৰত্ব বৰ্তাই ৰখা, সঘনাই চাবোন আৰু পানীৰে হাত ধুই থকা, এলক'হলযুক্ত ছেনিটাইজাৰ ব্যৱহাৰ কৰা ইত্যাদি এই সংক্ৰমণ ৰোধ কৰাৰ ক্ষেত্ৰত যথেষ্ট ফলপ্ৰসূ হিচাপে পৰিগণিত হৈছে।

ক'ভিড-১৯ সংক্ৰমণ ৰোধ কৰাৰ ক্ষেত্ৰত অন্য এটা গুৰুত্বপূৰ্ণ দিশ হৈছে মুখাৱৰণৰ ব্যৱহাৰ। আমি বাহিৰলৈ ওলোৱাৰ সময়ত মুখাৱৰণ পিন্ধি ওলোৱাটো এক সুৰক্ষা কবচ হিচাপে পৰিগণিত হৈছে। সুৰক্ষিত মুখাৱৰণৰ ব্যৱহাৰে ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰাৰ ক্ষেত্ৰত অৰিহণা যোগায়। বজাৰত উপলব্ধ মুখাৱৰণৰ চাহিদা যথেষ্ট বৃদ্ধি হোৱা দেখা গৈছে, কিন্তু আমি এই মুখাৱৰণ ঘৰুৱা পদ্ধতিৰে অতি সহজে প্ৰস্তুত কৰি ল'ব পাৰো। ঘৰতে উপলব্ধ পৰিষ্কাৰ কপাহী কাপোৰৰ সহায়ত চিলাই মেচিন অথবা হাতেৰেই আমি ইয়াক সহজে সাজি ল'ব পাৰো।

ঘৰুৱাভাৱে প্ৰস্তুত কৰা মুখাৱৰণৰ ক্ষেত্ৰত মনত ৰাখিবলগীয়া কিছুমান গুৰুত্বপূৰ্ণ দিশ ঃ

১) এখন মুখাৱৰণ কেৱল এজন লোকেই পৰিধান কৰাটো প্ৰয়োজনীয়। পৰিয়ালৰ সকলো সদস্যৰেই নিজা নিজা মুখাৱৰণ থকাটো খুবেই জৰুৰী।

২) মুখাৱৰণ সাজি উলিওৱাৰ আগতে কাপোৰ ভালদৰে পৰিষ্কাৰ কৰি লোৱাটো জৰুৰী।

৩) মুখাৱৰণ পিন্ধাৰ আগতে সদায় হাত ভালদৰে ধুই ল'ব লাগে।

৪) মুখাৱৰণসমূহ য'তে-ত'তে পেলাই নিদি সুৰক্ষিত স্থানত ৰখাটো প্ৰয়োজন।

৫) মুখাৱৰণখন পিন্ধোতে নাক আৰু মুখ, কোনো ফাক নোহোৱাকৈ ভালদৰে আবৰি থকাটো গুৰুত্বপূৰ্ণ কথা।

৬) মুখাৱৰণখন তিতি অথবা সেমেকি গ'লে লগে লগে আন এখন মুখাৱৰণ ব্যৱহাৰ কৰক। পিন্ধি থকাখন চাবোন অথবা নিমখ মিহলি উতলা পানীৰে পৰিষ্কাৰ কৰক।

ক'ভিড-১৯ ৰ দ্বাৰা সংক্ৰমিত ৰোগৰ কোনো ভেকচিন বৰ্তমানলৈ উপলব্ধ হোৱা নাই। ইয়াক ৰোধ কৰিবলৈ বৰ্তমান একমাত্ৰ উপায়টো হৈছে আমাৰ সজাগতা। গতিকে আহক আমি সকলোৱে সজাগ হৈ বিভিন্ন চৰকাৰী স্বাস্থ্য নীতি-নিৰ্দেশনাসমূহ মানি চলি এই ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰিবলৈ বদ্ধপৰিকৰ হওঁ। ❑❑

# নিয়োগ বাতৰি

## চিকিৎসা আৰু স্বাস্থ্য নিয়োগ ব'ৰ্ডত ৫৭টা পদ

অসম চৰকাৰৰ চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ অধীনস্থ চিকিৎসা আৰু স্বাস্থ্য নিয়োগ ব'ৰ্ডে প্ৰবক্তা আৰু ডেমনষ্ট্ৰেটৰৰ ৫৭টা পদ পূৰণৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছে। এই পদসমূহ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত অসমৰ চিকিৎসা মহাবিদ্যালয়সমূহত পূৰণ কৰা হ'ব। প্ৰবক্তাৰ পদ আছে মুঠ ৪৪টা। এই পদসমূহ পূৰণ হ'বলগীয়া বিভাগবোৰ হৈছে Prosthodontics, Crown & Bridge, Aesthetic Dentistry & Oral Implantology, Conservative Endodontic & Aesthetic Dentistry, Oral Pethology, Micro Biology & Forensic Odontology, Oral & Maxillofacial Surgery & Oral Implantology, Perio Dentology & Oral Implantology, Orthodontics & Dentofacial Orthopedics, Oral Medicine & Radiology, Public Health Dentistry, Pedodontics & Preventive Dentistry, Anesthesiology । আনহাতে, ডেমনষ্ট্ৰেটৰৰ ১৩টা পদ পূৰণ কৰা হ'ব মাইক্ৰ'বায়'লজী বিভাগত। আবেদনকাৰী প্ৰাৰ্থীৰ বয়স হ'ব লাগিব চলিত বৰ্ষৰ পহিলা জানুৱাৰীত ২১-৩৮ বছৰ। সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে বয়সৰ উৰ্ধ্বসীমাৰ ক্ষেত্ৰত বিধিগত ৰেহাই লাভ কৰিব। আগ্ৰহী প্ৰাৰ্থীসকলে প্ৰাৰ্থিত্বৰ সবিশেষ জানিবলৈ আৰু অনলাইনযোগে আৱেদন দাখিল কৰিবলৈ ৱেবছাইট https://nhm.assam.gov.in চাব পাৰে। অনলাইনযোগে আৱেদন দাখিলৰ অন্তিম দিন ৫ অক্টোবৰ, ২০২০। ❑❑



## ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, শিলচৰত অধ্যাপকৰ ৬৫টা পদ

ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান শিলচৰত খালী হোৱা বিভিন্ন বিভাগৰ অধ্যাপকৰ ৬৫ টা পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন বিচৰা হৈছে। অধ্যাপক, সহযোগী অধ্যাপক আৰু সহকাৰী অধ্যাপকৰ গ্ৰেড ১/২ ৰ এই পদসমূহ পূৰণ হ'বলগীয়া বিভাগবোৰ হৈছে ছিভিল ইঞ্জিনীয়াৰিং, মেকানিকেল ইঞ্জিনীয়াৰিং, ইলেক্ট্ৰিকেল ইঞ্জিনীয়াৰিং, ইলেক্ট্ৰনিকছ এণ্ড কমিউকেচন ইঞ্জিনীয়াৰিং, কম্পিউটাৰ ছায়েন্স এণ্ড ইঞ্জিনীয়াৰিং, ইলেক্ট্ৰনিক্স এণ্ড ইনষ্ট্ৰুমেণ্টেচন ইঞ্জিনীয়াৰিং, মেথামেটিকছ আৰু মেনেজমেণ্ট ষ্টাডিজ। প্ৰাৰ্থিত্বৰ সবিশেষ জানিবলৈ আগ্ৰহী প্ৰাৰ্থীসকলে ৱেবছাইট www.nits.ac.in চাব পাৰে। আগ্ৰহী প্ৰাৰ্থীসকলে যাৱতীয় নথি-পত্ৰ প্ৰত্যায়িত প্ৰতিলিপিসহ আৱেদন Dean (F.W) National Institute of Technology Silchar, P.O- Silchar, Pin-788010, Assam ঠিকনালৈ প্ৰেৰণ কৰিব লাগিব। ইয়াৰ উপৰি ছফ্ট কপি ইমেইলযোগে recruit_faculty@nits.ac.in or faculty_appt@nits.ac.in লৈ প্ৰেৰণ কৰাটো বাধ্যতামূলক। ❑❑



# নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ত বিভিন্ন বৰ্গৰ ৪৪৪ টা পদ




অসম চৰকাৰৰ দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ অধীনস্থ নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ত খালী হোৱা বিভিন্ন বৰ্গৰ ৪৪৪ টা পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন ভাৰতীয় প্ৰাৰ্থীৰ পৰা আৱেদন আহ্বান কৰিছে এছ এল পি আৰ বিৰ অধ্যক্ষই। প্ৰকাশিত বিজ্ঞাপন অনুসৰি খালী পদসমূহৰ ভিতৰত আছে ষ্টেন'গ্ৰাফাৰৰ ২ টা, টেকনিকেল এছিষ্টেন্টৰ ৪টা, ষ্টেটিষ্টিকেল এছিটেন্টৰ ৩০টা, ফাৰ্মাচিষ্টৰ ১২টা, ষ্টাক্টৰ ষ্টেন'গ্ৰাফীৰ ৮ টা, জুনিয়ৰ ইনষ্ট্ৰাক্টৰৰ ৯২টা, জুনিয়ৰ এছিষ্টেন্টৰ ১৪০টা, হোষ্টেল ছুপাৰিনটেণ্ডেণ্ট কাম ফিজিকেল ট্ৰেইনিং ইনষ্ট্ৰাক্টৰৰ ৩টা, ষ্ট'ৰ কীপাৰৰ ১০টা, লাইব্ৰেৰিয়ানৰ ১টা, ড্ৰেচাৰৰ ৪ টা আৰু গ্ৰেড ৪ৰ ১৩৮ টা পদ। এই পদসমূহৰ বাবে আৱেদন কৰিবলৈ চলিত বৰ্ষৰ পহিলা জানুৱাৰীত প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৮-৪০ বছৰ। সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে বয়সৰ উচ্চসীমাৰ ক্ষেত্ৰত বিধিগত ৰেহাই লাভ কৰিব। এই পদসমূহৰ বাবে থাকিবলগীয়া প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা, অন্যান্য চৰ্তাৱলীকে ধৰি অনলাইনযোগে আৱেদন দাখিল কৰিবলৈ আগ্ৰহী প্ৰাৰ্থীসকলে ৱেবছাইট www.slprbassam.in চাব পাৰে। অনলাইনযোগে আৱেদন দাখিলৰ অন্তিম তাৰিখ ১০ অক্টোবৰ ২০২০ । ❐❐

# অসম লোকসেৱা আয়োগত বিভিন্ন বৰ্গৰ ৩৩১টা পদ

অসম লোকসেৱা আয়োগে বিভিন্ন বিভাগত খালী হোৱা ভিন ভিন বৰ্গৰ ৩৩১টা পদত নিযুক্তিৰ বাবে নিয়োগ বিজ্ঞাপন প্ৰকাশ কৰে। আয়োগৰ সচিবে প্ৰকাশ কৰা বিজ্ঞাপনৰ তথ্য অনুসৰি অসম অসামৰিক সেৱা (১২১ টা), অসম আৰক্ষী সেৱা (৬৯ টা), কৰ অধীক্ষক (৬ টা), জিলা পৰিবহণ বিষয়া (৫ টা), শ্ৰম পৰিদৰ্শক (১৮ টা), কৰ পৰিদৰ্শক (২৭ টা), আবকাৰী পৰিদৰ্শক (৭ টা), খণ্ড উন্নয়ন বিষয়া (৩৩ টা), সহকাৰী নিয়োগ বিষয়া (৪ টা), উপ-পঞ্জীয়ক (৩১ টা), উদ্যোগসমূহৰ সহকাৰী প্ৰবন্ধকৰ (১০টা) পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন বিচৰা হৈছে। এই পদসমূহৰ বাবে প্ৰাৰ্থীৰ বয়স চলিত বৰ্ষৰ পহিলা জানুৱাৰীত ২১-৩৮ বছৰ হ'ব লাগিব। বয়সৰ উৰ্ধ্বসীমাত সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে ৰেহাই লাভ কৰিব। আগ্ৰহী প্ৰাৰ্থীসকলে বিজ্ঞাপন বিষয়ক বিতং তথ্যৰ লগতে প্ৰাৰ্থিত্বৰ বাবে থাকিবলগীয়া শিক্ষাগত অৰ্হতা, অভিজ্ঞতা, নিযুক্তি প্ৰক্ৰিয়াসহ অন্যান্য চৰ্তাৱলীকে ধৰি অনলাইনযোগে আৱেদন দাখিল কৰিবলৈ বিভাগীয় ৱেবছাইট https://apscrecruitment.in চাব পাৰে। অনলাইনযোগে আৱেদন দাখিলৰ অন্তিম দিন ১০ অক্টোবৰ ২০২০। ❐❐




Government of Assam
আহক, আমি  সকলোৱে একেলগে
এখন সমৃদ্ধিশালী অসম গঢ়োঁ
কঠোৰ পৰিশ্ৰমৰ জৰিয়তে
আমাৰ সপোন সাৰ্থক কৰোঁ
সৰ্বানন্দ সোণোৱাল
মুখ্যমন্ত্ৰী, অসম
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

অসম চৰকাৰ

GOVERNMENT OF ASSAM

# কৰ'না ভাইৰাছ

National Health Mission, Assam

কৰ'ণা ভাইৰাছ, বা (2019-Cov) এক নতুন ভাইৰাছ (বীজাণু) যাক চীনৰ হুবেই প্ৰান্তৰ বুহান চহৰত প্ৰথমে চিনাক্ত কৰা হৈছিল। কৰ'ণা হৈছে বৃহৎ গোষ্ঠীৰ ভাইৰাছ, যিয়ে জ্বৰ আৰু ছৰ্দি সম্বন্ধীয় ৰোগসহ মানুহ আৰু জীৱ-জন্তু উভয়কে সংক্ৰমিত কৰিব পাৰে। এই ভাইৰাছ আগতে কোনোদিন চিনাক্ত কৰা হোৱা নাছিল বাবে ইয়াক নভেল বা নতুন বুলি কোৱা হৈছে। এই ভাইৰাছবিধ অতি সোনকালে এজন ব্যক্তিৰ পৰা আনজন ব্যক্তিলৈ সংক্ৰমিত হয়।

## কৰ'না ভাইৰাছৰ লক্ষণ সমূহ কি ?

কাহ | জ্বৰ | উশাহ লোৱাত কষ্ট | নিউমোনিয়া | বমি | ডায়েৰিয়া

## কৰ'না ভাইৰাছ কিদৰে বিয়পে ?

এই ৰোগত আক্ৰান্ত হোৱা কোনো ব্যক্তিৰ সংস্পৰ্শলৈ আহিলে এই ভাইৰাছ বিয়পিব পাৰে। আক্ৰান্ত ব্যক্তিজনৰ কাঁহ আৰু হাচ্চি মাৰোতে ওলোৱা ড্ৰপলেটৰমাধ্যমেৰে আৰু আক্ৰান্ত ব্যক্তিজনৰ ব্যৱহৃত সামগ্ৰী স্পৰ্শ কৰাৰ ফলতো এই ভাইৰাছ বিয়পিব পাৰে।

**উল্লেখিত কৰিবলগীয়া আৰু নকৰিবলগীয়া নিয়মসমূহ পালন কৰক**

## কৰিবলগীয়া ✓

- পৰ্য্যমানে লোকসমাবেশ বৰ্জন কৰক
- ব্যৱহৃত টিচু তৎক্ষণাৎ ডাষ্টবিনত পেলাব
- যদি কোনো লোকে কৰ'ণা ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে ১৪ দিনৰ বাবে নিজকে ঘৰত আবদ্ধ কৰি ৰাখক লগতে পৰিয়ালৰ সদস্য তথা ওচৰচুবুৰীয়াৰ পৰা দূৰত্ব বজাই ৰাখিবলৈ অনুৰোধ জনোৱা হ'ল।
- পানী লগা, কাঁহ বা জ্বৰ হৈ থকা ব্যক্তিৰ পৰা অতি কমেও ১ মিটাৰ দূৰত্ব বজাই ৰাখক
- সদায়ে হাত ধোৱাৰ অভ্যাস কৰক। হাত ধুবৰ বাবে চাবোন আৰু পানীৰে পৰিস্কাৰকৈ ধোৱাৰ লগতে এলক'হলযুক্ত চেনিটাইজাৰ ব্যৱহাৰ কৰক
- যদি আপুনি অসুস্থ যেন অনুভৱ কৰিছে (জ্বৰ, উশাহ লোৱাত কষ্ট আৰু কফ) তেন্তে চিকিৎসকৰ পৰামৰ্শ লওক।
- কাঁহ মাৰোতে আৰু হাচ্চি মাৰোতে ৰুমাল/টিচু ব্যৱহাৰ কৰি আপোনাৰ নাক আৰু মুখখন ভালকৈ ঢাকি ল'ব
- যদি কোনো লোকে কৰ'ণা ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে তেওঁ নিজেই ওচৰৰ স্বাস্থ্য কেন্দ্ৰলৈ গৈ বা IDSP কোষৰ অথবা সহায়ক নম্বৰৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।
- চিকিৎসালয়লৈ যোৱাৰ সময়ত ১০৮ এম্বুলেন্স ব্যৱহাৰ কৰক আৰু আগতিয়াকৈ চিকিৎসালয়ত খবৰ দিয়ক।

**আপোনাৰ পৰিয়ালৰ বা ওচৰচুবুৰীয়াৰ কোনো লোকৰ এই ৰোগৰ লক্ষণসমূহ দেখা দিলে স্বাস্থ্য বিভাগৰ কৰ্তৃপক্ষক অবগত কৰাওক আৰু ১০৪ ডায়েল কৰক**

## নকৰিবলগীয়া ⊗

- যদি আপুনি জ্বৰ আৰু কফ ৰোগত ভুগি আছে, অন্য লোকৰ সৈতে ঘনিষ্ঠ সংস্পৰ্শ
- অপৰিষ্কাৰ হাতেৰে চকু, নাক আৰু মুখখন স্পৰ্শ
- ৰাজহুৱা স্থানত থু-খেকাৰ পেলোৱা
- যিকোনো ঠাইলৈ অপ্ৰয়োজনীয় যাত্ৰা পৰিহাৰ কৰক
- ধূমপান নকৰিব
- কাকো সাৱটি নধৰিব

**একত্ৰিত হৈ আমি কৰ'না ভাইৰাছৰ সৈতে যুঁজ দিও আঁহক**

সবিশেষ জানিবৰ বাবে **6913347770/1/2/3** আৰু **104** নম্বৰত যোগাযোগ কৰক

অসম চৰকাৰৰ দ্বাৰা ৰাইজৰ স্বাৰ্থাৰ্থে প্ৰচাৰিত